● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



আমি বহু ব্যৰ্থতাৰ মুখামুখি হ'ব পাৰো কিন্তু আমি নিজকে পৰাজিত হ'বলৈ দিব নোৱাৰো।

মায়া এঞ্জেলু
*আমেৰিকান কবি*

www.dainikagradoot.in

৫ ৰাছিয়াৰ বিশ্ববিদ্যালয়ত বন্দুকধাৰীৰ আক্ৰমণত নিহত আঠ
১১ আজি স্বৰ্ণ জয়ৰ লক্ষ্যৰে ফাইনেলত শিৰ থাপা
৪ উপ-নিৰ্বাচন আৰু জোঁটবন্ধনৰ সম্পৰীক্ষা

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ৩৪১তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ৪ আহিন ১৪২৮ ভাস্কৰাব্দ ২১ ছেপ্টেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 21 September 2021 মূল্য ঃ ৭.০০ টকা

■ ধলপুৰত এদিনতে গৃহহীন হ'ল ২০ হেজাৰ লোক ■ পুৰা আঠ বজাত জাননী দি এঘণ্টাত ঘৰ খালী কৰিবলৈ নশ পৰিয়ালক নিৰ্দেশ ■ সন্ধিয়া পাঁচ বজা পৰ্যন্ত অব্যাহত উচ্ছেদ অভিযান

# একেদিনাই আঠশ পৰিয়ালক উচ্ছেদ



*প্ৰশাসনৰ উচ্ছেদৰ পাছৰ এটি দৃশ্য, ছিপাঝাৰৰ গৰুখুঁটিত সোমবাৰে।*

■ দেৱানন্দ মেদক

**ধলপুৰ (ছিপাঝাৰ), ২০ ছেপ্টেম্বৰ ঃ** তেতিয়া সময় পুৰা আঠ বাজিছে। ধলপুৰৰ কাষতে আছে মলোৱা ঘাট। ঘাটৰ সিপাৰে ৫০ খনৰো অধিক সৰু-বৰ গাড়ী। জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়া, বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীকে ধৰি অসম আৰক্ষী আৰু ১৪ নম্বৰ আৰক্ষী বেটেলিয়নৰ বিষয়া আৰু জোৱানৰ লানি নিছিগা সোঁত। বৃহৎ দলটোৱে ভাগে ভাগে নাও লৈ মলোৱা ঘাট পাৰ



কৰিছে। সমগ্ৰ পৰিৱেশ এনে লাগিছিল যেন এখন যুদ্ধহে আৰম্ভ হ'ব। এই দৃশ্য দেখি দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত এক নম্বৰ ধলপুৰ আৰু তিনি নম্বৰ ধলুপৰবাসী ৰাইজ হতভম্ব। কিয়নো কেৱল আৰক্ষী বিষয়া-জোৱানৰ সংখ্যাই এহেজাৰৰো অধিক। তাতে আকৌ অত্যাধুনিক মাৰণাস্ত্ৰৰ পৰা আৰম্ভ কৰি কন্দুৱা গেছ, পানী হিলৈ আৰু লাঠিৰে সুসজ্জিত হৈ আহিছে আৰক্ষী-বেটেলিয়নৰ *আঠ পৃষ্ঠাত চাওক*

■ ঢলপুৰৰ উচ্ছেদিত ৰাইজৰ ক্ষোভ ঃ আজি কিয় উচ্ছেদ কৰিছে? ■ মাত্ৰ দুদিন আগতে দুবিঘাকৈ মাটিৰ পট্টা প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়া বিধায়ক পৰমানন্দ ৰাজবংশী ক'ত লুকাল?

## চৰকাৰেই আমাক দিছিল পথ-ঘৰ-স্কুল

স্টাফ ৰিপ'ৰ্টাৰ

**ধলপুৰ, ২০ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ ধলপুৰৰ প্ৰস্তাৱিত কৃষি প্ৰকল্পস্থলীত আজি চলোৱা উচ্ছেদ অভিযানৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি এক নম্বৰ আৰু তিনি নম্বৰ ধলপুৰৰ স্থানীয় বাসিন্দাই প্ৰশ্ন কৰে যে অসম চৰকাৰ তথা দৰং জিলা প্ৰশাসনে এক, দুই আৰু তিনি নম্বৰ ধলপুৰক ৰাজহ গাঁওৰূপে স্বীকৃতি দিয়াৰ পাছত আজি হঠাৎ উচ্ছেদ চলোৱাৰ অৰ্থ কি।

আজিৰ উচ্ছেদ অভিযানক অসম চৰকাৰৰ এক বৃহৎ ষড়যন্ত্ৰ, একপক্ষীয় আৰু নিষ্ঠুৰতাৰ চূড়ান্ত বহিঃপ্ৰকাশ বুলি আখ্যা দি তিনি নম্বৰ ধলপুৰৰ স্থানীয় বাসিন্দা তথা ব্যৱসায়ী ছাহিদুল ইছলামে কয়, 'চৰকাৰে আমাৰ গাঁও তিনিখনক ৰাজহ গাঁওৰূপে স্বীকৃতি দিছে। এই অনুসৰি আমাক চৰকাৰী ঘৰ, শৌচালয়, অসম চৰকাৰৰ অনুমোদিত সুলভ মূল্যৰ দোকান, দাগপ্ৰাপ্ত বজাৰ, ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ বাবে প্ৰাথমিক *সাত পৃষ্ঠাত চাওক*



## কাৰচাজি (১০)

■ সঞ্জীৱ সভাপণ্ডিত



গো সুৰক্ষা আইন এখন বলবৎ হোৱাৰ ফলত সমগ্ৰ অসম ৰাজ্যজুৰি এক মিশ্ৰিত প্ৰতিক্ৰিয়া হোৱা দেখা গৈছে। ব্যৱসায়িক উদ্দেশ্যত গৰু ইফালৰ পৰা সিফাললৈ নিব নোৱাৰা হৈছে। দক্ষিণ হেঙেৰাৰ নিচিনা গৰু বজাৰ বন্ধ হৈ গৈছে। মেঘালয়, নগালেণ্ড আদি গৰুৰ মাংস খোৱা ৰাজ্যলৈও গৰুৰ চালান ব্যাহত হৈছে। আনকি গৰু থকা মানুহ এঘৰ যদি এঠাইলৈ উঠি যাব লগা হৈছে *আঠ পৃষ্ঠাত চাওক*

## বাংলা সীমান্তত বিএছএফৰ গুলিত নিহত চোৰাং গৰু সৰবৰাহকাৰী

**মানকাচৰ, ২০ ছেপ্টেম্বৰ ঃ** বাংলাদেশলৈ চোৰাংকৈ গৰু সৰবৰাহ কৰাৰ সময়তে সীমা সুৰক্ষা বাহিনী (বিএছএফ)ৰ গুলিত আজি এজন সৰবৰাহকাৰী নিহত হয়। নিহত চোৰাং সৰবৰাহকাৰীজন দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ মণ্ডলপাৰা গাঁৱৰ জাকিৰ হুছেইনৰ *আঠ পৃষ্ঠাত চাওক*

## শোণিতপুৰত ব্ৰাউন ছুগাৰসহ গ্ৰেপ্তাৰ তিনি, গুলিবিদ্ধ সৰবৰাহকাৰী

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** এজন দুৰ্ধৰ্ষ ড্ৰাগছ সৰবৰাহকাৰীয়ে আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা চলাই গুলিবিদ্ধ হ'ল শোণিতপুৰ জিলাৰ চাৰিদুৱাৰ অঞ্চলত। আজি পুৱা প্ৰায় ৪-৪৫ বজাত আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা *দুই পৃষ্ঠাত চাওক*

## পথাৰলৈ যাওতে ৰাণীত নিশা বন্যহস্তীৰ আক্ৰমণত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২০ ছেপ্টেম্বৰ ঃ** মহানগৰীৰ পাৰ্শ্বৱৰ্তী অঞ্চলত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। যোৱা নিশা ৰাণী আৰক্ষী চকীৰ অন্তৰ্গত আজাৰাৰ পৰা কিছু দূৰৰ আন্ধেৰীজুলিৰ ৰাজীৱ বড়ো (৩৪) নামৰ *আঠ পৃষ্ঠাত চাওক*

■ উচ্ছেদথলীত গৰুখুঁটি কৃষি প্ৰকল্পৰ অধ্যক্ষ পদ্ম হাজৰিকাই ক'লে

## উচ্ছেদিত মানুহৰ কি হ'ব মুখ্যমন্ত্ৰীয়ে চিন্তা কৰিব, মোৰ কাম খেতি কৰা



স্টাফ ৰিপ'ৰ্টাৰ

**ধলপুৰ, ২০ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ধলপুৰৰ প্ৰস্তাৱিত গৰুখুঁটি কৃষি প্ৰকল্পত আজি চলোৱা উচ্ছেদ অভিযানত উপস্থিত থাকি প্ৰকল্পৰ অধ্যক্ষ তথা চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাই কয় যে উচ্ছেদিত লোকসকলৰ পুনৰ *আঠ পৃষ্ঠাত চাওক*

■ বিধানসভাত মিছা তথ্য ঃ সৰৱ হাজৰিকা

## ৰাজহুৱা বুলি কোৱা কন্যাকা কৃষি প্ৰকল্পৰ ৭৫০ বিঘা মাটিৰ মালিক বিধায়ক পদ্ম

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিগত মাহত ছিপাঝাৰৰ ৭৭,৪২০ বিঘা ভূমি বেদখলমুক্ত হোৱাৰ বিষয়ে বিধানসভাত মিছা তথ্য দিছিল বুলি আজি অভিযোগ কৰে প্ৰব্ৰজন বিৰোধী মঞ্চৰ আহ্বায়ক উপমন্যু হাজৰিকাই। তেওঁ কয় যে মুখ্যমন্ত্ৰী শৰ্মাই ইতিমধ্যে বেদখলমুক্ত হোৱা বুলি ঘোষণা কৰা অঞ্চলতে আজি উচ্ছেদ কাৰ্য চলাই নিজৰে ঘোষণাক মিছা বুলি প্ৰমাণ কৰিলে। তেওঁ এক *সাত পৃষ্ঠাত চাওক*

## ৪৫০০ বিঘা ভূমি বেদখল মুক্ত কৰাত মই সুখী ঃ মুখ্যমন্ত্ৰী

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ ছিপাঝাৰৰ ধলপুৰত আজি স্থানীয় প্ৰশাসন আৰু অসম আৰক্ষীয়ে চলোৱা বৃহৎ উচ্ছেদ অভিযান সফলতাৰে সমাপ্ত কৰাৰ বাবে প্ৰশাসন-আৰক্ষীক প্ৰশংসা কৰিছে মুখ্যমন্ত্ৰী *সাত পৃষ্ঠাত চাওক*

■ চৰকাৰে ইউএলবিক জন্ম দিয়া নাইতো! প্ৰশ্ন কংগ্ৰেছ মুখপাত্ৰৰ

## 'সংঘৰ্ষ'ৰ ঘটনাৰ তদন্তৰ পোষকতা প্ৰমোদ-নৱ কুমাৰ-বড়ো সাহিত্য সভাৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২০ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ উল্টাপানীত আৰক্ষীৰ স'তে হোৱা সংঘৰ্ষত দুজন যুৱক নিহত হোৱা ঘটনাক আজি পলমকৈ হ'লেও অতিকৈ দুৰ্ভাগ্যজনক বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে। বিটিচি সচিবালয়ত আজি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বড়োৱে কয়, 'আমি কোনেও নিবিচাৰো যে যিকোনো এজন নিৰীহ যুৱকে মৃত্যুক আঁকোৱালি লওক। বড়োলেণ্ডত এয়া প্ৰথম ঘটনা নহয়। দশকৰ পাছত দশক ধৰি এনে ঘটনা ঘটি আছে। গতিকে ইয়াৰ এটা স্থায়ী সমাধান আনিব লাগিব।' কোকৰাঝাৰৰ শেহতীয়া ঘটনাক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰে কথা পতা বুলি সদৰী কৰি বিষয়টো মুখ্যমন্ত্ৰীয়ে নিজাববীয়া দৃষ্টিৰে *আঠ পৃষ্ঠাত চাওক*

নিৰপেক্ষ তদন্তৰ দাবী এবছুৰ সভাপতি বড়োৰ

## কোকৰাঝাৰত সংঘৰ্ষৰ নামত নিৰীহ যুৱকক হত্যা ঃ এবছু



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২০ ছেপ্টেম্বৰ ঃ** 'কোকৰাঝাৰৰ উল্টাপানীৰ 'এনকাউণ্টাৰ'ক কেন্দ্ৰ কৰি এবছুৱে নিজাববীয়াকৈ তদন্ত কৰিছিল। এই তদন্তত আমি পাইছো যে নিহত দুয়োজনেই এনডিএফবিৰ প্ৰাক্তন সদস্য আছিল। ঘটনাৰ আগদিনা এক পথ দুৰ্ঘটনাত পতিত হৈ তেওঁলোক ছেৰফাংগুৰি আৰক্ষী থানাত আবদ্ধ হৈ *আঠ পৃষ্ঠাত চাওক*

সামাজিক মাধ্যমত অখ্যাত সংগঠনৰ আহ্বানত সৰ্বাত্মক বন্ধ পালিত

## বিভ্ৰান্তিকৰ বন্ধত স্তব্ধ হ'ল বিটিচি

অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা

**কোকৰাঝাৰ/গোসাঁইগাঁও/ওদালগুৰি, ২০ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰৰ উল্টাপানীত আৰক্ষীয়ে ভুৱা সংঘৰ্ষৰ সৃষ্টি কৰি দুজন নিৰীহ যুৱকক হত্যা কৰাৰ অভিযোগ তুলি ইয়াৰ প্ৰতিবাদত আজি বিটিচি অঞ্চলত ১২ ঘণ্টীয়া বন্ধ পালন কৰা হয়। বিটিচি অঞ্চলত সৰ্বাত্মক প্ৰভাৱ পৰা এই বন্ধ শান্তিপূৰ্ণভাৱে পালন কৰা হয় যদিও বন্ধ আহ্বানকাৰীক কেন্দ্ৰ কৰি সাধাৰণ লোকৰ মাজত যথেষ্ট বিভ্ৰান্তিৰ সৃষ্টি হোৱাও পৰিলক্ষিত হয়। গোসাঁইগাঁৱত বন্ধৰ সমৰ্থক একাংশ মহিলাক আৰক্ষীয়ে আটক কৰাৰ বাহিৰে এই সময়ছোৱাত কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহ'ল। 'অল বড়ো পিপ'লছ্ নামৰ এটা অখ্যাত সংগঠনে কালিৰে পৰা সামাজিক মাধ্যমযোগে চলোৱা *আঠ পৃষ্ঠাত চাওক*

■ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নিৰ্দেশমৰ্মে আজি নগালেণ্ডলৈ যাত্ৰা

## পুনৰ আৰম্ভ হ'ব বহুচৰ্চিত নগা শান্তি আলোচনা ঃ মুখ্যমন্ত্ৰী শৰ্মাকো দায়িত্ব

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী আৰু নেডাৰ আহ্বায়ক ড° হিমন্ত বিশ্ব শৰ্মাই নগা শান্তি আলোচনাত অংশ ল'বলৈ কাইলৈ নগালেণ্ডলৈ যাব। কেন্দ্ৰীয় চৰকাৰে পুনৰ নগা শান্তি আলোচনা আৰম্ভ কৰিবলৈ তৎপৰ হৈছে। ২০১৫ত কেন্দ্ৰৰ স'তে এন এছ চি এন (আই-এম)



ৰ মাজত সম্পন্ন হোৱা 'ফ্ৰেমৱৰ্ক এগ্ৰিমেণ্ট'ৰ আধাৰতে এই আলোচনা অনুষ্ঠিত হ'ব। উক্ত চুক্তিত স্বাক্ষৰ কৰিছিল কেন্দ্ৰীয় চৰকাৰ আৰু এন এছ চি এনে। নগা সংগঠনটোৱে নগালেণ্ডৰ প্ৰাক্তন ৰাজ্যপাল তথা আলোচনাৰ মধ্যস্থতাকাৰী আৰ এন ৰবিয়ে অনৰ্থক বিভ্ৰান্তিৰ সৃষ্টি কৰা বুলি *আঠ পৃষ্ঠাত চাওক*

■ আক্ৰাছুৰ ধৰ্ণা কাৰ্যসূচী ঃ আন্দোলন অধিক তীব্ৰতৰ কৰাৰ ভাবুকি

## নিৰ্বাচনী লাভৰ বাবেই জীয়াই ৰাখিছে কোচ ৰাজবংশীৰ জনজাতিকৰণৰ দাবী



স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** 'পৃথক কমতাপুৰ ৰাজ্য গঠন আৰু অসমৰ কোচ-ৰাজবংশীসকলক অনুসূচিত জনজাতিৰ তালিকাভুক্ত নকৰালৈকে আক্ৰাছু কেতিয়াও ক্ষান্ত নহয়।' আজি গুৱাহাটী মহানগৰীৰ চছলত তিনিঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি এই হুংকাৰ দিয়ে সংগঠনটোৰ কেন্দ্ৰীয় নেতৃবৃন্দই। আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি *দুই পৃষ্ঠাত চাওক*

পলাশবাৰীৰ নিজেশ্বৰী মন্দিৰত মন্ত্ৰী সোণোৱাল

## মূল্যবোধৰ ৰাজনীতিতহে শক্তি আছে

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২০ ছেপ্টেম্বৰ ঃ** 'মূল্যবোধৰ ৰাজনীতিতহে শক্তি আছে। আধ্যাত্মিক শক্তি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনত 'সেৱাই সংগঠন' উদ্‌যাপন কৰাৰ উদ্দেশ্যই হ'ল সকলো সেৱক হিচাপে কাম কৰা। দেশৰ প্ৰধানমন্ত্ৰীয়ে প্ৰথম শপতগ্ৰহণৰ কথা কৈছিল প্ৰধানমন্ত্ৰী হিচাপে নহয় প্ৰধান সেৱক হিচাপে কাম কৰি যাম বুলি।' এই ভাষ্য কেন্দ্ৰীয় জাহাজ, আয়ুষ মন্ত্ৰণালয়ৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওপজা দিনৰ লগত সংগতি ৰাখি ৰাজ্যত ২০ দিনীয়াকৈ *সাত পৃষ্ঠাত চাওক*

■ গুৱাহাটীত সামাজিক ন্যায় মন্ত্ৰী ড° কুমাৰ

## চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা অসমলৈ নিষিদ্ধ ড্ৰাগছ প্ৰেৰণক লৈ উদ্বিগ্ন কেন্দ্ৰ



স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** আন্তৰ্জাতিক সীমান্তৰ লগত সংলগ্ন হৈ থকা ভাৰতৰ ৰাজ্যকেইখনলৈ চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা ড্ৰাগছসহ নিচাযুক্ত সামগ্ৰীৰ সৰবৰাহ অব্যাহত থকাটো দেশৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ বাবে উদ্বেগৰ বিষয় বুলি আজি ইয়াত এক সংবাদমেলত মন্তব্য কৰে কেন্দ্ৰীয় মন্ত্ৰী ড° বীৰেন্দ্ৰ *আঠ পৃষ্ঠাত চাওক*


## বোকাজানত চাৰে তিনি কোটি টকাৰ হেৰ'ইন জব্দ

অগ্ৰদূত বাৰ্তা

**বোকাজান, ২০ ছেপ্টেম্বৰ ঃ** কাৰ্বি আংলং জিলাৰ বোকাজানত এখন বলেৰ' গাড়ীৰ পৰা বৃহৎ পৰিমাণৰ হেৰ'ইনসহ দুজন লোকক আটক কৰিছে আৰক্ষীয়ে। বোকাজানৰ লাহৰীজানত চলোৱা তালাচীত এম এন-০১ এ কে-৪৭৮৯ নম্বৰৰ বলেৰ'খনৰ পৰা ৩০ টা চাবোনৰ বাকচত উদ্ধাৰ কৰা হয় হেৰ'ইনখিনি। হেৰ'ইনখিনিৰ ওজন ৪১২ গ্ৰাম আৰু *সাত পৃষ্ঠাত চাওক*







| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৫° | ২৫° |
| ডিব্ৰুগড় | ৩৪° | ২৫° |
| দিল্লী | ৩২° | ২৪° |
| কলকাতা | ২৮° | ২৬° |
| মুম্বাই | ২৯° | ২৭° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ২৮° | ১৯° |
| শ্বিলং | ২৩° | ১৭° |

*২০ ছেপ্টেম্বৰ, ২০২১*

জনজাতীয় সম্প্ৰদায়ৰ হোৱা বাবেই দাখিল নহ'ল অভিযোগনামা ■ সৰৱ ৰাভা ছাত্ৰ সন্থা

## ন্যায় নাপালে গণ ধৰ্ষণ-হত্যাৰ বলি মাতৃ-কন্যাই

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** বামুণ, কলিতা বা অজনজাতি মহিলা নোহোৱা বাবেই সাতমাহ উকলি যোৱাৰ পাছতো ন্যায় নাপালে শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ



অন্তৰ্গত চপাই বালিগাঁৱৰ গণধৰ্ষণ আৰু হত্যাৰ বলি হোৱা মাতৃ-কন্যাই। এই অভিযোগ সদৌ ৰাভা ছাত্ৰ সন্থাৰ। আজি ইয়াত এক সংবাদমেলত সন্থাৰ হৈ এই অভিযোগ উত্থাপন কৰে সমাজকৰ্মী ৰাজু *দুই পৃষ্ঠাত চাওক*

■ 'ডি' ভোটাৰক ভাৰতীয় বুলি ঘোষণা কৰিমগঞ্জৰ ন্যায়াধিকৰণৰ

## বিদেশী ন্যায়াধিকৰণৰ এনআৰচিক আইনী বৈধতা প্ৰদানক লৈ বিতৰ্ক

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** বিদেশী ন্যায়াধিকৰণসমূহৰ একাংশৰ কাম-কাজক লৈ সততে সৃষ্টি হৈ অহা বিতৰ্কৰ মাজতে কৰিমগঞ্জত স্থাপন হ'ল আন এক নজিৰবিহীন দৃষ্টান্ত। কৰিমগঞ্জ নগৰত অৱস্থিত বিদেশী ন্যায়াধিকৰণ-দুইৰ সদস্য শিশিৰ দেই অলপতে বিক্ৰম সিন্‌হা নামৰ এজন সন্দেহজনক নাগৰিকক ভাৰতীয় বুলি ৰায় দিয়ে। কাৰণ লোকজনৰ নাম ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি)ত সন্নিৱিষ্ট হৈছে। অথচ বিগত ২০১৯ৰ ৩১ আগষ্টত প্ৰকাশিত চূড়ান্ত এনআৰচিক ভাৰতৰ মহাপঞ্জীয়কে এই পৰ্যন্ত চূড়ান্ত বুলি আইনী বৈধতা ঘোষণা কৰা নাই। তৎসত্ত্বেও এজন 'ডি' ভোটাৰক *আঠ পৃষ্ঠাত চাওক*

জন্ম
১৯-১১-১৯৪২ চন



মৃত্যু
২১-৯-২০০৭ চন

**শ্ৰুতি চক্ৰৱৰ্তী শৰ্মা**

*আজি তোমাৰ ১৪ তম মৃত্যু বাৰ্ষিকীত আমি আটায়ে তোমাক সোঁৱৰিছো। তুমি য'তেই থাকা শান্তিতে থাকা।*

**কিৰণ চন্দ্ৰ শৰ্মা**
**আৰু**
**পৰিয়ালবৰ্গ**
পাৱাৰ হাউচৰ সমীপত, কোকৰাঝাৰ।

# শোণিতপুৰত ব্ৰাউন ছুগাৰসহ গ্ৰেপ্তাৰ তিনি, গুলিবিদ্ধ সৰবৰাহকাৰী

*এক পৃষ্ঠাৰ পৰা* কৰোতে ড্ৰাগছ সৰবৰাহকাৰীজনলৈ গুলিচালনা কৰে। চাৰিদুৱাৰ আৰক্ষীয়ে বালিপৰাৰ গুদামঘাটৰ ৰহুল আমিন (৩৩) নামৰ এজন কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীৰ বাসগৃহত তালাচী চলায়। ৰুহুলৰ বাসগৃহত এটা ড্ৰাগছ ব্যৱসায়ীৰ গোট মিলিত হোৱাৰ তথ্য লাভ কৰি অতৰ্কিতে চলোৱা অভিযানত আৰক্ষীয়ে মুঠ ১৩৬টা ড্ৰাগছভৰ্তি কণ্টেইনাৰ জব্দ কৰাৰ লগতে মূল অভিযুক্ত ৰুহুলৰ লগতে ৰাজিবুৰ ওৰফে ৰাজু আৰু নুৰ জামাল হকক গ্ৰেপ্তাৰ কৰে। আনহাতে, ড্ৰাগছ সৰবৰাহত ব্যৱহৃত এখন অল্ট'ও জব্দ কৰে আৰক্ষীয়ে। পূৰ্বে একাধিক অপৰাধমূলক গোচৰত অভিযুক্ত ৰাহুলৰ ঘৰত তিনিজনীয়া দলটোৱে সেই সময়ত ব্ৰাউন ছুগাৰৰ কণ্টেইনাৰসমূহ এটা পেকেটত ভৰাই বিক্ৰীৰ বাবে সাজু কৰিছিল। প্ৰায় তিনি লাখ টকা মূল্যৰ ব্ৰাউন ছুগাৰ উদ্ধাৰ কৰাত ৰুহুলে সেয়া নগাঁৱৰ পৰা সংগ্ৰহ কৰা বুলি স্বীকাৰোক্তি দিয়ে। তদুপৰি ড্ৰাগছ ব্যৱসায়ী গোটটোৱে বিভিন্ন সময়ত ব্যৱহাৰ কৰা দুটা পিষ্টল চাৰিদুৱাৰ ৰেল বিভাগৰ এটা পৰিত্যক্ত ঘৰত গোপনে ৰখা বুলি প্ৰকাশ কৰে। উল্লেখ্য যে ২০১৮ত এখন তেলৰ টেংকাৰ অপহৰণ কৰা ৰুহুলে ২০১৯তো আন এখন তেলৰ টেংকাৰ চালকক পিষ্টলেৰে ভাবুকি দি তাত থকা তেল লুট কৰিছিল। যোৱা নিশা প্ৰায় ১০ বজাত চাৰিদুৱাৰস্থিত ৰেল বিভাগৰ পৰিত্যক্ত ঘৰটো বিচাৰি ৰুহুলক লৈ আৰক্ষীয়ে পিষ্টলৰ সন্ধান চলায়। কিন্তু পুৱা প্ৰায় ৪-৪৫ বজাত চাৰিদুৱাৰস্থিত পৰিত্যক্ত ঘৰটোত উপস্থিত হৈ পিষ্টলৰ সন্ধান কৰাৰ সময়তে ৰুহুলে আৰক্ষী কনিষ্টবল পাপু পাৰে'ক ঠেলা মাৰি বগৰাই পলায়ন কৰে। লগে লগে আৰক্ষী কনিষ্টবলজনে ৰুহুলক ৰ'বলৈ নিৰ্দেশ দিয়ে যদিও অমান্য কৰাত ভৰিলৈ লক্ষ্য কৰি গুলিচালনা কৰে। গুলিচালনাত সোঁভৰিত গুলীয়াই আঘাত কৰা দুৰ্ধৰ্ষ ড্ৰাগছ সৰবৰাহকাৰীজনক কৰায়ত্ত কৰি নিকটৱৰ্তী চাৰিদুৱাৰৰ ৩০ খন বিছনাযুক্ত চিকিৎসালয়লৈ আনে। তাৰ পৰা চিকিৎসকে উন্নত চিকিৎসাৰ বাবে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। সম্প্ৰতি তেওঁ বিপদমুক্ত বুলি প্ৰকাশ কৰিছে আৰক্ষীয়ে।

আনহাতে, ড্ৰাগছ সৰবৰাহৰ ঘটনাৰে জড়িত গুদামঘাটৰ আন এজন মূল অভিযুক্তৰ সন্ধানতো আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে বুলি সদৰী কৰিছে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আলিমুদ্দিন আহমেদে। উল্লেখ্য যে আৰক্ষী বিষয়া আহমেদৰ তৎপৰতাতে বালিপাৰা আৰু চাৰিদুৱাৰ অঞ্চলত এই পৰ্যন্ত কে'বাটাও সফল ড্ৰাগছ বিৰোধী অভিযান চলোৱাৰ লগতে নকল সোণ বিক্ৰীৰে বিভিন্নজনক প্ৰবঞ্চনা কৰা চক্ৰৰ বিৰুদ্ধেও বিশেষ ভূমিকা পালন কৰি আহিছে।

# কটন বিশ্ববিদ্যালয়ৰ পৰা স্বৰ্ণ পদক লাভ প্ৰিয়দৰ্শিনীৰ



**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** কটন বিশ্ববিদ্যালয়ৰ প্ৰথম সমাবৰ্তনত ২০১৮ৰ হিন্দী স্নাতক পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰাৰ পৰিপ্ৰেক্ষিতত প্ৰিয়দৰ্শিনী দাসে স্বৰ্ণ পদক লাভ কৰে। তেওঁৰ যমজ ভগ্নী প্ৰিয়ম্বদা দাসে এই পৰীক্ষাত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰে। প্ৰিয়দৰ্শিনী দাসে ২০২০ত দিল্লী বিশ্ববিদ্যালয়ৰ পৰা হিন্দী বিষয়ত প্ৰথম শ্ৰেণীত এম এ উত্তীৰ্ণ হৈ একেখন বিশ্ববিদ্যালয়ত গৱেষণাৰ ছাত্ৰী হিচাপে স্থান লাভ কৰিছে। প্ৰিয়দৰ্শিনী গুৱাহাটীৰ তেতেলীয়া নিবাসী ভাৰতী দাস আৰু ড° দেবেন চন্দ্ৰ দাস 'সুদামা'ৰ কন্যা।

# ন্যায় নাপালে গণ ধৰ্ষণ-হত্যাৰ বলি মাতৃ

*এক পৃষ্ঠাৰ পৰা* দেউৰীয়ে। তেওঁ কয়, 'চলিত বৰ্ষৰ ২০ ফেব্ৰুৱাৰীত ঢেকিয়াজুলি আৰক্ষী থানাৰ অন্তৰ্গত চপাই বালিগাঁৱৰ সমীপত দুষ্কৃতিকাৰীৰ এটা দলে এগৰাকী মহিলাক দলবদ্ধ ধৰ্ষণ কৰাৰ লগতে চোকা অস্ত্ৰৰে হানি-খুঁচি হত্যা কৰিছিল। লগতে তেওঁৰ ১১ বছৰীয়া কন্যাকো অপহৰণ কৰি নিছিল। ২৪ ফেব্ৰুৱাৰীত ঘটনা সংঘটিত হোৱা স্থানৰ পৰা দুই কিলোমিটাৰ দূৰত্বত উদ্ধাৰ হৈছিল কণমানিজনীৰ মৃতদেহ। তদুপৰি মহিলাগৰাকীৰ তিনি বছৰীয়া কন্যাকো উক্ত দলটোৱে নৃশংসভাৱে মুখমণ্ডলত কাটি থৈ যায়। উক্ত শিহৰণকাৰী ঘটনা সংঘটিত হোৱাৰ আজি পৰ্যন্ত সাতমাহ সম্পূৰ্ণ হ'ল; কিন্তু আজি ভুক্তভোগী তথা ভুক্তভোগীৰ পৰিয়ালে ন্যায় নাপালে। কেৱল জনজাতীয় মহিলা হোৱা বাবেই তেওঁলোকে ন্যায় নাপালে। যদি বামুণ, কলিতা বা অজনজাতিৰ লোকৰ ক্ষেত্ৰত এই ঘটনা সংঘটিত হ'লহেঁতেনে তেন্তে তৎক্ষণাত বিহিত ব্যৱস্থা গ্ৰহণ কৰিলেহেঁতেন চৰকাৰে। ধেমাজি হত্যাকাণ্ড, নিৰ্ভয়া হত্যাকাণ্ডৰ দোষীক ২৪ ঘণ্টাৰ ভিতৰত গ্ৰেপ্তাৰ কৰাৰ লগতে শাস্তিও বিহিলে; কিন্তু জনজাতি হোৱা বাবেই আজিও ন্যায়ৰ পৰা বঞ্চিত হ'ল ভুক্তভোগী মাতৃ-কন্যা আৰু তেওঁলোকৰ পৰিয়ালবৰ্গ। জনজাতি লোকসকলে ন্যায় পাওঁতে সদায় পলম হয়। বহু ক্ষেত্ৰত ন্যায় নাপায়। উক্ত ঘটনা সংঘটিত হোৱাৰ পাছত আমি বাৰে বাৰে ঘটনাৰ গোচৰটো অনুসূচিত জাতি/অনুসূচিত জনজাতিৰ ওপৰত অত্যাচাৰ প্ৰতিৰোধ আইন, ১৯৮৯ৰ অধীনত পঞ্জীয়ন কৰাৰ বাবে দাবী জনাইছিলো যদিও আমাৰ দাবী আৰক্ষী প্ৰশাসনে মানি নল'লে।' আশ্চৰ্যকৰ বিষয় যে ৩২ বছৰ পূৰ্বে প্ৰণয়ন কৰা এই আইনখন আজিও অসমত কাৰ্যকৰী হোৱা নাই বুলি তেওঁ সদৰী কৰে। দেউৰীয়ে কয় যে উক্ত আইন সন্দৰ্ভত ২০২১ৰ ফেব্ৰুৱাৰীত এক চাৰ্কুলাৰ ওলাইছিল য'ত ৰাজ্যৰ সকলো জিলাৰ উপায়ুক্তসকলক নিৰ্দেশ দিয়া হৈছিল যে অনুসূচিত জাতি আৰু জনজাতিসকলৰ ক্ষেত্ৰত যদি এনে জঘন্য কাণ্ড সংঘটিত হয় তেনেহ'লে ততালিকে এই আইনৰ অধীনত গোচৰ পঞ্জীয়ন কৰাব লাগিব। এই আইন অনুসৰি ভুক্তভোগীৰ পৰিয়ালক সাতদিনৰ ভিতৰত ক্ষতিপূৰণৰ আধা অংশ চৰকাৰে আদায় দিব লাগিব। তেনেদৰে দুমাহৰ ভিতৰত অভিযোগনামা দাখিলৰ লগতে ইয়াৰ দুমাহৰ ভিতৰত দোষীক কৰায়ত্ত কৰি শাস্তি দি গোচৰ নিষ্পত্তি কৰিব লাগিব; কিন্তু অতি আচৰিত যে উক্ত আইন তথা চাৰ্কুলাৰৰ বিষয়ে জ্ঞাত নহয় বুলি তদানীন্তন শোণিতপুৰ জিলাৰ উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙে বিষয়টো অৱহেলা কৰে। তদুপৰি সেই সময়ৰ আৰক্ষী অধীক্ষকেও বিষয়টো গুৰুত্বসহকাৰে নল'লে। এইদৰে অভিযোগ কৰি দেউৰীয়ে কয়, 'আমি সুধিব খুজিছো যে কিয় আমাৰ লগত এই বৈষম্য? মুখ্যমন্ত্ৰীয়ে সদায় কৈ আহিছে যে অসম চৰকাৰে জনজাতিসকলক ৰক্ষণাবেক্ষণ দি আহিছে; কিন্তু সেয়া সম্পূৰ্ণ মিছা। জনজাতিসকলক কিয় ইমান অৱহেলা কৰা হয়? আমি মানুহ নহয় নেকি? আমি অসমীয়া নহয় নেকি? আমি ন্যায় পাব নালাগে নেকি? যদি ৰাজ্যত দুৰ্ধৰ্ষ উগ্ৰপন্থীক ধৰিব পাৰে, চোৰ-ডকাইতক ধৰিব পাৰে, তেন্তে এই ঘটনাত জড়িত দোষীক কিয় ধৰিব পৰা নাই? ইতিমধ্যে স্থানীয় ৰাইজে গম পাইছে উক্ত ঘটনাৰ আঁৰত কোন জড়িত আছিল। তৎসত্ত্বেও তেওঁলোকক সোধ পোছ কৰা নাই।' তেওঁ লগতে কয় যে স্থানীয় বিধায়কে অশোক সিংঘালে বিষয়টো গুৰুত্ব সহকাৰে লোৱা নাই। 'কিয়নো তাত আদিবাসীৰ ভোটৰ সংখ্যা ৬০ হেজাৰ আৰু ৰাভা ভোট মাত্ৰ দুহেজাৰ। তেওঁলোকৰ মানুহৰ বিৰুদ্ধে ব্যৱস্থা ল'লে সিংঘালে নিৰ্বাচনত হাৰিব বুলি তেওঁ ভয় খাইছে। আমাক ন্যায় লাগে। ভুক্তভোগীৰ পৰিয়ালক ন্যায় লাগে। বিজেপি চৰকাৰে বেটী বচাও বেটী পঢ়াও'ৰ কথা কয়। কিন্তু ক'ত বেটী বচাইছে তেওঁলোকে?' এইদৰে ক্ষোভেৰে কয় দেউৰীয়ে।

# নিৰ্বাচনী লাভালাভৰ বাবেই ৰাখিছে

*এক পৃষ্ঠাৰ পৰা* দ্বীপেন ৰায় আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকদ্বয় ক্ৰমে কেশৱ ৰায় আৰু সঞ্জয় ৰায়ে সুদীৰ্ঘ দিন ধৰি জনজাতিকৰণৰ নামত জনগোষ্ঠীটোক বঞ্চনা কৰি আহিছে বুলি অভিযোগ কৰে। সভাপতি ৰায়ে কয় যে সুদীৰ্ঘ ৫৪ বছৰে জনজাতিকৰণৰ দাবী কৰি থকা কালত ১৯৯৬ত এক অধ্যাদেশযোগে অনুসূচিত জনজাতিৰ মৰ্যাদা লাভ কৰিছিল কোচ ৰাজবংশীসকলে। পাছত কোচ ৰাজবংশীসকলৰ জনজাতিকৰণৰ ক্ষেত্ৰত ১৯৯৬ৰ ১৬ নৱেম্বৰত সংসদীয় বাছনি কমিটীয়ে বঙাইগাঁৱলৈ আহি জনজাতিকৰণৰ বাবে প্ৰয়োজনীয় সকলো তথ্যপাতি সংগ্ৰহ কৰি কোচ ৰাজবংশীসকল জনজাতিকৰণৰ উপযুক্ত বুলি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত তথ্য দাখিল কৰে। অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি ৰাষ্ট্ৰীয় আয়োগেও এই ক্ষেত্ৰত তথ্য সহকাৰে ইতিবাচক সঁহাৰি জনোৱাৰ লগতে ৰাজ্যিক কেবিনেটেও এই ক্ষেত্ৰত অনুমোদন জনাইছে বুলি আক্ৰাছু নেতাজনে উল্লেখ কৰে। ইয়াৰ উপৰি ২০১৬ৰ ২৯ ফেব্ৰুৱাৰীত তদানীন্তন কেন্দ্ৰীয় গৃহমন্ত্ৰী ৰাজনাথ সিঙৰ তত্ত্বাৱধানত মহেশ কুমাৰ সিংলাৰ নেতৃত্বত জনজাতিকৰণৰ বিষয়টো সমাধানৰ বাবে এখন মডেলিটি কমিটীও গঠন কৰি দিয়ে। এই কমিটীয়ে ২০১৯ৰ ২৯ ডিচেম্বৰত জনজাতিকৰণৰ প্ৰতিবেদন দাখিল কৰি অনুমোদন জনায়। তাৰ পাছত কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটেও জনজাতিকৰণৰ ক্ষেত্ৰত স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰি ২০১৯ৰ ন জানুৱাৰীত সংসদৰ শীতকালীন অধিবেশনত ৰাজ্যসভাত বিলখন উত্থাপন কৰে; কিন্তু একমাত্ৰ চৰকাৰী ষড়যন্ত্ৰৰ বাবে জনজাতিকৰণৰ বিলখনৰ ওপৰত আলোচনা নহ'ল আৰু বিলখন ওলমি থাকে। অসমৰ কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও, চিৰাং, দক্ষিণ শালমাৰা, গোৱালপাৰা, বৰপেটা, বাগ্‌সা, বজালী, নলবাৰী, কামৰূপ, ওদালগুৰি, দৰং, শোণিতপুৰ, বিশ্বনাথ, লখিমপুৰ, মৰিগাঁও আৰু নগাঁৱৰ লগতে চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ কোচবিহাৰ, আলিপুৰ, জলপাইগুৰি, দাৰ্জিলিং, উত্তৰ দিনাজপুৰ, দক্ষিণ দিনাজপুৰ আৰু মালদা জিলাক সামৰি সুকীয়া কমতাপুৰ ৰাজ্য গঠনৰ দাবী উত্থাপন কৰি সভাপতি আৰু সাধাৰণ সম্পাদকদ্বয়ে কয় যে একমাত্ৰ নিৰ্বাচনী লাভালাভৰ বাবে চৰকাৰে জনজাতিকৰণৰ সমস্যাটো জীয়াই ৰাখিছে। সেয়ে পুনৰ আভুৱা ভাঁৰা নীতিৰে সেই সময়ৰ বিত্তমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অধ্যক্ষ হিচাপে লৈ এখন পাঁচজনীয়া মন্ত্ৰীগোট গঠন কৰে; কিন্তু এই কমিটীখনে ২০১৯ৰ ১৫ ফেব্ৰুৱাৰীৰ ভিতৰতে প্ৰতিবেদন দাখিলৰ কথা আছিল যদিও আজিলৈকে কমিটীখনে প্ৰতিবেদনে দাখিল নকৰিলে। তেওঁলোকে কয়, '২০২০ৰ ছেপ্টেম্বৰত কোচ ৰাজবংশী জাতীয় নেতৃত্বক লৈ ড° শৰ্মাৰ অধ্যক্ষতাত এখন উচ্চ পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয় আৰু সেই সভাখনতে তেতিয়াৰ মন্ত্ৰীগোটৰ অধ্যক্ষ তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উক্ত বৰ্ষৰ ৩০ নৱেম্বৰত জনজাতিকৰণ সংক্ৰান্তীয় প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিব বুলি কথা দিছিল। কিন্তু ৰহস্যজনকভাৱে মুখ্যমন্ত্ৰীয়ে চৰম প্ৰতাৰণা কৰে। ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ২০১৪ৰ সাধাৰণ নিৰ্বাচনৰ সময়ত বঙাইগাঁও জিলাৰ কাকৈজানাত এখন নিৰ্বাচনী সভাত বিজেপিয়ে কেন্দ্ৰত চৰকাৰ গঠন কৰিলে ছমাহৰ ভিতৰত কোচ ৰাজবংশীসকলক জনজাতিকৰণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল। অসমৰ মুখ্যমন্ত্ৰী ড° শৰ্মায়ো অসম বিধানসভাৰ নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত কোচ ৰাজবংশীসকলৰ জনজাতিকৰণৰ কাম মাত্ৰ ১০ শতাংশ বাকী আছে বুলি উল্লেখ কৰিছিল। জনজাতিকৰণৰ প্ৰতিশ্ৰুতিৰে অসমত বিজেপিয়ে চৰকাৰ গঠন কৰিলে আৰু হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হ'ল; কিন্তু কোচ ৰাজবংশীসকলৰ পৃথক কমতাপুৰ ৰাজ্যৰ দাবী আৰু জনজাতিকৰণৰ সমস্যা নোহোৱা হৈ থাকিল।' সেয়েহে অতি শীঘ্ৰে কোচ ৰাজবংশীসকলৰ ভাষা-সংস্কৃতি তথা ঐতিহ্য ৰক্ষা আৰু সংৰক্ষণ আৰু অতিকৈ পিছপৰা জনগোষ্ঠীটোৰ উত্তৰণৰ কাৰণে পৃথক কমতাপুৰ ৰাজ্য গঠন কৰি আৰু অনুসূচিত জনজাতি তালিকাভুক্ত কৰি ন্যায় প্ৰদানৰ দাবী জনায় সংগঠনটোৱে। অন্যথা অনাগত দিনত আন্দোলন আৰু অধিক তীব্ৰতৰ কৰি তোলাৰ হুংকাৰ দিয়ে।

**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING TENDER**

1. NIT No: AEGCL/DGM /TTC/TEZ/ T-20/ 2021/122 Dated 21-09-2021
2. Name of work: 132KV Bus Augmentation work at Depota GSS.
3. Cost of Bid document: ₹ 1000.00
4. Tender start date and time: From 11.00 Hrs. of 21-09-2021

Interested bidders may download the bidding documents from AEGCL's website: www.aegcl.co.in

Sd/- Deputy General Manager
Tezpur T&T Circle, AEGCL, Tezpur

T-872/PR/2021/APS/21

**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING TENDER**

1. NIT No: AEGCL/DGM /TTC/TEZ/ T-20/ 2021/123 Dated 21-09-2021
2. Name of work: 132KV Bus Augmentation work at Rowta GSS.
3. Cost of Bid document: ₹ 1000.00
4. Tender start date and time: From 11.00 Hrs. of 21-09-2021

Interested bidders may download the bidding documents from AEGCL's website: www.aegcl.co.in

Sd/- Deputy General Manager
Tezpur T&T Circle, AEGCL, Tezpur

T-872/PR/2021/APS/22

পंजाब नैशनल बैंक ...भरोसे का प्रतीक ! punjab national bank ...the name you can BANK upon !

চক্ৰ সস্ত্ৰ কেন্দ্ৰ, ডিব্ৰুগড়, ই - ইউবিআই বিল্ডিং, ১ম মহলা, আৰ.কে.বি. পথ, ডিব্ৰুগড় - ৭৮৬০০১, ফোন নং ৯৪৩৫৫১৩৫৪৭(ম), ইমেইল ঃ cs8221@pnb.co.in

**দখল জাননী**

যিহেতু পাঞ্জাব নেচনেল বেংকৰ নিম্নস্বাক্ষৰকাৰী অনুমোদিত বিষয়াই ছিকিওৰিটাইজেছন এণ্ড ৰিকনষ্ট্ৰাকছন অফ ফাইনেন্সিয়েল এছেট্‌ছ এণ্ড এনফ'ৰ্ছমেন্ট অফ ছিকিওৰিটি ইন্টাৰেষ্ট এক্ট, ২০০২ৰ অনুসৰি আৰু ছিকিওৰিটি ইন্টাৰেষ্ট (এনফ'ৰ্ছমেন্ট) ৰুলছ ২০০২ৰ বিধি ১৩ ৰীড উইথ ৰুল ৩ৰ অধীনত অৰ্পিত ক্ষমতাৰ বলত যোৱা **০৬/০৬/২০২১** তাৰিখে পঠোৱা দাবী জাননী যোগে ঋণী **মেচাৰ্চ এ - ব্লান ষ্টোৰ (স্বত্বাধিকাৰী :- অমিত লোহিয়া), কোল ৰোড, ডিব্ৰুগড়, অসম-৭৮৬০০১ আৰু শ্ৰীমতী লক্ষ্মী দেৱী লোহিয়া, স্বামী - প্ৰয়াত শ্যাম সুন্দৰ লোহিয়া, জিগ জেগ ৰোড, ডিব্ৰুগড়, অসম-৭৮৬০০১**ক জনোৱা হৈছিল যে তেওঁলোকৰ নামত থকা ধনৰ পৰিমাণ **২৮,১২,১১১.৮৫ টকা (আঁঠাইছ লাখ বাৰ হাজাৰ এশ এঘাৰ টকা আৰু পঁচাশী পইচা মাত্ৰ)** লগতে ৩০/০৪/২০২১ তাৰিখলৈ ধাৰ্য কৰা সুদ জাননীৰ তাৰিখৰ পৰা/উক্ত জাননী পোৱাৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত আদায় দিব লাগিব।

**যিহেতু ঋণী/জামিনদাৰ/বন্ধকদাতাই ঋণ পৰিশোধ কৰিবলৈ ব্যৰ্থ হ'ল সেয়ে ঋণী আৰু সাধাৰণভাৱে ৰাইজৰ জ্ঞাতাৰ্থে এই জাননী জাৰী কৰা হ'ল যে নিম্নস্বাক্ষৰকাৰীয়ে আইনৰ বিধি ১৩ৰ উপ-বিধি (৪) ৰীড উইথ ৰুল ৮ অব দ্য চিকিওৰিটি ইন্টাৰেষ্ট (এনফ'ৰ্ছমেন্ট) ৰুলছ, ২০০২ৰ অধীনত অৰ্পিত ক্ষমতাৰে ২০২১ চনৰ চেপ্টেম্বৰ মাহৰ ১৫ তাৰিখে তলত উল্লেখ কৰা সম্পত্তিৰ দখল সাব্যস্ত কৰে।**

ইয়াৰ দ্বাৰা বিশেষকৈ ঋণী/জামিনদাৰ/বন্ধকদাতাক আৰু সাধাৰণভাৱে ৰাইজক উক্ত সম্পত্তি সম্পৰ্কে লেন দেন নকৰিবলৈ সতৰ্ক কৰি দিয়া হ'ল আৰু কৰিলে সেয়া পাঞ্জাব নেচনেল বেংকে ধাৰ্য্য কৰা ধনৰ পৰিমাণ **২৮,১২,১১১.৮৫ টকা (আঁঠাইছ লাখ বাৰ হাজাৰ এশ এঘাৰ টকা আৰু পঁচাশী পইচা মাত্ৰ)** লগতে ৩০/০৪/২০২১ তাৰিখলৈ ধাৰ্য কৰা সুদৰ বিনিময়ত হ'ব।

**উক্ত ধাৰাৰ ১৩ নং বিধিৰ (৮) নং উপ-বিধিৰ ব্যৱস্থা মতে সুৰক্ষিত সম্পত্তিখিনি উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ/জামিনদাৰৰ/বন্ধকদাতাৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।**

**স্থাৱৰ সম্পত্তিৰ বিৱৰণ**

শ্ৰীমতী লক্ষ্মী দেৱী লোহিয়াৰ নামত ডিব্ৰুগড় মৌজাৰ অধীনৰ মাৰৱাৰীপট্টী ৱাৰ্ড, কোল ৰোড, ডিব্ৰুগড়, অসম-৭৮৬০০১, পি.পি. নং ৩১৬, দাগ নং ৭৫৭ত থকা ৮৯২.৮০ বৰ্গ ফুট পৰিমাপৰ বাণিজ্যিক সম্পত্তিৰ ন্যায্য বন্ধকী। চাৰিসীমাৰে ঃ- উত্তৰে ঃ শ্ৰী গনপত লোহিয়া, দক্ষিণে ঃ শ্ৰীমতী ৰাজ কুমাৰী দেৱী লোহিয়া, পূবে ঃ পৌৰ নিগমৰ নালা, পশ্চিমে ঃ কোল ৰোড।

**তাৰিখ ঃ ১৫/০৯/২০২১**
**স্থান ঃ ডিব্ৰুগড়**

**অনুমোদিত বিষয়া**
**পাঞ্জাব নেচনেল বেংক**
**চক্ৰ সস্ত্ৰ কেন্দ্ৰ, ডিব্ৰুগড়**

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ৪ আহিন মঙ্গলবাৰ, ২০ ছেপ্টেম্বৰ

**সূৰ্যোদয়** ঃ ঘঃ ৫।১৪।৪৪, **সূৰ্যাস্ত** ঃ ঘঃ ৫।১৯।১৮। **তিথি** ঃ কৃষ্ণা প্ৰতিপদ, দং ৫৯।৩৭।০ শেষ ৰাঘঃ ৫।৫।৩২। **নক্ষত্ৰ** ঃ উত্তৰভাদ পদ, দং ৬০।০।০ অহোৰাত্ৰ। **যোগ** ঃ গণ্ড, দং ২৬।৩৮।৩৫ ঘঃ ৩।৫৪।১০। **কৰণ** ঃ বালৱ। **জন্মত** ঃ মীনৰাশি, বিপ্ৰবৰ্ণ, মনুষ্যগণ, গৰুৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী শুক্ৰ বিংশোত্তৰী শনিৰ দশা। **আদ্যঋতু হ'লে** ঃ ১২ দিনীয়া দুভগা যোগ। **মৰণত দোষ** ঃ এপদ, শেষ ৰাঘঃ ৫।৫।৩২ যোৱাত দ্বিপদ। **যোগিনী** ঃ পূবত, শেষ ৰাঘঃ ৫।৫।৩২ যোৱাত উত্তৰত। **যাত্ৰা** ঃ নাই, পাপযোগ দোষ। **শুভকৰ্ম** ঃ নাই। **ভক্ষাভক্ষ্য** ঃ কোমোৰা শেষ ৰাঘঃ ৫।৫।৩২ যোৱাত তিতাভেকুৰী খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** পঢ়া-শুনাত বেমেজালিৰ সৃষ্টি হ'ব। যাত্ৰা কৰোতে সাৱধান হ'ব। সন্তানৰ স্বাস্থ্য লৈ চিন্তিত। কমলা ৰঙৰ বস্ত্ৰ পৰিধান কৰিব। শুভ ৰং- কমলা।

**বৃষ ঃ** সামাজিক সুনাম হানি হোৱাৰ আশংকা। ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত কোনো লোকে বিশ্বাসঘা কৰিব পাৰে। প্ৰেমত নতুন প্ৰস্তাৱ আহিব পাৰে। বিদ্যাত শুভ। শুভ ৰং নীলা।

**মিথুন ঃ** সাংস্কৃতিক কামত জড়িতসকল উপকৃত হ'ব। ব্যৱসায়-বাণিজ্যত নতুন প্ৰেৰণা লাভ কৰিব। বিদ্যাত জটিলতা দেখা দিব। সৰু সুৰা ভ্ৰমণ আছে। শুভ ৰং বগা।

**কৰ্কট ঃ** আৰ্থিকত বিশেষ অসুবিধা দেখা নাযায়। প্ৰাপ্য ধন আদায় কৰিব পাৰিব। কৰ্মত সাফল্য আৰু মৰ্যাদা বৃদ্ধি পাব। প্ৰেমত বাধা। শুভ ৰং কমলা।

**সিংহ ঃ** যান-বাহনৰ ব্যৱসায় কৰা সকলৰ অৰ্থ লাভৰ যোগ। পাৰিবাৰিক শুভ। প্ৰিয়জনৰ সান্নিধ্যই উপকৃত কৰিব। বিদ্যাত থকা জটিলতা দূৰ হ'ব। শুভ ৰং ৰঙা।

**কন্যা ঃ** পাৰিবাৰিক দিশত কোনো শুভ কাৰ্য সম্পন্ন হোৱা সম্ভাৱনা আছে। ব্যৱসায়ত বেয়া দেখা নাযায়। বে-চৰকাৰী চাকৰিয়াল সকলে কৰ্মক্ষেত্ৰ শুভত বাধা পাব পাৰে। শুভ ৰং বগা।

**তুলা ঃ** ব্যৱসায়ত আয়ৰ পথ মুকলি হ'ব। পুৱা যাত্ৰা কৰিব পাৰে। আপোনাৰ শুভ ৰং সেউজীয়া। সহযোগী বন্ধুৰ পৰা আনন্দ পাব। শুভ ৰং বগা।

**বৃশ্চিক ঃ** অংশীদাৰী ব্যৱসায়ত উপকৃত হ'ব। স্বামী-স্ত্ৰীৰ মাজত মতানৈক্য। যান-বাহনৰ দ্বাৰা আঘাত পাব পাৰে। গতিকে চাই-চিতি যাত্ৰা কৰিব। শুভ ৰং গুলপীয়া।


**ধনু ঃ** বন্ধুবৰ্গৰ লগত সু-সম্পৰ্ক স্থাপন। ব্যৱসায়ত আয় বৃদ্ধিৰ কাৰকতা। ৰঙা ৰঙৰ ৰুমাল ব্যৱহাৰ কৰিব। পুৱাৰ ভাগত কৰা যাত্ৰা শুভ হ'ব। শুভ ৰং ৰঙা।

**মকৰ ঃ** এই সময়ত লেন-দেনৰ কামত জড়িত নথকাই ভাল। কৰ্মচাৰীসকলৰ বাবে বিশেষ শুভ। বিদ্যাত যোগ বাঢ়িব। প্ৰেমত সমস্যাৰ সন্মুখীন হ'ব। শুভ ৰং ৰঙা।

**কুম্ভ ঃ** ভাই-ভনীৰ পৰা সমাদৰ পাব। দিনটোত ধন কষ্ট পাব পাৰে। প্ৰেমত সতৰ্ক হওক। পুৰণা ব্যাধিয়ে কিছু কষ্ট দিব। বিদ্যাত বাধা। শুভ ৰং ৰঙা।

**মীন ঃ** ধনাগম বৃদ্ধি পাব। বগা ৰঙৰ বস্ত্ৰ পৰিধান কৰিলে দিনটো শুভ হ'ব। যাত্ৰাৰ বাবে শুভ। ৰাতি নিৰামিষ আহাৰ গ্ৰহণ কৰিব। শুভ ৰং বগা।

## শব্দ-বেহু ঃ ২১ ছেপ্তেম্বৰ



@ সব্যসাচী

**পথালিয়ে ঃ**
২। ইচলামত বিয়াৰ সময়ত দৰা-কইনাৰ মাজত হোৱা চুক্তি (৫)
৪। ভিন ভিন, বেলেগ বেলেগ (৩)
৫। দেৱতাৰ সন্তুষ্টিৰ অৰ্থে মানুহ বলি দিয়া (৪)
৭। পুথি আদি লিখি উলিওৱা, লিখনি প্ৰস্তুত কৰা (৩)
১০। হালধিৰ গুড়িৰ দৰে ৰং (৪)
১২। গীতত সুৰ দিয়া লোক (৪)
১৪। ধৰ্ম প্ৰচাৰকৰ কবৰস্থান,পীৰ আদিৰ সমাধিস্থল (৩)
১৬। শৃংগাৰ-বিদ্যা, ৰতি-বিদ্যা (৪)
১৯। নাৰী, সুন্দৰী তিৰোতা (৩)
২০। সাৱধান, হুঁচিয়াৰ (৪)

**থিয়কৈ ঃ**
১। অবৈধ যৌন সংসৰ্গ, অনাচাৰ (৪)
২। চকুৰ পিৰিকতিত ঘঁহা প্ৰসাধন, অঞ্জন (৩ )
৩। জ্যোতিষমতে নিৰ্দিষ্ট শুভ ক্ষণ, মিলনৰ ক্ষণ (৩)
৬। দিবলৈ বাকী থকা, অনাদায় ধন (৩)
৮। চুটি নাটক (৩)
৯। পেহীৰ স্বামী, পেহীয়েকৰ গিৰীয়েকক কৰা সম্বোধন (২)
১১। লঘুত্ব গুণ, যোগৰ বলত শৰীৰক লঘু কৰা (৩)
১২। সুন্দৰ, সুগঢ়িত দেহযুক্ত (৩)
১৩। বৰণ, আনন্দ, উদ্দীপনা (২)
১৫। আনৰ আৰ্জনৰ খাই থকা লোক, পৰজীৱি (৪)
১৭। মৰম-চেনেহ, প্ৰিয়জন (৩)
১৮। মাইকী পশুৰ স্তন (৩)

**উত্তৰ অহা সংখ্যাত**

**২০ ছেপ্তেম্বৰ সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ১। পক্ষাঘাত ৩। হৰতাল ৫। ভস্মীভূত ৬। জাক ৭। দাদা ৯। কলহ ১১। কাৰিকৰ ১৩। মালী ১৪। বিভৱ ১৬। আকাৰ ১৮। প্ৰাপ্য ১৯। জাগৰণ ২১। কৰ্তব্য ২৩। লব ২৫। অন্ধ ২৬। পথভ্ৰষ্ট ২৭। মতি-গতি ২৮। মতান্তৰ
**থিয়কৈ ঃ** ১। পদাতিক ২। তভক ৩। হতবাক ৪। তাগিদা ৬। জাহ ৮। দানৱ ১০। লতিকা ১১। কালী ১২। ৰবি ১৫। ভয়াৰ্ত ১৬। আচল ১৭। ৰজা ১৮। প্ৰাণ ২০। গণপতি ২১। কন্ধ ২২। ব্যভিচাৰ ২৪। বসতি ২৫। অষ্টম

**LOST**

**I have lost my D.EL.ED. Examination marksheet, Regd. No-14330048 study Centre-0621, Dhemaji District, year-2019.**

**Anindita Pegu**
**D/O- Lakhyanath Pegu**
**P.O- Sawkuchi**
**Guwahati-34, Assam**

**I have lost the death Certificate of my father Lt. Hansha Nath Baishya.**

**Bhaskar Kumar Baishya**
**Christianbasti**
**P.O- Dispur**
**Guwahati-05**

**কবিৰাজী চিকিৎসা**

**আপুনি নিঃসন্তান নেকি?**
চকুলো মোচক। আজিয়েই আহক 'জীৱন আলোকলে' পৰম্পৰাগত নিঃসন্তান দম্পতী আৰু পুৰুষত্বহীনতাৰ বিশেষ কবিৰাজী চিকিৎসা প্ৰতিষ্ঠান। প্ৰতি সোমবাৰৰ পৰা দেওবাৰলৈ 'দেৰগাঁও, গোলাঘাট, অসম'।
**যোগাযোগ ঃ**
9613786956, 8638971788

**ASTROLOGY/ জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**

NO. PHEE/GLPA/JJM-195/2021-22/ ৯০৪০

## Advertisement Notice

Application are invited from eligible Indian Citizens for Engagement on Contractual Basis for the post of 1 (one) No. Assistant Chemist under Jal Jeevan Mission,DWSM, Goalpara, as per terms & Conditions as follows:-

| Sl No | Name of Post | Qualification | Age Limit | Monthly Remuneration |
|---|---|---|---|---|
| 1 | Assistant Chemist at DWSM, under Jal Jeevan Mission, Goalpara. | 1.Bachelor of Science degree with Chemistry as one of the Subject from a recognized University or institute.<br>2.Must be computer literate & should have knowledge of MS-Office, internet, E-mail etc. | Minimum age is 18 years and maximum age is 40 years as on 01-01-2021. The upper age limit is relaxable as follows:-<br>a) 5 years for SC/ST Candidates.<br>b) 3 years for OBC/MOBC Candidates. | Remuneration Rs.21,500.00 P.M (Inclusive of all incentives and perks). Remuneration will likely be revised as per JJM, Assam norms. |

**Terms and Condition:-**

1. He/She will remain in service of the contractual post as Assistant Chemist for period of 11 months or 30th March/2022, whichever is earlier. The service may be extended based on performance appraisal of the incumbent from the date of joining subject to the terms and condition contained herewith.
2. The applicant should attend the walk in interview on **29-09-2021** along with their Bio data, duly filled application form supported by the original testimonials along with self attested copies to submit it in the office.
3. To download the Application form Click : **bit.ly/39ixHHa**
4. For any query applicant may contact to **medwsmglpa@gmail.com**
5. No TA/DA admissible to the candidate for attending the interview.
6. **(i) The date of interview on 29-09-2021**
   **(ii) Venue : O/O the Executive Engineer (PHE), Goalpara Division Goalpara.**
   **(iii) Time :- At 10.00 A.M. onwards**

Member Secretary , DWSM
Cum
Executive Engineer[PHE]
Goalpara Division, Goalpara

Janasanyog/D/6123/21

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ

নাট অসমৰ নাট্যকলা সংৰক্ষণাগাৰ NaT Theatre Archives of Assam

বিনম্ৰ অনুৰোধ

**"নাট ঃ অসমৰ নাট্যকলা সংৰক্ষণাগাৰ" প্ৰকল্পলৈ তথ্য প্ৰেৰণৰ আহ্বান**

ইয়াৰ দ্বাৰা অসমৰ সমূহ নাট্যানুষ্ঠান, নাট্যকৰ্মী, নাট সমালোচক, গৱেষক তথা নাটক অনুৰাগীসকলক জনোৱা যায় যে ২০২১ ৰ চলিত মাহৰ পৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে অসমৰ নাট্যপৰম্পৰা আৰু নাট্যকলাৰ লগত জড়িত সকলো তথ্য, নথি-পত্ৰ, নাটকৰ পাণ্ডুলিপি, মূল নাট, আলোচনা-সমালোচনামূলক প্ৰবন্ধ, নাটক সম্পৰ্কীয় গ্ৰন্থ, তথ্যচিত্ৰ, আলোকচিত্ৰ, বাণীবদ্ধ সমল (দৃশ্য-শ্ৰব্য), আহাৰ্য আৰু দৃশ্যসজ্জা, পৰিৱেশনৰ সঁজুলি ইত্যাদি সংগ্ৰহ কৰি উপযুক্ত সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। "নাট ঃ অসমৰ নাট্যকলা সংৰক্ষণাগাৰ" শীৰ্ষক প্ৰকল্পৰ অধীনত সামৰি ল'ব লগা এইসমূহ পদক্ষেপে অসমৰ নাট্য আন্দোলনৰ ঐতিহ্যক সমৃদ্ধ কৰিব আৰু এই ক্ষেত্ৰত আপোনাসৱৰ পৰামৰ্শ আৰু পূৰ্ণ সহযোগিতাৰ প্ৰয়োজন। সেয়েহে আপোনাসৱৰ জ্ঞাত তথা উপলব্ধ উক্ত দিশৰ সমূহ তথ্যৰ সম্ভেদ দিবৰ বাবে ইমেইল আইডি ঃ theatrearchivessk@gmail.com অথবা মোবাইল নং- ৯৮৫৪০-৭৩৮৮১, ৮৮২২৯-৯২২৮৮, ৯৩৬৫৫-৬৯৯৫৭ ত যোগাযোগ কৰিবৰ বাবে অনুৰোধ জনালোঁ। আপোনাসৱৰ সহযোগিতা আনুষ্ঠানিকভাৱে লিপিবদ্ধ কৰা হ'ব।

সচিব
শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ
পাঞ্জাবাৰী, গুৱাহাটী- ৩৭

জনসংযোগ/ডিএফ/৮৫১/২১

## অসম লোকসেৱা আয়োগ
**ASSAM PUBLIC SERVICE COMMISSION**
Jawaharnagar, Khanapara, Guwahati-781 022

No.16PSC/E-3/2020-2021/Pt-I

**PUBLIC NOTICE**

*Whereas* the Assam Public Service Commission had published the advertisement (vide advertisement no.08/2020 dated 08.09.2020) for recruitment to the post of Assam Civil Service (ACS) and Allied Services under CCE, 2020 in pursuance of the Assam Civil Services CCE (Amendment) Rules, 2019. The aspirants will have to qualify in the C.C. (Mains) Examination in one of the three native languages-Assamese, Bengali and Bodo. However, candidates from Dima Hasao, Karbi Anglong and West Karbi Anglong Districts who had not studied any of these languages in school shall be exempted from appearing for qualifying language papers.

*Whereas* the Government of Assam also gave exemption from appearing in the qualifying language paper to the candidates belonging to the three districts of Barak Valley viz., Cachar, Karimganj and Hailakandi who did not have any these languages in High School Leaving Certificate Examination.

*Whereas* challenging the said exemption, three Writ Petitions namely (i) WP(C) no.28/2021 (BONDITA BORAH Vs. State of Assam & others), (ii) WP(C) no.5169/2020 (NAVIN KUMAR RAY Vs. State of Assam & others) and (iii) WP(C) no.5248/2020 (BONANI PRIYA RAJKONWAR Vs. State of Assam & others) are filed before the Hon'ble Gauhati High Court and the Hon'ble Gauhati High Court vide order dated 02.09.2021 passed in WP(C) no.28/2021 (Bondita Borah Vs. State of Assam & others) and other Linked Cases, was pleased to observe that those candidates who did not have any of the three languages (Assamese, Bodo and Bengali) in their High School and have been given exemption from appearing in the language paper in the Combined Competitive Examination, such as candidates belonging to Dima Hasao, Karbi Anglong and West Karbi Anglong districts as well as Cachar, Karimganj, Hailakandi districts, should be represented before this Court at least in their representative capacity.

*Now*, in compliance of the Hon'ble Gauhati High Court's order dated 02.09.2021, candidates belonging to Dima Hasao, Karbi Anglong and West Karbi Anglong Districts and of Barak Valley *viz.*, Cachar, Karimganj and Hailakandi are hereby informed about pendency of the aforesaid 3(three) Writ Petitions in the Hon'ble Gauhati High Court, so that they may implead themselves as party/participate in the aforesaid Writ Petitions and represent their cause/causes, either singly or in representative capacity, if they so desire.

Secretary,
Assam Public Service Commission,
Jawaharnagar, Khanapara, Guwahati-22.

Janasanyog/D/6102/21

# ক'ভিড বিধি উলংঘা কৰি অফলাইন পৰীক্ষা শংকৰদেৱ শিশু নিকেতনৰ

■ স্বয়ং স্বাস্থ্যমন্ত্ৰীৰ জিলাতে নিয়ম উলংঘন

বিশেষ সংবাদদাতা

**নগাঁও, ২০ ছেপ্টেম্বৰ ঃ** ক'ভিড বিধি উলংঘা কৰি নগাঁৱৰ এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে শিশু ছাত্ৰ-ছাত্ৰীৰ মাজত অফলাইন পৰীক্ষা অনুষ্ঠিত কৰাক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই বিদ্যালয়খন হৈছে নগাঁও চহৰৰ আমোলাপট্টিস্থিত শংকৰদেৱ শিশু নিকেতন। উল্লেখ্য ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২১ ছেপ্টেম্বৰ, ২০২১ মঙলবাৰ পৃষ্ঠা তিনি

## সোঁতৰ বিপৰীতে



■ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ লুণ্ঠনৰ আহিলাত পৰিণত হৈছে মীন বিভাগৰ আঁচনি ■ নগাঁও জিলাত কোটি কোটি টকাৰ দুৰ্নীতি

# পুৰণা পুখুৰী উন্নয়নৰ নামতেই লুণ্ঠন

বিশেষ সংবাদদাতা

**নগাঁও, ২০ ছেপ্টেম্বৰ ঃ** সৰ্বসাধাৰণ ৰাইজৰে সম্পৰ্কহীনতাৰ সুযোগ গ্ৰহণ কৰি নগাঁও জিলাত বহু বছৰ ধৰি মীন বিভাগৰ আঁচনি ৰূপায়ণৰ নামত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত কৰি অহা পৰিলক্ষিত হৈছে। বিভাগটোৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীয়ে মীন বিভাগৰ আঁচনিসমূহ ধন ঘটাৰ আহিলাত পৰিণত কৰি কে'বা দশক ধৰি এই লুণ্ঠনৰ ধাৰাবাহিকতা অব্যাহত আছে। নগাঁও জিলাৰ মীন বিভাগে সাধাৰণ শ্ৰেণী, অনুসূচিত জাতিৰ বহু অযোগ্য আৰু ভুৱা হিতাধিকাৰীৰ জৰিয়তে মীন বিভাগৰ বিভিন্ন আঁচনিৰ ধনৰ ওপৰত বছৰ বছৰ ধৰি লুণ্ঠন চলাই অহাৰ অভিযোগ প্ৰায়েই উত্থাপিত হৈ আহিছে। নগাঁও জিলাত মীন বিভাগে মৎস্য ছয় পৃষ্ঠাত চাওক



গহপুৰত ৪২ৰ ছহিদক স্মৰণ কংগ্ৰেছৰ, সোমবাৰে।

■ বিটিআৰ অশান্ত কৰাৰ মানসিকতা এৰক ■ গোসাঁইগাঁও পৌৰসভাৰ ছুপাৰ মাৰ্কেট কমপ্লেক্স উদ্বোধন

## ১৭ বছৰত বিটিচিত কেৱল লুণ্ঠন-হত্যা-হিংসাৰহে আমেজ পালে জনতাই ঃ বড়ো

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২০ ছেপ্টেম্বৰ ঃ** 'দশকৰ পাছত দশক ধৰি বড়ো ভূমিত অশান্তি বিৰাজ কৰিছিল। মিত্ৰজোঁটৰ চৰকাৰে কাৰ্যভাৰ লোৱাৰ পাছৰে পৰা নানা জাতি-জনগোষ্ঠীৰ মিলনভূমি বিটিআৰত এতিয়া অঘোষিত শান্তিৰ পৰিৱেশ বিৰাজ কৰিছে। এই শান্তিৰ পৰিৱেশ বিঘ্নিত কৰাৰ বাবে যাতে কোনেও অবৈধ অস্ত্ৰ হাতত তুলি নলয়। হিংসাৰ মনোভাৱ সমূলি ত্যাগ কৰি প্ৰকৃত মানৱীয় মনোভাৱ লওক। তেতিয়াহে সমাজ তথা দেশে উন্নয়নৰ জখলা বগাবলৈ সক্ষম হ'ব। সেয়েহে বিটিআৰ অশান্ত কৰাৰ মানসিকতা এৰক।' এই ভাষ্য বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ। গোসাঁইগাঁও পৌৰ সভাৰ উদ্যোগত গোসাঁইগাঁও নগৰৰ দলগাঁও পথত নৱনিৰ্মিত এখন বহুমহলীয়া ছুপাৰ মাৰ্কেট কমপ্লেক্সৰ উদ্বোধন কৰি তেওঁ কয় যে বিগত ১৭ বছৰে বিটিচিত বিপিএফৰ শাসন কালত কেৱল লুণ্ঠন, হত্যা, হিংসাৰহে আমেজ পালে জনতাই। উন্নয়নৰ ধাৰা ত্বৰান্বিত নহ'ল। এতিয়া বিটিআৰত মিত্ৰজোঁটৰ পৰিষদীয় চৰকাৰে বিটিআৰত অভুতপূৰ্ব পৰিৱৰ্তনৰ জোৱাৰ অনাৰ প্ৰয়াস চলাই থকা হৈছে। এই সন্দৰ্ভত তেওঁ কয়, 'বিটিআৰৰ অফিচাৰ, ঠিকাদাৰসকলে ৰাইজৰ কথা শুনিব লাগিব। পূৰ্বৰ সকলো বাদ দি বিটিআৰ নিৰ্মাণত হাত উজান দিব লাগিব।' গোসাঁইগাঁও আদৰ্শ চহৰ ছয় পৃষ্ঠাত চাওক

## চাহ শ্ৰমিকসহ সকলো শ্ৰমিক খণ্ডৰ শ্ৰমিকৰ সমস্যা সমাধানৰ দাবী

■দিল্লীৰ যন্তৰ মন্তৰত জাতীয় শ্ৰমিক শক্তিৰ ধৰ্ণা■ প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ চাহ জনগোষ্ঠীয় লোকসকলৰ লগতে কয়লা খনিকে ধৰি অন্যান্য খণ্ডত নিয়োজিত শ্ৰমিক শ্ৰেণীৰ লোকসকলৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধানৰ দাবীত আজি অসম জাতীয় পৰিষদৰ ভ্ৰাতৃ সংগঠন জাতীয় শ্ৰমিক শক্তিয়ে নতুন দিল্লীৰ যন্তৰ মন্তৰত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। নেছনেল ফ্ৰণ্ট অব্ ইণ্ডিয়ান ট্ৰেড ইউনিয়ন নামৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংগঠনটোৰ স'তে যুটীয়াভাৱে ৰূপায়ণ কৰা এই কাৰ্যসূচীত চাহ শ্ৰমিক নেতা অজিত মাঝি, উত্তৰ পূব কয়লাখনি শ্ৰমিক ইউনিয়নৰ সভাপতি মিলন বিশ্বাস, সম্পাদক ৰঞ্জিত বৰগোহাঁই, জাতীয় শ্ৰমিক শক্তি, তিনিচুকীয়াৰ সভাপতি দোলেন চেতিয়াকে ধৰি ৰাজ্যৰ বিভিন্ন চাহ বাগান অঞ্চলৰ পৰা যোৱা কে'বাশ জাতীয় সেৱকে অংশগ্ৰহণ কৰে। জাতীয় শ্ৰমিক শক্তিৰ সভাপতি ইজৰাইল নন্দৰ নেতৃত্বত প্ৰতিবাদীসকলে 'চাহ উদ্যোগ বচাওক, শ্ৰমিক বচাওক', 'কয়লাখনি লীজত দিয়া বন্ধ কৰক', 'কয়লা শ্ৰমিকৰ গ্ৰেচুইটিৰ ধন মোকলাই দিয়ক', 'কাছাৰ আৰু জাগীৰোড কাগজ কল পুনৰ আৰম্ভ কৰক', 'চাহ বাগিচাৰ মাটি অন্য কামত ব্যৱহাৰ বন্ধ কৰক', 'চাহ আমদানি নিষিদ্ধ কৰি ৰপ্তানিত জোৰ দিয়ক', 'চাহ শ্ৰমিকৰ মজুৰি কমেও ৩৫১ টকালৈ বৃদ্ধি কৰক', 'নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থটো গোট সোনকালে নিৰ্মাণ কৰক' আদি দাবীৰে শ্ল'গান দিয়ে। উক্ত কাৰ্যসূচীত অংশ লৈ সাংসদ আব্দুল খালেকে অসমৰ সমস্যাসমূহ সংসদত উত্থাপন কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। ধৰ্ণা কাৰ্যসূচীত ছয় পৃষ্ঠাত চাওক

## তিনিমাহে বেতনৰ পৰা বঞ্চিত পৰিবহণ নিগমৰ ৩২০০ কৰ্মচাৰী

■ ২৩ ছেপ্টেম্বৰৰ ভিতৰত দৰমহা নিদিলে ২৪ ছেপ্টেম্বৰত অনশনত বহিব পৰিবহণ নিগমৰ কৰ্মচাৰী ■ ২৯ ছেপ্টেম্বৰৰ পৰা ৰাজ্যজুৰি গঢ়ি তোলা হ'ব তীব্ৰ আন্দোলন

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** তিনিমাহে দৰমহা নোপোৱা পৰিবহণ বিভাগৰ কৰ্মচাৰীয়ে আন্দোলনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কৰ্মচাৰীসকলে ২৩ ছেপ্টেম্বৰৰ ভিতৰত চৰকাৰে দৰমহা আদায় নিদিলে ২৪ ছেপ্টেম্বৰত অনশনত বহিব বুলি সদৰী কৰে। উল্লেখ্য যে অসম ৰাজ্যিক পৰিবহণ নিগমৰ ৩২০০ কৰ্মচাৰীয়ে তিনিমাহ ধৰি দৰমহা নোপোৱাত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ল'ৰা-ছোৱালীৰ নামভৰ্তি, ভৰণ-পোষণৰ লগতে বেংকৰ ঋণৰ কিস্তি আদায় দিব নোৱাৰি একপ্ৰকাৰ দিশহাৰা হৈছে। আজি এই সন্দৰ্ভত পল্টন বজাৰস্থিত কৰ্মচাৰী সন্থাৰ মুখ্য কাৰ্যালয়ত সন্থাৰ কেন্দ্ৰীয় সমিতি আৰু গুৱাহাটীস্থিত সন্থাৰ সাতটা শাখাৰ যৌথ সভাই নিগম কৰ্তৃপক্ষ আৰু পৰিবহণ মন্ত্ৰীৰ কৰ্মচাৰীৰ দৰমহা প্ৰদানত প্ৰদৰ্শন ছয় পৃষ্ঠাত চাওক

ছহিদৰ ত্যাগৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ দেশ-জাতিৰ সুৰক্ষাৰ বাবে সদায় সজাগ-সচেতন হৈ থাকিব লাগিব

## গহপুৰত বীৰাংগনা কনকলতা-মুকুন্দ কাকতিক স্মৰণ

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ২০ ছেপ্টেম্বৰ ঃ** মহামানৱ মহাত্মা গান্ধীৰ ভাৰত ত্যাগ আন্দোলনৰ আহ্বান মৰ্মে ১৯৪২ৰ ২০ ছেপ্টেম্বৰত গহপুৰ থানাত ত্ৰিৰংগ পতাকা উৰুৱাবলৈ গৈ ব্ৰিটিছ পুলিচৰ গুলি বুকু পাতি লৈ দেশৰ স্বাধীনতাৰ বাবে প্ৰাণাহুতি দিয়া ছহিদ বীৰাংগনা কনকলতা বৰুৱা আৰু ছহিদ মুকুন্দ কাকতিৰ পবিত্ৰ স্মৃতিত আজি গহপুৰ বিজেপিয়ে দিনজোৰা কাৰ্যসূচীৰে ছহিদ দিৱস উদ্‌যাপন কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। গহপুৰ বিধানসভা সমষ্টিৰ বিজেপিৰ উদ্যোগত অনুষ্ঠিত এই দিৱসৰ মূল ছয় পৃষ্ঠাত চাওক

■তিনিচুকীয়াত ৰাজ্যৰ গ্ৰামোন্নয়ন মন্ত্ৰী ■পৃথকে পৃথকে বিভাগীয় পৰ্যালোচনা বৈঠকত মিলিত

## মূল্যবৃদ্ধি ৰোধ-আঁচনিৰ চাউলৰ চোৰাং ব্যৱসায় ৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ ঃ মন্ত্ৰী দাস



অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২০ ছেপ্টেম্বৰ ঃ** আজি পুৱা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে তিনিচুকীয়াত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, খাদ্য আৰু অসামৰিক যোগান বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগত জিলা পৰিষদৰ লগত পৃথকে পৃথকে পৰ্যালোচনা বৈঠকত মিলিত হয়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত চলি থকা 'জল জীৱন মিছন' আৰু 'স্বচ্ছ ভাৰত অভিযান' আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে মন্ত্ৰী দাসে। উক্ত বৈঠকত জিলাখনত বিশেষকৈ জল জীৱন মিছনৰ জৰিয়তে জিলাখনৰ গ্ৰামাঞ্চলৰ প্ৰতি ঘৰে ঘৰে খোৱাপানীৰ নলা সংযোগৰ নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ল'বলগীয়া কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰে। তাৰ পাছতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ এখন পৰ্যালোচনা সভাত মিলিত হয়। তিনিচুকীয়া জিলাৰ আটাইকেইখন গাঁও পঞ্চায়তৰ অধীনত ৰূপায়ণ হৈ থকা চৰকাৰী আঁচনিসমূহ আৰু পঞ্চায়তসমূহৰ বিভিন্ন অভাৱ-অভিযোগ তথা সমস্যাৰাজিৰ বিষয়ে আলোচনা কৰা হয়। তদুপৰি অসামৰিক যোগান আৰু ছয় পৃষ্ঠাত চাওক

## কৈঠালকুছিত ৰেলৰ আগত পৰি যুৱকৰ মৃত্যু

■ড্ৰাগ্‌ছজনিত কাৰণত হত্যাৰ দাবী পৰিয়ালৰ

অগ্ৰদূত বাৰ্তা

**টিহু, ২০ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ কৈঠালকুছিত যোৱা নিশা ৰেলৰ আগত পৰি এজন যুৱকৰ মৃত্যু হয়। মৃত যুৱকজন হৈছে টিহুৰ ষাঠিকুছিৰ ৰেল বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী শশীৰাম বৰ্মনৰ পুত্ৰ টুটুমণি বৰ্মন (২৮)। পৰিয়ালৰ ছয় পৃষ্ঠাত চাওক

## তেজপুৰত ছহিদ কনকলতালৈ শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** আজি ৰাজ্যজুৰি দেশৰ স্বাধীনতা আন্দোলনৰ ছহিদসকলৰ স্মৃতিত পালিত ছহিদ দিৱস উপলক্ষে তেজপুৰতো স্বাধীনতা আন্দোলনৰ অমৰ ছহিদ বীৰাংগণা কনকলতা বৰুৱালৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। ছাত্ৰ সংগঠন অল ইণ্ডিয়া ডিএছঅ', মহিলা সংগঠন অল ইণ্ডিয়া এমএছএছ আৰু কিশোৰ কমিউনিষ্ট বাহিনী (কমচোমল)ৰ যৌথ উদ্যোগত আজি পুৱা ১১ বজাত তেজপুৰৰ আদালত চাৰিআলিত এক শ্ৰদ্ধাঞ্জলি ছয় পৃষ্ঠাত চাওক

■দাঁত-নেজ কাটি নিলে দুষ্কৃতিকাৰীয়ে

## চিৰাঙৰ দেউশ্ৰী ব্ৰহ্মপাৰাত বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২০ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ দেউশ্ৰী ব্ৰহ্মপাৰাত আজি এটা বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ হয়। বন্য হস্তীটোৰ দাঁত আৰু নেজ দুষ্ট চক্ৰই কাটি নিয়া বুলি অভিযোগ উঠিছে। হাতীটো তিনি-চাৰিদিন আগতে হত্যা কৰা হৈছে বুলি সন্দেহ কৰা হৈছে। এই সন্দৰ্ভত চিৰাং বন সংমণ্ডল বিষয়া ব্ৰহ্মানন্দ পাতিৰীয়ে কয় যে হাতীটো হত্যা কৰাটো প্ৰায় নিশ্চিত হৈছে। এতিয়া মৰণোত্তৰ পৰীক্ষাৰ পাছতহে সকলো তথ্য পোহৰলৈ আহিব। যদি কোনো লোকে হত্যাকাণ্ডত জড়িত থকাৰ প্ৰমাণ পোৱা যায় ছয় পৃষ্ঠাত চাওক

## ৰাস্তাৰ দাঁতিত হাত-ভৰি বান্ধি পেলাই থৈ গ'ল চালকক



অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ২০ ছেপ্টেম্বৰ ঃ** পিষ্টল দেখুৱাই গাড়ীচালকক হাত-ভৰি বান্ধি চুৰি কৰি নিয়া এখন বাহন আজি আৰক্ষীয়ে নগালেণ্ডৰ পৰা উদ্ধাৰ কৰে। আৰক্ষীয়ে লগতে গাড়ী চুৰিৰ ঘটনাত জড়িত লোকক লোকক কৰায়ত্ত কৰিছে। আজি দিনৰ ভাগত সংঘটিত হয় এই গাড়ী চুৰিৰ ছয় পৃষ্ঠাত চাওক

■যোগান আঁচনি আছে কিন্তু উপলব্ধ নহয় বিশুদ্ধ খোৱাপানী■ফুলদানী লৈ পৰিণত দুই নম্বৰ শ্ৰীৰামপুৰত বিশুদ্ধ খোৱাপানী যোগান আঁচনি■ৰ'দ-বৰষুণত লাখ লাখ টকাৰ সামগ্ৰী নষ্ট


## গোসাঁইগাঁৱৰ গ্ৰামাঞ্চলত বিশুদ্ধ খোৱাপানীৰ অভাৱ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২০ ছেপ্টেম্বৰ ঃ** জনতাক বিশুদ্ধ খোৱাপানী যোগানৰ নামত চৰকাৰে বিভিন্ন আঁচনি প্ৰস্তুত কৰি কোটি কোটি টকা খৰচ কৰি আহিছে যদিও বাস্তৱত গ্ৰাম্য অঞ্চলৰ জনসাধাৰণে বিশুদ্ধ খোৱাপানী সেৱন কৰাৰ পৰা বঞ্চিত হৈ আহিছে। বিশুদ্ধ খোৱাপানী যোগান ধৰাত সম্পূৰ্ণৰূপে জনস্বাস্থ্য কাৰিকৰী বিভাগ ব্যৰ্থ হোৱাত গ্ৰাম্য অঞ্চলৰ জনসাধাৰণে বিশুদ্ধ পানীৰ বিপৰীতে দূষিত পানী সেৱন কৰি নানান ৰোগত আক্ৰান্ত হ'বলগীয়া হৈছে। ৰাজ্যৰ আন প্ৰান্তৰ দৰে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনস্থ বহু অঞ্চলত



তেনে ঘটনা সংঘটিত হোৱাৰ বাস্তৱ উদাহৰণ আছে। গোসাঁইগাঁও মহকুমাৰ অধীনস্থ পূৰ্বৰ আঁচনিসমূহ কাৰ্যক্ষম হৈ নথকাত আঁচনিসমূহ ইতিমধ্যে জহি-খহি বিধ্বস্ত হোৱাৰ পাছত একেটা স্থানত পুনৰ নতুনকৈ জল জীৱন আঁচনি, মিছন-১০০, পাইপ পানী আঁচনি স্থাপন কৰিছে বিভাগে। কিন্তু পূৰ্বৰ একাধিক আঁচনিৰ দৰেই নতুনকৈ হাতত লোৱা আঁচনিবোৰো পূৰ্বৰ দৰেই ধ্বংসৰ দিশলৈ গতি কৰিছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গোসাঁইগাঁওস্থিত কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ৰ অধীনস্থ দুই নম্বৰ শ্ৰীৰামপুৰত এখন পাইপ পানী যোগান আঁচনি আছে। বিগত সাত-আঠ বছৰ ধৰি ৰাইজে তেনে পাইপ পানী ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী, মঙলবাৰ ৪ আহিন ১৪২৮ ভাস্কৰাব্দ ২১ ছেপ্টেম্বৰ ২০২১

# অৱহেলিত-অব্যৱহৃত

কৰ'নাৰ পৰিপ্ৰেক্ষিতত বলবৎ কৰা তলাবন্ধ কাৰ্যসূচীৰ পৰা দেশৰ সচেতন মহলে জানিব পাৰিলে যে আমাৰ জনসম্পদ এনেদৰেই অৱহেলিত, অব্যৱহৃত হৈ আছে। আন নালাগে দেশৰ সমাজবাদী সচেতন ব্যক্তিসকলেও এই দুৰ্দশাগ্ৰস্ত লোকসকলৰ বিষয়ে সম্যক ধাৰণা কৰিবলৈ সক্ষম হোৱা নাছিল। যদিও সম্প্ৰতি সমগ্ৰ বিশ্বত দৰিদ্ৰ ভাৰতৰ ছবিখন উন্মোচিত হ'ল, তথাপি আমি সুযোগ পালো আত্মসমালোচনাৰ। সুযোগ আহিল নতুন আঁচনি লোৱাৰ। সুযোগ আহিল অৰ্থনৈতিক স্বাধীনতাৰ বাবে সূচনা কৰাৰ এক আন্দোলনৰ। কোটি কোটি দুৰ্দশাগ্ৰস্ত নৰ-নাৰীৰ ছবিয়ে দেশৰ বিদ্বৎ মহলক ভবাই নোতোলাকৈ নাথাকে। ভাৰতভূমিত সম্পদ আছে। ভাৰতৰ মাটিত বৌদ্ধিক নিৰ্দেশনা দিয়া লোকো যে আছে, সেই কথা মহামতি আশোক, বুদ্ধদেৱ, আকবৰ, মহাত্মা গান্ধী প্ৰভৃতি মনীষীয়ে দাঙি ধৰিছে; কিন্তু অতিমাৰী কৰ'না ভাইৰাছে দেশৰ যিখিনি সম্পদ আছিল তাকো থান-বান কৰি পেলালে। কেন্দ্ৰীয় চৰকাৰে ৮০ কোটি মানুহক খাদ্যৰ যোগান ধৰাৰ বাবে ৰাজভঁৰাল যে একপ্ৰকাৰ উদং হৈ যাব, সেই বিষয়ত সন্দেহ নাই; কাৰণ সেই ধন ব্যয় হ'ব অনুৎপাদিত কামত; কিন্তু নৰেন্দ্ৰ মোদী চৰকাৰৰ বাবে ইয়াৰ কোনো বিকল্প নাছিল, কাৰণ নাগৰিকক খাদ্যৰ যোগান ধৰাটো চৰকাৰৰ প্ৰাথমিক কৰ্তব্য।

দেশৰ অৰ্থনীতি থান-বান হৈছে এই বাবেই যে তলাবন্ধৰ ফলস্বৰূপে উদ্যোগৰ লগতে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ বন্ধ হৈছে। তাৰ ফলস্বৰূপে সৌ-সিদিনালৈকে স্বচ্ছন্দ্যে জীৱন নিৰ্বাহ কৰি থকা কোটি কোটি মানুহে কৰ্মসংস্থান হেৰুৱাইছে। তেনেদৰেই পৰিবহণ, যাতায়াত, পৰ্যটন, হোটেল আদিত নিয়োজিত লোকসকল হৈ পৰিছে আজি কৰ্মহীন। শেহতীয়াভাৱে কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয় ঢৌ প্ৰায় শাম কাটিছে যদিও সম্প্ৰতি তৃতীয় ঢৌৰ আগমনৰ আশংকা বিৰাজ কৰিছে। তদুপৰি অতিমাৰী কৰ'না ভাইৰাছৰ অন্ত কেতিয়া পৰে, সেই কথা কোনেও নাজানে। এই পটভূমিত ৰাষ্ট্ৰৰ সমস্যা কিমান গধুৰ তাক ব্যাখ্যা কৰিবলৈ ভাষাৰ অভাৱ। অতিমাৰী কৰ'নাৰ সংক্ৰমণে আমাৰ অৰ্থনীতি থান-বান কৰাৰ ক্ষণতে বিজ্ঞান-প্ৰযুক্তিৰ ক্ষেত্ৰত চীনে বহুদূৰ আগবাঢ়ি যাবলৈ সক্ষম হৈছে; কিন্তু সেইখন চীনো কেনেকুৱা দুৰ্ভিক্ষত পতিত হৈছিল, তাৰ কাহিনী পাৰ্ল এছ বাকৰ উপন্যাস 'গুড আৰ্থ'ত পঢ়া মনত পৰে। মাতৃয়ে নিজৰ সন্তানৰ কাঁহীত দিয়া মাংসৰ টুকুৰাটো খঙতে সি মাটিলৈ দলিয়াই দিয়াত পেলাই দিয়াৰ সলনি মাকে বুটলি আনি আকৌ কেৰাহীত থৈছিল, কাৰণ এটুকুৰা মঙহো সেই সময়ত অতি মূল্যবানৰূপে পৰিগণিত হৈছিল; কিন্তু পৰিকল্পিত অৰ্থনৈতিক আঁচনিৰে ১৯৫০ৰ পৰা দেশখনে দোপতদোপে উন্নতি কৰিবলৈ সক্ষম হয়।

ভাৰতেও কৰ'না ভাইৰাছ আৰু চীনৰ আক্ৰমণৰ পটভূমিতেই ল'ব লাগিব 'নতুন ভাৰত' গঢ়াৰ সংকল্প। জনসম্পদৰ সদ্ব্যৱহাৰেই হ'ব দেশৰ অৰ্থনৈতিক উন্নয়নৰ প্ৰথম মাধ্যম। সেই দুৰূহ কামকো দক্ষ প্ৰশাসকৰ পক্ষে সহজ কৰি তোলাটো নিশ্চয় কঠিন নহ'ব। সৌসিদিনা এটম বোমাৰ বিস্ফোৰণে জাপানৰ অৰ্থনীতিত চৰম আঘাত হনা সত্বেও কেইবছৰ মানৰ ভিতৰতে সেই দেশে পুনৰ কঁকালত টঙালি বান্ধি থিয় হৈ উঠিল। দ্বিতীয় মহাসমৰত বিধ্বস্ত দ্বিখণ্ডিত জাৰ্মানীয়ে পুনৰ শক্তি সঞ্চয় কৰিবলৈ বেছি বছৰৰ প্ৰয়োজন হোৱা নাছিল। দ্বিতীয় মহাসমৰত বিধ্বস্ত জেনেৰেল ড্য গলৰ ফ্ৰান্স, উইনষ্টন চাৰ্চিলৰ ব্ৰিটেইনেও কম সময়ৰ ভিতৰতে পূৰ্বৰ শক্তি ঘূৰাই পাইছিল।

ভাৰতবৰ্ষৰ প্ৰাকৃতিক সম্পদৰ অভাৱ নাই। এই দেশৰ বৌদ্ধিক সম্পদ বিশ্ব বন্দিত। কুৰি শতিকাৰ সৰ্বশ্ৰেষ্ঠ বিজ্ঞানী আইনষ্টাইনে ঘোষণা কৰিছে, 'আমি এনে এটি সম্পদ নতুনকৈ আৱিষ্কাৰ কৰা নাই, যিটো ইতিমধ্যে ভাৰতে আৱিষ্কাৰ নকৰাকৈ আছে।' কিন্তু ব্ৰিটিছে এই ভাৰতভূমিৰ সম্পদেই কেৱল নহয়, শৌৰ্য-বীৰ্য আৰু স্বাভিমানকো আঘাত কৰি হীন অৱস্থালৈ ঠেলি দিছিল। বৰ্তমানৰ সংকটে ভাৰতক আকৌ জগাই তুলিব বুলি আমাৰ বিশ্বাস। সাম্প্ৰতিক কালৰ ভয়াৱহ দুৰ্যোগে আমাক আত্মানুসন্ধানৰ সুযোগ আনি দিছে; কিন্তু দেশবাসীৰ উমৈহতীয়া প্ৰচেষ্টাৰেহে উত্থান সম্ভৱ হৈ উঠিব। ক্ষমতাধিষ্ঠিতেই হওক বা বিৰোধীয়েই হওক, সকলো ৰাজনৈতিক দলৰ নেতা-সদস্যই দলীয় স্বাৰ্থৰ উৰ্ধত থাকি ভাৰতবৰ্ষক আকৌ জ্যোতিষ্মান কৰি তোলাৰ এই সংকট কালেই শুভক্ষণ।

# উপ-নিৰ্বাচন আৰু জোঁটবন্ধনৰ সম্পৰীক্ষা

## ভাৰতবৰ্ষত বিজেপি ৰাজনীতিৰ পটভূমি কংগ্ৰেছেই প্ৰস্তুত কৰি দিছিল



অসবৰ্ণ

হীৰেন গগৈ

অসমৰ ছটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি শাসক আৰু বিৰোধী উভয় শিবিৰতে ৰণকৌশলগত সমস্যা কম-বেছি পৰিমাণে প্ৰকট হৈছে। শাসক বিজেপি মিত্ৰজোঁটৰ বাবে হাগ্ৰামা মহিলাৰী আৰু তেওঁৰ দল বি পি এফক প্ৰমোদ বড়ো আৰু তেওঁৰ দলৰ স'তে সহাৱস্থান কৰোৱাৰ সমস্যাটো আছে যদিও তাৰ সমাধান সূত্ৰ উলিওৱাটো বিশেষ টান নহ'ব। দেখাত তাৰ বাহিৰে শাসক জোঁটটোৰ বিশেষ ৰণকৌশলগত সমস্যা নাই। ৰণনীতিও তেওঁলোকৰ স্পষ্ট ঃ কংগ্ৰেছক ধৰাশায়ী কৰা আৰু সেই দলৰ দখলত থকা সমষ্টিকেইটা আঁজুৰি অনা। এই ক্ষেত্ৰত বিজেপিৰ নিজৰ এটা দলীয় লক্ষ্যও আছে। দলটোৱে বিধানসভাত নিজ দলৰ নিৰংকুশ সংখ্যাগৰিষ্ঠতা প্ৰতিষ্ঠাৰ বাবেও কৌশল লৈ আছে। মিত্ৰ দলকেইটাক চাপত ৰখাৰ বাবে বিজেপিক সেই সংখ্যাগৰিষ্ঠতা লাগে। এই ক্ষেত্ৰত অগপ, ইউপিপিএল বা বিপিএফ প্ৰতিবন্ধক হোৱাৰ সম্ভাৱনাও বৰ্তমানে নাই। আনহাতে, শাসক শিবিৰৰ মজবুত জোঁটবন্ধনৰ বিপৰীতে বিৰোধী শিবিৰ একপ্ৰকাৰ ছিন্নভিন্ন। যোৱা বিধানসভা নিৰ্বাচনতো আটাইবোৰ বিৰোধী দল একগোট হ'ব পৰা নাছিল। কংগ্ৰেছে অজাপ আৰু ৰাইজৰ দলৰ বাহিৰে বাকী দলবোৰক লৈ যি মহাজোঁট গঠন কৰিছিল, তাৰো অস্তিত্ব এতিয়া নোহোৱা হৈ গ'ল। মহাজোঁটৰ আন দুটা ডাঙৰ অংশীদাৰ ইউডিএফ আৰু বিপিএফ মহাজোঁটৰ পৰা ওলাই গ'ল। আনহাতে, ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈৰ দুৰাকাংক্ষা আৰু চতুৰালিক লৈয়ো কংগ্ৰেছ শংকিত। অজাপেতো ৰাষ্ট্ৰীয় দলৰ স'তে মিত্ৰতা কৰাৰ কথা নুশুনেই। সেয়ে বিৰোধী শিবিৰত ৰণকৌশলগত অন্তৰ্ঘাত এতিয়া তুংগত। বিৰোধী দলবোৰৰ বাবে বিজেপি মিত্ৰজোঁটৰ সংহত, সংঘবদ্ধ আৰু আত্মবিশ্বাসী শক্তিক প্ৰতিৰোধ কৰাটো প্ৰায় অসম্ভৱ যেনেই ধাৰণা হয়।

অসমৰ কংগ্ৰেছে শেহান্তৰত এটা কথা বুজি পোৱা যেন লাগিছে। বিজেপিৰ বিৰুদ্ধে সমস্ত বিৰোধী দলৰ যুক্তফ্ৰণ্ট গঠন কৰাৰ ভেটিটো তেনেই দুৰ্বল। শাসক দলক সম্পূৰ্ণ এঘৰীয়া কৰাৰ পৰিস্থিতি এটা ৰাজ্যখনত এতিয়াও উদ্ভৱ হোৱা নাই। 'কা'ৰ প্ৰসংগতো শাসক বিজেপি জোঁটক অসমীয়াৰ জাতীয় শত্ৰু বুলি প্ৰমাণ কৰিব পৰা নগ'ল। বৰঞ্চ বিজেপিয়েহে নিজকে অসমৰ খিলঞ্জীয়া লোকসকলৰ ৰক্ষাকৰ্তা বুলি প্ৰমাণ কৰাৰ সুযোগ পালে। 'কা'-বিৰোধী আন্দোলনৰ নেতা আৰু পৃষ্ঠপোষক বুদ্ধিজীৱীসকলে প্ৰচাৰ কৰিছিল যে 'কা'ই অসমখনক হিন্দু বাঙালীপ্ৰধান দ্বিতীয় এখন ত্ৰিপুৰাত পৰিণত কৰিব আৰু সেয়ে 'কা' বলৱৎকাৰী বিজেপি অসমীয়াৰ জাতীয় শত্ৰুত পৰিণত হৈছে। আনহাতে, বিজেপিয়ে প্ৰত্যাক্ৰমণ চলালে এই প্ৰতি-অভিযোগেৰে যে 'কা' বিৰোধী আন্দোলনকাৰীসকলেহে অসমখনক বাঙালী মুছলমানপ্ৰধান দ্বিতীয় এখন কাশ্মীৰত পৰিণত কৰাৰ ষড়যন্ত্ৰ কৰিছে। অসমৰ খিলঞ্জীয়া মানুহখিনিয়ে নিজৰ বাস্তৱ অভিজ্ঞতাৰে বিচাৰ কৰি বিজেপিৰ পক্ষেই ভোট দিলে। গতিকে 'কা'ক কেন্দ্ৰ কৰি অসমীয়া মানুহখিনিক বিজেপিৰ বিৰুদ্ধে থিয় কৰোৱাটো সম্ভৱ নহ'ল। তাতে 'কা' বিৰোধী অজাপ আৰু ৰাইজৰ দলে বিৰোধীৰ সমূহীয়া স্বাৰ্থতকৈ নিজ নিজ দলৰ ৰাজনৈতিক প্ৰতিষ্ঠাৰহে ধান্দা কৰাত বিৰোধী দলবোৰৰ মহা ঐক্যও গঢ়ি নুঠিল। কংগ্ৰেছে সমগ্ৰ ঘটনাটো সম্পূৰ্ণকৈ নহ'লেও অলপ অচৰপ বুজি পোৱা যেন লাগিছে। সেয়ে দলটোৱে মুছলমান সাম্প্ৰদায়িকতাবাদী ইউডিএফৰ স'তে সম্পৰ্ক ছেদ কৰি মুছলমান-তোষণৰ অভিযোগৰ পৰা মুক্ত হ'বলৈ বিচাৰিছে। আনহাতে, সৰ্বাত্মক বিৰোধী ঐক্যৰ আশাও তেওঁলোকে ত্যাগ কৰি 'অকলে যোৱা' নীতি গ্ৰহণ কৰিবলৈ বিচাৰিছে। তেওঁলোকৰ ৰণকৌশলৰ এই পৰিৱৰ্তনে দলটোক বিজেপিৰ একমাত্ৰ বিকল্প হিচাপে প্ৰতিষ্ঠা কৰিবগৈ পাৰিব নে নোৱাৰে, ক'ব নোৱাৰো। কিন্তু তেওঁলোকৰ এই স্থিতিয়ে বাকীবোৰ বিৰোধী দলৰ ৰাজনৈতিক প্ৰতিষ্ঠাৰ দুৰাকাংক্ষাক সদ্যহতে নিৰাময় কৰিব। সৰ্বভাৰতীয় পৰ্যায়ত কংগ্ৰেছ দলটো এতিয়া নেতৃত্বৰ সংকটত গভীৰভাৱে নিমজ্জিত। নেহৰু-গান্ধী পৰিয়ালৰ অক্টোপাচী কৱলৰ পৰা দলটো মুক্ত হোৱাৰ সম্ভাৱনাও সুদূৰপৰাহত। অসমতো নেতৃত্বকেন্দ্ৰিক অন্তৰ্কলহ তীব্ৰ ৰূপত চলি আছে। এই অৱস্থাত অসমতো দলটোৰ এদনীয়া পুনৰুত্থান সহজসাধ্য কথা হৈ থকা নাই। বৰঞ্চ যি হাৰত কংগ্ৰেছী নেতাসকলৰ দলত্যাগৰ উজান উঠিছে, সেয়া এক ডুবন্ত জাহাজৰহে লক্ষণ। কংগ্ৰেছৰ শেষ অৱস্থা টাইটানিকৰ দৰে হ'লেও আচৰিত হ'বলগীয়া কথা নহ'ব।

কিন্তু কংগ্ৰেছৰ এই 'অকলে যোৱা' নীতিয়ে আনবোৰ বিৰোধী দলক, বিশেষকৈ বাওঁ-গণতান্ত্ৰিক শক্তিবোৰক এটা উপকাৰো কৰি দিব পাৰে। অৱশ্যে দলবোৰৰ আত্মানুসন্ধান আৰু আত্ম-উপলব্ধিৰ সৌভাগ্য কপালত লিখা আছে। ভাৰতবৰ্ষৰ অধিকাংশ জনতাই (আৰু অসমৰো) পৰিয়ালতন্ত্ৰ, ভ্ৰষ্টাচাৰ আৰু মুছলমান-তোষণৰ অপৰাধত কংগ্ৰেছক শাস্তি দিছে। অথচ বাওঁ-গণতান্ত্ৰিক শক্তিবোৰে জনতাৰ সেই 'মুড' বা বিচাৰভংগীক বুজিব নোৱাৰি কংগ্ৰেছৰ লেজুত ধৰি 'ফেচীবাদী' বিজেপিৰ ভূতটো জাৰিবলৈ বিচাৰিছে। তেওঁলোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক হিটলাৰৰ সতে আৰু বিজেপিক নাৎসী বাহিনীৰ স'তে ৰিজাই সেই দলৰ বিৰুদ্ধে যুক্তফ্ৰণ্ট গঠন কৰাৰ তত্ত্ব এটা



তৈয়াৰ কৰি লৈছে। দ্বিতীয় মহাসমৰত গঠিত মিত্ৰবাহিনীৰ দৰে; কিন্তু বৰ্তমান ভাৰতবৰ্ষত সেই তত্ত্ব যে ভাৱগত, বাস্তৱসন্মত নহয়, সেই সত্য তেওঁলোকৰ ইন্দ্ৰিয়গ্ৰাহ্য হোৱা নাই। নৰেন্দ্ৰ মোদী হিটলাৰ আৰু বিজেপি নাৎসী বাহিনী হোৱা নাই আৰু হ'ব নোৱাৰেও। হোৱা হ'লে বিৰোধী সমালোচকসকলে আৰু মৌলবাদী-মুছলমান নেতাসকলে ডিঙিৰ সিৰ ফুলাই মোদী আৰু বিজেপিক গালি-শপনি বা ভয়-ভাবুকি দি থাকিব নোৱাৰিলেহেঁতেন। তেওঁলোকে অভিযোগ কৰাৰ দৰে নৰেন্দ্ৰ মোদীয়ে সমস্ত বিৰোধীৰ মুখৰ মাত বন্ধ কৰি কাৰাগাৰত সুমুৱাই থ'লেহেঁতেন। মোদী চৰকাৰে মুষ্টিমেয় একাংশক দেশদ্ৰোহিতাৰ অভিযোগত ধৰি-বান্ধি নৰখা নহয়; কিন্তু সেইবোৰ ঘটনা ব্যতিক্ৰমহে, সাধাৰণ নহয়। ভাৰতবৰ্ষত বিজেপি ৰাজনীতিৰ পটভূমি কংগ্ৰেছেই প্ৰস্তুত কৰি দিছিল আৰু সেই ৰাজনীতিৰ ইতিবাচক বিকাশৰ সম্ভাৱনা বা অৱকাশবোৰ এতিয়াও শেষ হৈ যোৱা নাই।

**সৰ্বভাৰতীয় পৰ্যায়ত কংগ্ৰেছ দলটো এতিয়া নেতৃত্বৰ সংকটত গভীৰভাৱে নিমজ্জিত। নেহৰু-গান্ধী পৰিয়ালৰ অক্টোপাচী কৱলৰ পৰা দলটো মুক্ত হোৱাৰ সম্ভাৱনাও সুদূৰপৰাহত। অসমতো নেতৃত্বকেন্দ্ৰিক অন্তৰ্কলহ তীব্ৰ ৰূপত চলি আছে**

মাৰ্ক্সবাদীসকলে জনা উচিত যে এটা ব্যৱস্থাৰ সৃষ্টিশীলতা যেতিয়ালৈকে বাচি থাকে, তেতিয়ালৈকে তাক গাৰ জোৰেৰে উৎখাত কৰিব নোৱাৰি। ভাৰতৰ কমিউনিষ্ট আৰু গণতান্ত্ৰিক দলবোৰে মাৰ্ক্সৰ এই বাণীৰ কথা পাহৰি গৈছে আৰু কংগ্ৰেছৰ মোহিনী ৰূপত ভোল গৈ বিজেপিৰ অকাল বধৰ আখৰা চলাই আছে। কংগ্ৰেছৰ অকলে যোৱা নীতি আৰু নেতৃত্বৰ সংকটগ্ৰস্ত অৱস্থাই বাওঁ-গণতান্ত্ৰিক দলবোৰৰ চকু জোৰকৈ হ'লেও মুকলি কৰি দিব পাৰে। কংগ্ৰেছৰ মোহৰ পৰা মুক্ত হ'ব পাৰিলে এই দলবোৰে বুজি পাব যে বিজেপিৰ বৰৰ ক্ষণ এতিয়াও মিলা নাই আৰু সহায়তে চৰকাৰখনৰ প্ৰতি নেতিবাচক মনোভাৱৰ সলনি ইতিবাচক বিৰোধিতাৰ নীতিৰে অন্তিম পৰিণামৰ বাবে অপেক্ষা কৰা আৰু নিজক প্ৰস্তুত কৰাহে বাস্তৱ বুদ্ধিৰ কাম হ'ব। মানুহে নতুন ইতিহাস তৈয়াৰ কৰিব নিশ্চয় পাৰে; কিন্তু নিজৰ খেয়াল-খুচিমতে নহয়, ইতিহাসে তৈয়াৰ কৰি দিয়া বাস্তৱ পৰিৱেশ-পৰিস্থিতিতহে। বাওঁপন্থীসকলে কাৰ্ল মাক্সৰ Eighteenth Brumaire নামৰ ৰচনাখন আকৌ এবাৰ ভালকৈ পঢ়ি চোৱা ভাল। নহ'লে তেওঁলোকে আত্মবিলোপৰ গতি ৰোধ কৰিব নোৱাৰিব।

ইউডিএফৰ নেতা বদৰুদ্দিন আজমলে কৈছে যে কংগ্ৰেছৰ স'তে বিচ্ছেদৰ ফলত দুয়োটা দলেই উপকৃত হ'ব; কিন্তু কথাবোৰ ইমান সহজ নহয়; এই সম্পৰ্ক ছেদৰ ফলত ইউডিএফ লাভৱান হ'লেও কংগ্ৰেছ সদ্যহতে লাভৱান হ'ব বুলি নাভাবো। ইউডিএফৰ লগ এৰিলেই খিলঞ্জীয়া মানুহখিনিয়ে কংগ্ৰেছৰ অতীতৰ জাতিদ্ৰোহী আৰু জাতিধ্বংসৰ নীতি আৰু কাম-কাজবোৰৰ কথা পাহৰি নাযায়। আনহাতে, কংগ্ৰেছ ইউডিএফৰ শত্ৰুতাই মুছলমান অধ্যুষিত জিলাবোৰত বা সমষ্টিবোৰত মুছলমান ভোটৰ বিভাজন ঘটাই তৃতীয় পক্ষক লাভৱান কৰিব বুলি সকলোৱে জানে। গতিকে কংগ্ৰেছে দুয়োকুল হেৰুওৱাৰহে ভয় আছে। তাৰ বিপৰীতে ইউডিএফ ক্ৰমাৎ বিজেপিৰ কাষ চাপি যোৱাৰো সম্ভাৱনা আছে। নেতাসকলৰ ক্ষমতা আৰু মিঞাঁ জনসাধাৰণৰ উন্নয়নৰ স্বাৰ্থত ইউডিএফে তেনে এটা ৰাস্তা লোৱাত অস্বাভাৱিকতা একো নাই। বিজেপিয়েও মিঞাঁৰ সহযোগ পালে নিজৰ ক্ষমতা সুৰক্ষিত কৰি ৰাখিব পাৰিব।

অখিল গগৈয়ে মিত্ৰতা বিচাৰি কংগ্ৰেছৰ হাতে-ভৰিয়ে ধৰি থকাৰ কাৰণটো ৰাজনীতি-সচেতন লোকসকলৰ অজানা নহয়। ৰাইজৰ দলে অকলে প্ৰতিদ্বন্দ্বিতা কৰি উপ-নিৰ্বাচন হ'বলগীয়া কোনো এটা সমষ্টিতে নিজৰ প্ৰাৰ্থী জিকাব নোৱাৰে। কোনো সমষ্টিতে দলটোৰ বিশেষ গণভিত্তি নাই। অখিল গগৈ নিজেও জিকিছিল হাৰাতহে। কংগ্ৰেছৰ গোপন আশীৰ্বাদে তেওঁৰ জয়ৰ বাট মুকলি কৰি দিছিল। এতিয়া থাওৰা বা মৰিয়নি সমষ্টিতো ৰাইজৰ দলে কংগ্ৰেছৰ পিঠিত উঠি বিধায়কৰ আসন এখন বঢ়াবলৈ বিচাৰিছে। নহ'লে অখিলৰ দম্ভালিৰ ৰাজনীতি টিকি নাথাকে আৰু ৰাষ্ট্ৰীয় ৰাজনীতিত ঘটকালি কৰাৰ দুৰাকাংক্ষাও তেওঁৰ পূৰণ নহয়; কিন্তু কংগ্ৰেছে তেওঁৰ চতুৰালি আৰু বিশ্বাসঘাতকতাক হজম কৰিব পৰা নাই। এই উপ-নিৰ্বাচনত কংগ্ৰেছৰ স'তে মিত্ৰতা নহ'লে অখিল গগৈ তথা ৰাইজৰ দলৰ বেলুনটো যে ফুটিব, সন্দেহ নাই। সেয়ে অখিল গগৈ মিত্ৰতাৰ বাবে পাগল হৈছে; কিন্তু তেওঁৰ আৰু তেওঁৰ দলটোৰ আচল চেহেৰাটো তেওঁৰ একালৰ সতীৰ্থসকলেই উদঙাই আছে। অখিল গগৈ আৰু তেওঁৰ দলে যে কেৱল বুজাবুজিৰে ধন ঘটিবলৈহে আন্দোলন কৰে। তেওঁৰ কৃষক মুক্তিৰে প্ৰাক্তন নেতা অনুপম বৰুৱা আৰু ধৰ্মেন্দ্ৰ বৰাই ডিমৌৰ সাংবাদিকমেল এখনত সেই অভিযোগ উত্থাপন কৰিছে। তেওঁলোকে আৰু কৈছে যে থাওৰা উপ-নিৰ্বাচনত ৰাইজৰ দলৰ প্ৰাৰ্থী জয়ী হ'বলৈ হ'লে সমষ্টিটোত ছিণ্ডিকেটৰাজহে চলিব। অখিল গগৈ আৰু কৃষক মুক্তিৰ আগৰ যিবোৰ কুকীৰ্তিৰ কথা তেওঁলোকে ৰাজহুৱা কৰিছে সেইবোৰৰ বিশ্বাসযোগ্যতা একেবাৰে নোহোৱা নহয়। গগৈ আৰু তেওঁৰ দলৰ উত্থান অসমৰ ৰাজনীতিৰ বাবে আন এক অশুভ সংকেতো হ'ব পাৰে।

থাওৰা আৰু মৰিয়নি সমষ্টিৰ বিজেপিৰ সম্ভাব্য প্ৰাৰ্থী দুজন হৈছে কংগ্ৰেছৰ সদ্য দলত্যাগী বিধায়ক। ভবানীপুৰ সমষ্টিৰ সম্ভাব্য প্ৰাৰ্থীজনো ইউডিএফৰ পৰা অহা। গতিকে এই সমষ্টিকেইটাত মূল্যবোধৰ ৰাজনীতিৰ সলনি বিজেপিৰ সুবিধাবাদৰ ৰাজনীতিহে চলিব। ৰাইজেও হয়তো সেই সুবিধাবাদৰ ৰাজনীতিকেই পছন্দ কৰিব। ৰাইজৰ পৰা তেনেধৰণৰ কিবা ইংগিত বা সঁহাৰি নোপোৱা হ'লে প্ৰাৰ্থীকেইজনেও কংগ্ৰেছী বিধায়কৰ পদ ত্যাগ কৰি বিজেপিলৈ নাহিলহেঁতেন। আমাৰ ৰাজনীতিৰ বিড়ম্বনা সেইটোৱেই। ৰাইজেও একেবাৰে নিকা আৰু নীতিনিষ্ঠ ৰাজনীতি বা নেতা নিবিচাৰে। ড° হিমন্ত বিশ্ব শৰ্মাই পূৰ্বৰ সম্পৰ্কৰ সুবাদত কংগ্ৰেছী নেতাসকলক বিজেপিলৈ আনি আছে আৰু দলটোক কংগ্ৰেছীকৰণ কৰি আছে। স্বাভাৱিকতে কংগ্ৰেছৰ সংস্কৃতিয়েই এতিয়া বিজেপিতো চলিব। ড° শৰ্মাই নিজে চৰকাৰখনৰ বহু প্ৰশাসনিক সংস্কাৰৰ আঁচনি গ্ৰহণ কৰিছে। সেইবোৰ সফল হ'লে ৰাজনৈতিক-প্ৰশাসনিক দুৰ্নীতি বহু পৰিমাণে নিয়ন্ত্ৰিও হ'ব পাৰে। দুৰ্নীতিৰ শিপা একেবাৰে উভালি পেলোৱাতো দুৰ্নীতি-নিৰ্ভৰ ব্যৱস্থা এটাত সম্ভৱ নহয়; কিন্তু দুৰ্নীতিৰ পূৰ্ণ নিবাৰণ সম্ভৱ নহ'লেও জনসাধাৰণক প্ৰত্যক্ষ সকাহ দিব পৰাকৈ তাৰ নিয়ন্ত্ৰণ সম্ভৱ হ'ব পাৰে। ড° শৰ্মাই হয়তো তাকেই কৰিবলৈ বিচাৰিছে; কিন্তু তেওঁ আমদানি কৰা কংগ্ৰেছী নেতাসকলে আৰু কংগ্ৰেছী সংস্কৃতিয়ে চৰকাৰখনক আৰু প্ৰশাসনক ভিতৰৰ পৰা কূটি কূটি নাখাবনে? কিমধিকম্!

ফোন ঃ ৮৮১১৮২৭৪৩২

# অসমৰ সৰ্বদিশত দুৰ্দশাৰ বাবে জগৰীয়া কোন বুলি ভাবে?

## দৈনিক অগ্ৰদূতৰ পৰ্যালোচনা

ফণীধৰ পাঠক

আমাৰ (অসমৰ) আজিৰ এই পুতৌ লগা দিশটোৰ বাবে জগৰীয়া কোন সেই কথা একেষাৰে কোৱাটো টান। অৰ্থাৎ এটা শ্ৰেণীক অকলে জগৰীয়া কৰিবলৈ গ'লে আনটো শ্ৰেণী ধোৱা তুলসীৰ পাত হৈ নাযায়। আমাৰ আজিৰ এই দুৰ্দশাৰ বাবে আমি সকলোৱে কম-বেছি পৰিমাণে জগৰীয়া যদিও আমাক স্বাধীনতাৰ পাছৰে পৰা নানা ছলাহী কথাৰে শাসন কৰি থকা ৰাজনৈতিক দলসমূহেই মূল জগৰীয়া। কিয়নো অসমখন সুন্দৰ ৰূপত সজাবলৈ তেওঁলোকৰ হাতত আছিল (আছে) সকলো ধৰণৰ ক্ষমতা; কিন্তু তেওঁলোকে ৰাইজে প্ৰদান কৰা ৰাজনৈতিক ক্ষমতাখিনি নিজৰ বাবে প্ৰয়োগ কৰি নোদোকা হৈ পৰিল।

ৰাজ্যখনৰ বিভিন্ন দিশৰ উন্নতি সাধিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে যি ধন প্ৰদান কৰে সেইখিনি ধনৰ প্ৰায়বোৰ ধনেই (আমাৰ হাতত তথ্য আছে) মন্ত্ৰী-বিধায়ক, আমোলা বিষয়া আদিয়ে কুক্ষিগত কৰে। ইয়াৰ বাস্তৱ ছবিখন চাবলৈ হ'লে অসমৰ জনসিঞ্চন বিভাগ, পশুপালন বিভাগ আদি বিভাগৰ লগতে নিগম-নিকায় আদিলৈ চকু দিলেই সকলো স্পষ্ট হ'ব।

অৰ্থনীতিৰ সূত্ৰ মতে, কোনো এজন ধনী হ'বলৈ যোৱা মানে আন ১০ জন দুখীয়া হৈ যাব লাগিব। মন্ত্ৰী-বিধায়কৰ লগতে তেওঁলোকৰ স'তে ছাঁটোৰ দৰে লাগি থকাসকলৰ ধন-সম্পত্তি আৰু বিলাস বৈভৱ দেখিলে সেই কথা স্পষ্ট হৈ পৰে।

অসমৰ সৰ্বদিশৰ দুৰ্দশাৰ বাবে প্ৰশাসন যন্ত্ৰৰ গুৰি ধৰাসকলক এই কাৰণে প্ৰথম জগৰীয়া কৰিব লাগিব যে তেওঁলোকে অসমীয়াসকলৰ মাজত আজিলৈকে কৰ্ম-সংস্কৃতি গঢ়ি নুতুলিলে।

আমি ভাবো সময়বোৰ এতিয়াও শেষ হৈ যোৱা নাই। সকলোৱে মিলি অসমীয়াসকলৰ মাজত যদি কৰ্ম-সংস্কৃতিৰ লগতে দায়িত্ববোধ নৈতিকতাবোধ জগাই তুলিব পৰা যায়, তেন্তে মেঘ আঁতৰি যোৱাৰ দৰে অসমৰ দুৰ্দশাৰ ছবিখন আঁতৰি যাব। আমি ভাবো দুৰ্নীতিৰ লগতে কুঅভ্যাসবোৰ বিসৰ্জন দিয়াৰ এটা পৰিৱেশ গঢ়ি তুলিব লাগে। এই বদ-অভ্যাসবোৰত নিমজ্জিতসকলক কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থা কৰিব পাৰিলে অসমখন ক্ৰমশঃ উন্নতিৰ দিশলৈ গতি কৰিব। লেখক প্ৰমোদ কাকতিয়ে কয় যে অসমৰ সৰ্বদিশৰ দুৰ্দশাৰ বাবে দুৰ্বল নেতৃত্ব যেনেদৰে জগৰীয়া, ঠিক তেনেদৰে আমাৰ অদূৰদৰ্শিতা আৰু দুৰ্নীতিপৰায়ণ বিষয়াৰ লগতে এলেহুৱা স্বভাৱটোও জগৰীয়া।

লেখিকা অপৰাজিতা ভূঞাই কয় যে আমাৰ অধিকাংশ ৰাজনীতিকেই ন্যস্তস্বাৰ্থ পূৰণত অহৰ্নিশে ব্যস্ত থকা হেতুকে ৰাজ্যত উন্নয়নৰ গতি স্তব্ধ হৈ পৰিছে।

লেখক **ফণীন্দ্ৰ নাথ বৰ্মনে** কয় যে আমাৰ সৰ্বদিশত দুৰ্দশাৰ বাবে জনবিস্ফোৰণে জগৰীয়া। লেখক প্ৰদীপ কুমাৰ শৰ্মাই কয় যে আমাৰ দুৰ্দশাৰ বাবে আপোনপেটীয়া স্বভাৱ আৰু দেশৰ প্ৰতি ভাল পোৱাৰ অভাৱ।

লেখক **আব্দুল হালিম আহমেদে** কয় যে অসমৰ মানুহে কৰ্মমুখী আঁচনি ৰূপায়ণ কৰিব পাৰিলে দুৰ্দশা নাইকিয়া হ'ব।

লেখিকা **মণীষা শৰ্মাই** কয় যে আমাৰ আজিৰ দুৰ্দশাৰ বাবে প্ৰশাসনিক ব্যৱস্থাই জগৰীয়া।

লেখিকা **আশা আহমেদে** কয় যে চিন্তা-চেতনাত সংকীৰ্ণতা থাকিলে সমস্যাৰ সমাধান নহয়।

লেখিকা **পংকজা দাসে** কয় যে ৰাজ্যৰ জনপ্ৰতিনিধিসকলে অসমৰ মূল সমস্যাবোৰ সমাধান কৰাৰ নামত জনসাধাৰণক আভুৱা ভাঁৰে।

লেখিকা **মীনা তালুকদাৰে** কয় যে অসমীয়াসকলৰ কৰ্মসংস্কৃতিৰ প্ৰতি থকা অনীহাভাৱেই দুৰ্দশাৰ মূল কাৰণ।

লেখক **দিলীপ বৰ্মনে** কয় যে ৰজাৰ হৃদয়ত যেতিয়ালৈকে সাম্যবাদৰ ভাৱ জাগি নুঠিব তেতিয়ালৈকে অসমৰ দুৰ্দশা চলিয়েই থাকিব।

লেখক **আৰ্চি নাথে** কয় যে দুৰ্নীতি সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব পাৰিলে ৰাজ্যখন উন্নতিৰ দিশত আগবাঢ়িবলৈ সক্ষম হ'ব।

লেখক **পৰাণ চন্দ্ৰ দাসে** কয় যে আন্দোলন কৰিলেই জাতিৰ সৰ্বাংগীণ উন্নতি নহয়। জাতিৰ উন্নতি সাধিবলৈ হ'লে কৰ্মসংস্কৃতি গঢ়ি তুলিব লাগিব।

লেখক কুলেন বৰ্মনে কয় যে ৰাজ্যৰ উন্নয়ন সাধন কৰিব লাগিলে চৰকাৰৰ লগতে কৰ্মচাৰীসকলো সজাগ আৰু কৰ্মসংস্কৃতিমুখী হ'ব লাগিব।

লেখিকা **শিখা হাজৰিকাই** কয় যে অসমীয়াসকলে পৰমুখাপেক্ষী স্বভাৱ ত্যাগ কৰিব পাৰিলে জাতিৰ উন্নতি হ'ব।

লেখিকা **অনু বৰা হাজৰিকাই** কয় যে অসমৰ সৰ্বদিশৰ দুৰ্দশাৰ বাবে বৰ্ধিত জনসংখ্যাই মূল।

লেখক **খনীন্দ্ৰ নাথ দাসে** কয় যে অসমত পৰিকল্পনা মতে কাম নোহোৱাৰ বাবে দায়ী মন্ত্ৰী-আমোলাা বিষয়াসকল।

লেখক **বাবুল দাসে** কয় যে স্বাধীনোত্তৰ ভাৰতবৰ্ষত কংগ্ৰেছ দলে ৫০ বছৰতকৈও অধিকাল শাসন কৰিছিল।

লেখিকা **জুৰি শইকীয়াই** কয় যে দিল্লী, নাগপুৰৰ শ্ৰুতলিপিত চলা নেতাই কথাৰ ফুলজাৰি মাৰিব জানে, সমস্যাৰ সমাধান কৰিব নোৱাৰে।

লেখিকা **গিৰিজা বালা দাসে** কয় যে যিসকলৰ ছত্ৰছায়াত মদ-ভাং-ড্ৰাগছৰ বেহা চলি আছে সেইসকলেই অসমৰ আজিৰ এই অৱস্থাৰ বাবে দায়ী।

**সৰহ সংখ্যক লেখক-লেখিকাই কৰ্ম সংস্কৃতিৰ অভাৱেই অসমৰ দুৰ্দশাৰ প্ৰথম কাৰণ বুলি মন্তব্য কৰে।**

লেখিকা **দীপ্তি ঠাকুৰ গোস্বামীয়ে** কয় যে অসমত কিবা এটা স্থাপন কৰিব খুজিলেই এচামে আন্দোলন আৰম্ভ কৰি দিয়ে। তেওঁলোকেই অসমৰ উন্নতিত বাধা জন্মোৱাৰ বাবে জগৰীয়া।

লেখক **নিখিলেখ গোস্বামীয়ে** কয় আমাৰ দুৰ্দশাৰ বাবে দেশপ্ৰেমৰ অভাৱেই জগৰীয়া।

লেখক **অনিল দাসে** কয় যে কৰ্ম-সংস্কৃতি জাতিৰ মূল শক্তি। কৰ্মসংস্কৃতি অবিহনে কোনো জাতি অৰ্থনৈতিক দিশত টনকিয়াল হ'ব নোৱাৰে।

লেখক **পংকজ পল্লৱ শৰ্মাই** কয় যে ভয় কৰিব শিকিব লাগে। ভয়হীনতাই সমাজৰ দূৰদৰ্শাৰ মূল কাৰণ।

লেখক **দিলীপ কুমাৰ শৰ্মাই** কয় যে আগতে কেন্দ্ৰই সীমামূৰীয়া ৰাজ্য বুলি অসমক গুৰুত্ব দিয়া নাছিল।

লেখিকা **ৰমিছা বেগমে** কয় যে অসমৰ দুৰ্দশা আঁতৰাবলৈ হ'লে চৰকাৰৰ লগতে ৰাইজৰো সদিচ্ছা লাগিব।

লেখক **হৰেশ্বৰ বসুমতাৰীয়ে** কয় যে চৰকাৰে প্ৰকল্পৰ কামবোৰ আৰম্ভ কৰি আধৰুৱাকৈ বছৰ বছৰ ধৰি পেলাই থোৱাটোৱে দুৰ্দশাৰ মূল কাৰণ।

লেখক **জ্যোতিষ চন্দ্ৰ দত্তই** কয় যে আমাৰ সমাজত থকা অন্ধবিশ্বাসসমূহে অৰ্থনৈতিক বিকাশত আঘাত হানিছে।

লেখিকা **সুচিত্ৰা পাঠকে** কয় যে আমি আন্দোলনকাৰী ৰাজ্য হিচাপেহে পৰিচিত। স্বাভিমানী কৰ্মঠ জাতি হিচাপে নহয়।

লেখিকা **অঞ্জনা দাস হাজৰিকাই** কয় যে চৰকাৰে নিবনুৱা সমস্যা সমাধান কৰিব নোৱৰাটোৱে অসমৰ দুৰ্দশাৰ কাৰণ।

লেখক **বলোৰাম ডেকাই** কয় যে শুভ চেতনাৰ কামনা নকৰা লোকৰ বাবেই ৰাজ্যৰ উন্নতি হোৱা নাই।

লেখিকা **অঞ্জলিকা চক্ৰৱৰ্তীয়ে** কয় যে চৰকাৰৰ আধৰুৱা আঁচনিবোৰেই উন্নতিত হেঙাৰ হৈছে। আৰক্ষী পৰিদৰ্শক **গৰ্গেশ্বৰ দাসে** কয় যে যুৱ প্ৰজন্মৰ স্খলন, পৰমুখাপেক্ষিতা, কামৰ প্ৰতি অনীহা, পৰশ্ৰীকাতৰ, ঈৰ্ষা পৰায়ণতা আদিবোৰেই অসমৰ সৰ্বদিশৰ দুৰ্দশাৰ কাৰণ।

লেখিকা **জ্যোৎস্না কলিতাই** কয় যে কৰ্মমুখী আঁচনি ৰূপায়ণ কৰিব পাৰিলে অসমৰ পৰা দুৰ্দশা নোহোৱা হ'ব।

লেখক **কিৰণ চন্দ্ৰ দাসে** কয় যে বিজেপি চৰকাৰৰ পূৰ্বে শাসনত থকা চৰকাৰে যদি সকলো বেআইন কাৰ্যকলাপত হস্তক্ষেপ কৰিলেহেঁতেন, তেতিয়াহ'লে আমি আজি এখন সুন্দৰ সমাজ লাভ কৰিলোহেঁতেন।

# শিক্ষাৰ মাধ্যম আৰু সাহিত্য সংস্কৃতি

আপোনাৰ সন্তানটিয়ে কোন মাধ্যমৰ বিদ্যালয়ত পঢ়ে ? আপোনাৰ সন্তানটিয়ে মাতৃভাষা অৰ্থাৎ আমাৰ অসমীয়া ভাষা টি লিখিব বা পঢ়িব পাৰেনে ? এইধৰণৰ কথা বতৰা বা চিন্তা চৰ্চা চলি থকাৰ সময়তে এতিয়া আন এটি অতি প্ৰাসংগিক প্ৰশ্ন হ'ল - অসমীয়া ভাষা, সাহিত্য, অসমীয়া কলা - কৃষ্টি, সংস্কৃতি ভৱিষ্যত প্ৰজন্মৰ হাতত কিদৰে সুৰক্ষিত কৰিব পৰা যাব ? প্ৰশ্নটিয়ে নিশ্চয় সচেতন সকলৰ মনত দোলা দি গৈছে ।

আমাৰ দৃষ্টিত - বিদ্যালয়ৰ মাধ্যম এই ক্ষেত্ৰত সম্পূৰ্ণভাৱে জগৰীয়া হ'ব নোৱাৰে । এই ক্ষেত্ৰত পিতৃ-মাতৃ, অভিভাৱক সকলৰো কৰিবলগীয়া বহুখিনি আছে। কিয়নো বাস্তৱসন্মতভাৱে বিশ্লেষণ কৰিলে দেখা যায় - বৰ্তমান যুগটোত প্ৰতিযোগিতামূলক পৰিস্থিতিৰ স'তে মোকাবিলা কৰি নিজৰ ভৱিষ্যত জীৱন সুন্দৰ আৰু নিজৰ শিক্ষায়তনিক জীৱনৰ জখলা বগাবলৈ নিঃচৰ্তভাৱে ইংৰাজীৰ যথাযথ শিক্ষা প্ৰাথমিক স্তৰৰ পৰা পাবই লাগিব। কিন্তু ইংৰাজী মাধ্যমত অধ্যয়ন কৰিলে বুলিয়েই নিজৰ মাতৃভাষাটিক এলাগী কৰি 'মোৰ ল'ৰা বা ছোৱালীজনীয়ে অসমীয়া পঢ়িব বা লিখিব আনকি ক'বও নাজানে'- বুলি সন্তানটিৰ সন্মুখতে দম্ভালি মাৰি নিজৰ জাতীয়তাবোধৰ ফোপোলা স্বৰূপ আৰু ভণ্ডামীৰ মুখা খোলা এনে বহু পিতৃ মাতৃয়ে নিজেই যে নিজৰ সন্তানটিক ক্ৰমাৎ অন্ধকাৰলৈ ঠেলি দি আছে, সেয়া নক'লেও হ'ব । আজি কালি ইংৰাজী মাধ্যমৰ বিদ্যালয় এখনত নামভৰ্তি কৰাব পাৰিলেই যেন ৰক্ষা পায় তেনে তথাকথিত অভিভাৱকসকলে ভাৱি লয়, তেওঁলোকৰ সন্তানৰ ভৱিষ্যত সুৰক্ষিত হৈ গ'ল । এটা কথা ঠিক যে নিজৰ মাতৃভাষা ভালদৰে নাজানিলে আৰু শুদ্ধকৈ নিশিকিলে পৃথিৱীৰ কোনো ভাষা শুদ্ধ আৰু ভালদৰে আয়ত্ব কৰিব নোৱাৰি । তেনে ক্ষেত্ৰত এই সকল শিশুৰ ভৱিষ্যত কিদৰে সুন্দৰ হ'ব - সেয়া চিন্তনীয় । কথা হ'ল, শিশু যি মাধ্যমতেই নপঢ়ক, সি তাৰ শিক্ষানুষ্ঠানত থাকে দিনটোৰ 24 ঘন্টাৰ অতি বেছি 5-6 ঘন্টা। বাকীখিনি সময় শিশুটি ঘৰত থাকে, মাক দেউতাকৰ লগত । গতিকে আজি আমাৰ আপোন মাতৃভাষা, অসমীয়া সাহিত্য-সংস্কৃতিৰ ভৱিষ্যত সুৰক্ষাৰ বাবে আজিৰ প্ৰতিগৰাকী পিতৃ মাতৃৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য হ'ল— নিজৰ সন্তানটি যি মাধ্যমতে নপঢ়োৱাওক, অন্ততঃ ঘৰত থকা সময়খিনিত নিচেই সৰুৰে পৰাই অসমীয়াত কথা পাতিবলৈ, সম্বন্ধীয় মানুহখিনিক 'আংকল', 'আন্টি' জাতীয় ইংৰাজী শব্দৰ ঠাইত আমাৰ অসমীয়া নিভাঁজ আপোন শব্দবোৰেৰে সম্বোধন কৰিবলৈ , অসমীয়া সংস্কৃতি, গীত মাত আদিৰ চৰ্চা কৰিবলৈ এক সুস্থ সবল পৰিৱেশ গঢ়াত মনোনিবেশ কৰা। সৰুৰে পৰা অন্ততঃ অসমীয়া মাটিৰ গোন্ধ থকা থলুৱা গীত-মাতসমূহ চৰ্চা কৰিবলৈ, অসমৰ মহান মনিষী সকলৰ জীৱনী অধ্যয়ন কৰিবলৈ, সাধু কিতাপ, শিশু উপযোগী গ্ৰন্থ আদি অধ্যয়ন কৰিবলৈ প্ৰতিগৰাকী শিশুক যদি নিজৰ মাক দেউতাক বা পৰিয়ালৰ আন সকলে এক পৰিৱেশ দিয়ে, তেনেহ'লে আপোনা আপুনি শিশুটিৰ মনত অসম আৰু অসমীয়া জাতি, মাটি, কৃষ্টি সংস্কৃতিৰ প্ৰতি ভালপোৱা ভাৱ জাগৃত হ'ব । সি যি ধৰণৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়তে নপঢ়ক কিয়, পৰৱৰ্তী কালত নিজৰ আপোন ভাষা-সাহিত্য, কলা-সংস্কৃতিৰ চৰ্চা কৰাৰ বাবে আগ্ৰহী হ'ব । আজি সময়ৰ আহ্বান মানি লৈ এক সুন্দৰ ভৱিষ্যতৰ বাবে নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানত নামভৰ্তি কৰালেও প্ৰতিগৰাকী পিতৃ মাতৃয়ে যদি ঘৰত শিশুটিক অসমীয়াত কথা বতৰা পতা বা সাহিত্য-সংস্কৃতি চৰ্চাৰ পৰিৱেশ গঢ়ি তুলিব পাৰে তেন্তে নিশ্চয় ভৱিষ্যতে আমাৰ সাহিত্য সংস্কৃতি সুস্থ সবল হৈ বিশ্বত জিলিকি থাকিব। নিজৰ পিতৃ মাতৃয়ে যিহেতু সন্তানটিৰ সুন্দৰ ভৱিষ্যতৰ বাবে ইংৰাজী মাধ্যমত নামভৰ্তি কৰাইছে বা পঢ়োৱাইছে, তেওঁলোকে নিশ্চয় আধৰুৱা শিক্ষাৰে শিক্ষিত কৰি নিজৰ সন্তানটিক ভৱিষ্যতে আন দহজনৰ ওচৰত 'ভুচুং পহু' বা হাঁহিয়াতৰ পাত্ৰ হোৱাতো কামনা নকৰে। নিজৰ মাতৃভাষা নিজৰ সাহিত্য কৃষ্টি-সংস্কৃতিৰ জ্ঞানৰ অবিহনে কেতিয়াও শিক্ষা সম্পূৰ্ণ হ'ব নোৱাৰে ।

**হিমাংশু ৰণ্জন ভূঞা**

# চৰকাৰে শিক্ষা ল'বনে?

অভিমত

যোৱা ১১ ছেপ্টেম্বৰৰ 'দৈনিক অগ্ৰদূত'ৰ সম্পাদকীয় লেখাটো পঢ়িলো। ভাৰত স্বাধীন হোৱাৰ ৭৫ বছৰ হ'ল। দেশে এতিয়া স্বাধীনতাৰ 'অমৃত মহোৎসৱ' পালন কৰি আছে। এই ৭৫ বছৰত কিমান চৰকাৰ আহিল, কিমান চৰকাৰ গ'ল তাৰ হিচাপ নাই। কোন দলে কিমান বছৰ শাসনৰ বাঘজৰী হাতত লৈ ৰাজ্যখন শাসন কৰিলে। ইমানদিনে যোৰহাট-মাজুলী সংযোগী দলং এখন নহ'ল। ৭৫ বছৰৰ ভিতৰত গংগাত কিমান দলং হ'ল, নৰ্মদাত, কাবেৰীত, সিন্ধুত, ব্যাস নদীত, যমুনা আদিত কিমান দলং হ'ল তাৰ হিচাপ নাই। হিমালয় অঞ্চলত কিমান সুৰংগ পথ নিৰ্মাণ হ'ল এই ৭৫ বছৰৰ ভিতৰত? কিন্তু মাজুলী এলাগী হৈ থাকিল। ভাজপা চৰকাৰে পাঁচ বছৰ শাসন কৰিলে। এই চৰকাৰৰ দিনত ব্ৰহ্মপুত্ৰত হোৱা এইটোৱে ডাঙৰ দুৰ্ঘটনা। কেইবছৰমান আগতে, গুৱাহাটী-উত্তৰ গুৱাহাটী ফেৰীতো এনে ঘটনা ঘটিছিল। নিমাতীঘাটত ঘটা দুৰ্ঘটনাৰ দিনাই উত্তৰ প্ৰদেশৰ গংগাতো নাও ডুবি ছজন লোকৰ মৃত্যু হৈছে। সৌ সিদিনা শৰাইঘাট দলঙৰ ৰেলিঙত খুন্দা মাৰি গাড়ী তলত পৰাত দুজন যুৱক-যুৱতীৰ মৃত্যু হ'ল। এনে ঘটনা আগতেও বহুবাৰ হৈছে। ভাজপা চৰকাৰে যি তৎপৰতাৰে ৰাজ্যখনৰ উন্নতিৰ বাবে কাম কৰিছে তাৰে আমি উন্নতিৰ পথ প্ৰশস্ত হ'ব বুলি আশা কৰিছো।


দুৰ্ঘটনা ঘটাৰ পাছত মাজুলীৰ ৰাইজে চৰকাৰৰ বিৰুদ্ধে যি ধৰণৰ বিক্ষোভ প্ৰদৰ্শন কৰিলে তাৰো প্ৰয়োজন আছে। এই দুৰ্ঘটনাই হয়তো দলং নিৰ্মাণৰ কাম খৰতকীয়া কৰিব। এই ঘটনাত যিসকলে প্ৰাণ হেৰুৱালে তেওঁলোকৰ আত্মাৰ সদ্গতি কামনা কৰি শোকাৰ্ত পৰিয়াললৈ সমবেদনা জনাইছো আৰু যিসকলে দেহে-কেহে, দিনে-ৰাতিয়ে মৰণপণ কৰি শতাধিক লোকৰ প্ৰাণ ৰক্ষা কৰিলে তেওঁলোকক ভগৱান স্বৰূপে শ্ৰদ্ধা-ভক্তি নিবেদন কৰিছো।

**আচাৰ্য ড° সুদামা,** ফোন ঃ ৯৪৩৫৪০৩৩৩৫

দৈনিক অগ্ৰদূত



## নিৰ্বাচন শেষ, বিৰোধীৰ কণ্ঠৰোধৰে পুনৰ ক্ৰেমলিন দখল পুটিনৰ দলৰ



**নিউজ ব্যুৰ', মস্কো, ২০ ছেপ্টেম্বৰ ঃ** ৰাছিয়াৰ সদনৰ নিম্নকক্ষ 'ডুমা' পুনৰ দখল কৰিলে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ দল ইউনাইটেড ৰাছিয়াই। যোৱা শুকুৰবাৰে 'ডুমা'ৰ ৪৫০ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছিল। আজি আংশিক ফলাফল প্ৰকাশৰ পাছত স্পষ্ট হয় যে 'ডুমা'ত ক্ষমতা ধৰি ৰাখিবলৈ সফল হোৱাৰ পথত অগ্ৰসৰ হৈছে পুটিনপন্থী শাসকীয় দলটো। 'ডুমা'ৰ মুঠ আসনৰ তিনি-চতুৰ্থাংশ দখল কৰিলে পুটিনৰ সমৰ্থক ইউনাইটেড ৰাছিয়া দলে। শাসকীয় দলটোৰ এই জয়লাভৰ ফলত ৰাছিয়াত পুটিনৰ শক্তি অধিক বৃদ্ধি পালে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। এই মুহূৰ্তত আংশিক ফলাফলে স্পষ্ট কৰিছে যে আগন্তুক দিনত পুটিনক প্ৰত্যাহ্বান জনাব পৰাকৈ ৰুছ ৰাজনীতিত বৰ্তমানে কোনো প্ৰতিদ্বন্দ্বী নেতা নাই। অৱশ্যে ইউনাইটেড ৰাছিয়াৰ এই জয়ৰ নেপথ্যত ক্ৰেমলিনৰ দীৰ্ঘদিনীয়া দমন-পীড়ন নীতি নিহিত আছে বুলি অভিযোগ উত্থাপিত হৈছে।

## দিল্লীত চলিত বৰ্ষত ২১১ ডেংগি আক্ৰান্তক চিনাক্ত, বিগত এসপ্তাহত ৫৩ জন আক্ৰান্ত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** ৰাজধানী দিল্লীত বিগত এসপ্তাহত নতুনকৈ ৫০ জনৰো অধিক লোক ডেংগিত আক্ৰান্ত হ'ল। চলিত বৰ্ষত বৰ্তমানলৈকে দিল্লীত ২১১ জন লোক ডেংগিত আক্ৰান্ত হৈছে। চলিত মাহত যোৱা ১৮ ছেপ্টেম্বৰলৈকে ৮৭ জন লোকৰ শৰীৰত ডেংগিৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল। ২০১৯ৰ পাছত দেশৰ ৰাজধানী চহৰখনত সৰ্বাধিকসংখ্যক ডেংগি আক্ৰান্তক ধৰা পেলোৱা হৈছে। যোৱা আগষ্টত দিল্লীত ৭২ জন লোক মহবাহিত এই ৰোগত আক্ৰান্ত হৈছিল। ডেংগিৰ প্ৰকোপ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি দিল্লী চৰকাৰৰ স্বাস্থ্য বিভাগে এই ৰোগৰ সংক্ৰমণ প্ৰতিৰোধৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ৰাজধানীবাসীকো প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে।

### বিদেশ ভ্ৰমণৰ পৰিৱৰ্তে আন দেশৰ ৰাষ্ট্ৰনেতাৰ স'তে ফোনযোগে যোগাযোগ অব্যাহত ৰাখিছে চীনা ৰাষ্ট্ৰপতিয়ে

# কিয় ৬০০ দিন ধৰি নিজকে ঘৰতে বন্দী কৰি ৰাখিছে জিনপিঙে?

**নিউজ ব্যুৰ' বেইজিং, ২০ ছেপ্টেম্বৰ ঃ** চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে স্বাস্থ্যজনিত কাৰণত দীৰ্ঘদিন ধৰি নিজকে দেশৰ ভিতৰতে আবদ্ধ কৰি ৰাখিছে। চীনৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি বিগত ৬০০ দিন ধৰি বিদেশ ভ্ৰমণৰ পৰা বিৰত আছে চীনৰ ৰাষ্ট্ৰপতিজন। অন্তিমবাৰ ২০২০ৰ ১৮ জানুৱাৰীত জিনপিঙে ম্যানমাৰ ভ্ৰমণ কৰিছিল। এই ভ্ৰমণৰ পাছৰে পৰা চীনৰ ৰাষ্ট্ৰপতিয়ে কোনো বিদেশী ৰাষ্ট্ৰ ভ্ৰমণ কৰা নাই। কেৱল বিদেশ ভ্ৰমণৰ পৰা বিৰত থকাই নহয়, জিনপিঙে দেশৰ ভিতৰতো ৰাজহুৱা অনুষ্ঠানত বিগত ৬০০ দিনত অতি সীমিত সংখ্যকবাৰহে অংশ লৈছিল। নিজে বৈঠকত উপস্থিত থকাৰ পৰিৱৰ্তে জিনপিঙে বিগত প্ৰায় দুবছৰ ধৰি ভাৰ্চুৱেল বৈঠকতে নিজক আবদ্ধ ৰাখিছে। 'ব্লুমবৰ্গ'ৰ প্ৰতিবেদন অনুসৰি চীনা ৰাষ্ট্ৰপতিয়ে বিদেশ ভ্ৰমণৰ পৰিৱৰ্তে আন দেশৰ ৰাষ্ট্ৰনেতাৰ স'তে ফোনযোগে যোগাযোগ অব্যাহত ৰাখিছে। যোৱা শুকুৰবাৰেও জিনপিঙে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ স'তে ফোনযোগে বাৰ্তালাপ কৰিছিল। ব্ৰিক্ছ শীৰ্ষ সন্মিলনতো জিনপিঙে ভাৰ্চুৱেল পদ্ধতিৰে অংশ লৈছিল।



চীনত বৰ্তমানে কৰ'নাৰ ভয়াৱহ পৰিস্থিতি নাই, কিন্তু ইয়াৰ পাছতো জিনপিঙে বিদেশ যাত্ৰা এৰাই চলাটো আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত এক তাৎপৰ্যপূৰ্ণ ঘটনা বিবেচিত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, চীনত কৰ'নাৰ সংক্ৰমণ প্ৰথম ধৰা পৰাৰ পাছতে জিনপিঙে নিজকে বিদেশ ভ্ৰমণৰ পৰা আঁতৰাই ৰাখিছিল। কিন্তু বৰ্তমানেও চীনা ৰাষ্ট্ৰপতিয়ে এইদৰে বিশ্বৰ আন দেশৰ পৰা নিজৰ আঁতৰাই ৰখাৰ মূল কাৰণ হৈছে কৰ'নাৰে সংক্ৰমণ। বিশেষজ্ঞসকলৰ ধাৰণা অনুসৰি, চীনত ক'ভিডৰ সংক্ৰমণ নিয়ন্ত্ৰিত হ'লেও বিশ্বৰ আন বহু দেশত এই ভাইৰাছৰ ব্যাপক সংক্ৰমণ এতিয়াও অব্যাহত আছে। গোলকীয় ক'ভিড সংক্ৰমণৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখিয়ে জিনপিঙে বিদেশ ভ্ৰমণৰ পৰা আঁতৰি থকা বুলি ধাৰণা কৰা হৈছে।



## মমতাক সাক্ষাৎ কৰি বাবুলে ক'লে 'দিদি সবাতোকৈ শক্তিশালী প্ৰধানমন্ত্ৰীৰ প্ৰাৰ্থী'

**নিউজ ব্যুৰ', কলকাতা, ২০ ছেপ্টেম্বৰ ঃ** বিজেপি ত্যাগ কৰি তৃণমূল কংগ্ৰেছত যোগদান কৰা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বাবুল সুপ্ৰিয়ই আজি পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছ নেত্ৰী মমতা বেনাৰ্জীক সাক্ষাৎ কৰে। এই সাক্ষাতৰ পূৰ্বে সংবাদ মাধ্যমৰ আগত বাবুলে কয় যে মমতা হৈছে ২০২৪ৰ বিৰোধী দলৰ মুখ্য নেত্ৰী। প্ৰধানমন্ত্ৰী পদৰ বাবেও মমতা সবাতোকৈ শক্তিশালী প্ৰাৰ্থী বুলি বাবুলে অভিহিত কৰে। '২০২৪ত মমতা বেনাৰ্জী প্ৰধানমন্ত্ৰী হোৱাটো মই বিচাৰো। এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে মমতা হৈছে এই মুহূৰ্তত বিৰোধীৰ সবাতোকৈ শক্তিশালী প্ৰাৰ্থী।' এইদৰে মন্তব্য কৰি বাবুলে লগতে কয় যে তৃণমূল কংগ্ৰেছত যোগদান কৰি তেওঁ যথেষ্ট সকাহ অনুভৱ কৰিছে আৰু এতিয়া তেওঁ ৰাজনীতিৰ লগতে নতুন গীতো সৃষ্টি কৰিব পাৰিব।

# ৰাছিয়াৰ বিশ্ববিদ্যালয়ত বন্দুকধাৰীৰ আক্ৰমণত নিহত কমেও আঠজন

**নিউজ ব্যুৰ', মস্কো, ২০ ছেপ্টেম্বৰ ঃ** এইবাৰ ৰাছিয়াৰ বিশ্ববিদ্যালয়ত বন্দুকধাৰীয়ে চলালে ভয়াৱহ আক্ৰমণ। সংবাদ সংস্থাৰ খবৰ অনুসৰি, ৰাছিয়াৰ পাৰ্ম ষ্টেট বিশ্ববিদ্যালয়ত এটি বিল্ডিঙত হঠাতে এজন কিশোৰে গুলিবৰ্ষণ কৰে। জধে-মধে চলোৱা গুলিবৰ্ষণৰ ঘটনাত কমেও আঠজন ছাত্ৰ-ছাত্ৰী নিহত হোৱাৰ লগতে কমেও ছজন গুৰুতৰভাৱে আহত হয়। হঠাতে ক'লা মুখা পৰিধান কৰা দুষ্কৃতিকাৰীয়ে বিশ্ববিদ্যালয়ত এটা বিল্ডিঙত প্ৰৱেশ কৰি ধাৰাসাৰ গুলিবৰ্ষণ কৰিছিল আৰু লগে লগে তিনিজন ছাত্ৰ-ছাত্ৰীয়ে ঘটনাস্থলীতে মৃত্যু হৈছিল। পাছত মৃতকৰ সংখ্যা আঠজনলৈ বৃদ্ধি পায়। ঘটনাৰ খবৰ লাভৰ পাছতে অৰ্ধসামৰিক বাহিনী বিশ্ববিদ্যালয়ত উপস্থিত হৈ অভিযান চলায় আৰু সেনাৰ গুলিত আক্ৰমণকাৰীৰ মৃত্যু হয়। ৰাছিয়াৰ তদন্তকাৰী সংস্থাৰ মতে আক্ৰমণকাৰীৰ বয়স ১৮ বছৰ আৰু তেওঁৰ নাম টিমুৰ বেকমানছুৰভ। আক্ৰমণকাৰী টিমুৰো উক্ত বিশ্ববিদ্যালয়ৰে ছাত্ৰ আছিল। কি কাৰণত ছাত্ৰজনে বিশ্ববিদ্যালয়ত আক্ৰমণ সংঘটিত কৰিলে সেয়া এতিয়াও জানিব পৰা হোৱা নাই।





## ছুটী উপভোগৰ বাবে ছিমলাত উপস্থিত ছোনিয়া

**নিউজ ব্যুৰ', ছিমলা, ২০ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধীয়ে আজি হিমাচল প্ৰদেশৰ ছিমলাত উপস্থিত হয়। পুৱা ১০-৪৫ বজাত ছোনিয়াই ছিমলাত উপস্থিত হৈছিল। ছুটী উপভোগৰ বাবে কংগ্ৰেছ সভানেত্ৰীগৰাকীয়ে ছিমলাত থকা তেওঁৰ কন্যা প্ৰিয়ংকা গান্ধী ভদ্ৰাৰ বাসগৃহত তিনিদিন অতিবাহিত কৰিব। উল্লেখ্য যে তিনিদিন পূৰ্বে প্ৰিয়ংকায়ো পৰিয়ালসহ দিল্লীৰ পৰা ছিমলাত উপস্থিত হৈছিল। ছোনিয়াই ইয়াৰ পূৰ্বে ২০১৮ৰ ২২ মাৰ্চতো ছিমলাত অন্তিমবাৰৰ বাবে ভ্ৰমণাৰ্থে উপস্থিত হৈছিল। ক'ভিড কালত বিগত ডেৰ বছৰত কংগ্ৰেছ সভানেত্ৰীগৰাকীয়ে সৰহ সময় দিল্লীতে অতিবাহিত কৰিছিল।

## সক্ৰিয় ৰোগী হ্ৰাস ১৪ হেজাৰ, দৈনিক সংক্ৰমণ ৩০,২৫৬ জন



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** একেৰাহে পঞ্চমদিনৰ বাবে দেশত ক'ভিডৰ দৈনিক সংক্ৰমণ ৩০ হেজাৰৰ ঊৰ্ধ্বত আছে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৩০,২৫৬ জন। বৰ্তমানলৈকে দেশত তিনি কোটি ৩৪ লাখ ৭৮ হেজাৰ ৪১৯ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। অৱশ্যে দেশত দৈনিক সংক্ৰমণৰ হাৰ ২.৫৭ শতাংশ বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ২৯৫ জন ক'ভিড ৰোগীৰ প্ৰাণ কাঢ়িলে এই ভাইৰাছৰ সংক্ৰমণে। অতিমাৰীৰ সমগ্ৰ পৰ্বটোত ভাৰতত চাৰি লাখ ৪৫ হেজাৰ ১৩৩ জন লোকৰ মৃত্যু হ'ল। যোৱা ২৪ ঘণ্টাত দেশত সক্ৰিয় ৰোগীৰ সংখ্যা প্ৰায় ১৪ হেজাৰ হ্ৰাস পালে। বৰ্তমানে ভাৰতত তিনি লাখ ১৮ হেজাৰ ১৮১ জন সক্ৰিয় ক'ভিড ৰোগী আছে। ইয়াৰে কেৱল কেৰালাতে আছে ডেৰ লাখ কৰ'না ৰোগী।



## দিল্লীত পুনৰ কৰ'নাৰ সংক্ৰমণ বৃদ্ধি, ৪০০ৰো অধিক সক্ৰিয় ক'ভিড ৰোগী

**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** দিল্লীত পুনৰ কৰ'না ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি পাইছে। যোৱা শুকুৰবাৰে ৰাজধানী চহৰখনত আঠদিনৰ পাছত প্ৰথমবাৰৰ বাবে ক'ভিডত আক্ৰান্ত এজন ৰোগীৰ মৃত্যু হৈছিল। যোৱা শুকুৰবাৰলৈকে দিল্লীত ক'ভিডত আক্ৰান্ত হোৱা মুঠ ২৫,০৮৪ জন লোকৰ মৃত্যু হ'ল। বৰ্তমানে দিল্লীত ৪০০ ৰো অধিক সক্ৰিয় ক'ভিড ৰোগী আছে। ১১০ জনৰো অধিক ক'ভিড ৰোগীয়ে ৰাজধানী চহৰখনত নিভৃতবাসত আছে। শেহতীয়াভাৱে দিল্লীত কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ লগতে মৃত্যুৰ হাৰো ১.৭৪ শতাংশ বৃদ্ধি পায়। বৰ্তমানে দিল্লীত ৯৪টা কণ্টেইনমেণ্ট জ'ন আছে।



## পঞ্জাৱৰ নতুন মুখ্যমন্ত্ৰী সন্দৰ্ভত মায়াৱতীৰ তীব্ৰ প্ৰতিক্ৰিয়া

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২০ ছেপ্টেম্বৰ ঃ পঞ্জাৱত চৰণজিৎ সিং চান্নিক মুখ্যমন্ত্ৰী নিযুক্ত কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে বহুজন সমাজ পাৰ্টিৰ নেত্ৰী মায়াৱতীয়ে। উল্লেখ্য যে পঞ্জাৱত কংগ্ৰেছে দলিত নেতা চৰণজিতক মুখ্যমন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰিছে। দলিত নেত্ৰী মায়াৱতীয়ে এই সন্দৰ্ভত আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে পঞ্জাৱৰ আসন্ন বিধানসভাৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কংগ্ৰেছে এইদৰে এজন দলিত নেতাক মুখ্যমন্ত্ৰী নিযুক্ত কৰিছে যদিও কিছুদিনৰ বাবেহে চৰণজিতে ৰাজ্যখনত শীৰ্ষ পদত বাহাল থাকিব পাৰিব। কংগ্ৰেছে পঞ্জাৱত দলিতক প্ৰতাৰণা কৰা আৰু প্ৰলোভন দিয়াৰো অভিযোগ উত্থাপন কৰিলে মায়াৱতীয়ে। বহুজন সমাজ পাৰ্টিৰ নেত্ৰীগৰাকীয়ে কয় যে চৰণজিতক মুখ্যমন্ত্ৰী নিযুক্ত কৰাক লৈ পঞ্জাৱৰ দলিতসকলে আনন্দিত হোৱাৰ কাৰণ নাই আৰু পঞ্জাৱত দলিতই কংগ্ৰেছৰ পৰা আঁতৰি থকা উচিত।**

# একাধিক বিতৰ্কৰ স'তে জড়িত পঞ্জাৱৰ নতুন মুখ্যমন্ত্ৰী, মহিলা বিষয়ালৈ অশ্লীল বাৰ্তা প্ৰেৰণৰো আছিল অভিযোগ

**নিউজ ব্যুৰ', জলন্ধৰ, ২০ ছেপ্টেম্বৰ ঃ** পঞ্জাৱৰ নতুন শিখ দলিত মুখ্যমন্ত্ৰী চৰণজিৎ সিং চান্নি পূৰ্বৰে পৰা একাধিক বিতৰ্কৰ স'তে জড়িত। দেওবাৰে চৰণজিতক কংগ্ৰেছে নতুন মুখ্যমন্ত্ৰী ঘোষণা কৰাৰ পাছত তেওঁৰ বিৰুদ্ধে পূৰ্বে উত্থাপিত একাধিক অভিযোগ সামাজিক মাধ্যমত পুনৰ চৰ্চিত হৈছে। চৰণজিতে পূৰ্বে 'টছ' কৰি নিযুক্তি প্ৰদানৰে বিতৰ্কৰ সৃষ্টি কৰিছিল। তদুপৰি এগৰাকী মহিলা আই এ এছ বিষয়ালৈ আপত্তিজনক বাৰ্তা প্ৰেৰণ কৰাৰ অভিযোগো নৱ নিযুক্ত মুখ্যমন্ত্ৰীজনৰ বিৰুদ্ধে পূৰ্বে উত্থাপিত হৈছিল। চৰণজিতৰ বিৰুদ্ধে ২০১৮ত মহিলা আই এ এছ বিষয়াই এই অভিযোগ উত্থাপন কৰিছিল। পাছত চৰণজিতক তদানীন্তন মুখ্যমন্ত্ৰী কেপ্টেইন অমৰিন্দৰ সিঙে ক্ষমা খুজিবলৈ নিৰ্দেশ দিছিল আৰু ইয়াৰ পাছত বিষয়টো তল পৰিছিল। চৰণজিতে কাৰিকৰী শিক্ষামন্ত্ৰী হৈ থকাৰ সময়ত তিনি বছৰ পূৰ্বে পলিটেকনিক ইনষ্টিটিউটত নিযুক্তিপ্ৰাপ্ত দুজন অধ্যাপকে একে স্থানত নিযুক্তি বিচৰাত 'টছ' কৰি নিযুক্তিৰ স্থান নিৰ্বাচন কৰি মন্ত্ৰী হিচাপে তেওঁ বিতৰ্কৰ সৃষ্টি কৰিছিল। জ্যোতিষীৰ পৰামৰ্শ মানি চলা চৰণজিতে জ্যোতিষীৰ দিহাতে পঞ্জাৱৰ মুখ্যমন্ত্ৰী হ'বলৈ নিজৰ বাসগৃহৰ পৰা হাতীত উঠি অহা-যোৱা কৰিছিল। এই কাৰ্যৰ জৰিয়তেও পঞ্জাৱৰ নৱ নিযুক্ত মুখ্যমন্ত্ৰীজনে পূৰ্বে বিতৰ্কৰ সৃষ্টি কৰিছিল। চৰণজিতে ২০১৭ত ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ সন্দৰ্ভত গৱেষণা কৰিবলৈ পি এইচ ডিৰ প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও উত্তীৰ্ণ হ'ব নোৱাৰিলে।



# মানহানিৰ গোচৰত আদালতত হাজিৰ হৈ কংগনাই কৰিলে গুৰুতৰ অভিযোগ

**নিউজ ব্যুৰ', মুম্বাই, ২০ ছেপ্টেম্বৰ ঃ** বলিউডৰ বিতৰ্কিত অভিনেত্ৰী কংগনা ৰণৌটে আজি তেওঁৰ বিৰুদ্ধে গীতিকাৰ-চিত্ৰনাট্যকাৰ জাভেদ আখতাৰে তৰা মানহানিৰ গোচৰত আদালতৰ শুনানিত অংশ ল'লে। বিগত শুনানিত কংগনাই হাজিৰ নোহোৱাত আদালতে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰাৰ লগতে অভিনেত্ৰীগৰাকীৰ বিৰুদ্ধে পৰৱৰ্তী শুনানিত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিব বুলিও ধমক দিছিল। আজি আন্ধেৰী আদালতত কংগনা উপস্থিত হোৱাৰ পাছত শুনানিত তেওঁৰ অধিবক্তাই অভিযোগৰাকী আখতাৰৰ বিৰুদ্ধে ভাবুকি দিয়াৰ আৰু ধন দাবী কৰাৰ অভিযোগ উত্থাপন কৰে। আদালতৰ ন্যায়াধীশৰ বিৰুদ্ধেও কংগনাৰ অধিবক্তাই চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰে। আদালতত শুনানিৰ পাছত কংগনাৰ অধিবক্তা ৰিজৱান ছিদ্দিকীয়ে সংবাদ মাধ্যমৰ আগত কয়, 'জাভেদ আখতাৰে কংগনা ৰণৌট আৰু তেওঁৰ ভগ্নী ৰংগোলিক নিজৰ ঘৰলৈ মাতি নি ভাবুকি দিছিল। কংগনাই এই বিষয়ত সংবাদ মাধ্যমৰ আগত পূৰ্বেও অভিযোগ কৰিছিল। এতিয়া জাভেদ আখতাৰে যথেষ্ট আক্ৰমণাত্মকভাৱে গোচৰ চলাইছে আৰু কংগনায়ো নিজৰ পক্ষত আখতাৰৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছে।' কংগনাৰ অধিবক্তাই লগতে কয় যে মানহানিৰ গোচৰৰ শুনানি গ্ৰহণ কৰা ন্যায়াধীশৰ প্ৰতি কংগনাৰ কোনো আস্থা নাই আৰু সেয়েহে তেওঁ এই গোচৰৰ বিচাৰ আন ন্যায়াধীশক অৰ্পণ কৰাটো বিচাৰিছে। ন্যায়াধীশে বাৰে বাৰে কিয় কংগনাক আদালতত অনাৱশ্যকভাৱে হাজিৰ হ'বলৈ নিৰ্দেশ দি আহিছে বুলিও অধিবক্তা ৰিজৱানে প্ৰশ্ন উত্থাপন কৰে।



# ২০ কোটি টকাৰ কৰফাকিৰ সন্দৰ্ভত কি ক'লে ছনুৱে?

**নিউজ ব্যুৰ', মুম্বাই, ২০ ছেপ্টেম্বৰ ঃ** আয়কৰ বিভাগে উত্থাপন কৰা ২০ কোটি টকাৰ কৰ ফাকিৰ সন্দৰ্ভত প্ৰথমবাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে বলিউডৰ অভিনেতা ছনু সুদে। উল্লেখ্য যে তিনিদিন ধৰি ছনুৰ বাসগৃহ আৰু কাৰ্যালয়ত তালাচী চলোৱাৰ পাছত আয়কৰ বিভাগে অভিনেতাজনৰ বিৰুদ্ধে ২০ কোটি টকাৰ কৰ ফাকিৰ অভিযোগ উত্থাপন কৰিছিল। আয়কৰৰ এই অভিযানৰ সন্দৰ্ভত সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আজি ছনুৱে কয় যে তেওঁ জনসেৱা অব্যাহত ৰাখিব আৰু কোনো কাৰণতে ৰাইজক আগবঢ়াই অহা সহায়-সহযোগিতা বন্ধ নকৰে। টুইটাৰত অভিনেতাজনে কয়, 'নিজৰ কাহিনী সদায় ডাঙৰকৈ কোৱাৰ প্ৰয়োজন নহয়। এয়া সময়ৰ কাম। নিজৰ সৰ্বস্ব দি চেষ্টা কৰিছো ভাৰতৰ সকলো লোকৰ কাষত থকাৰ। ফাউণ্ডেচনৰ সমগ্ৰ ধন আৰ্তজনৰ সাহায্যত ব্যয় কৰা হৈছে। বহু ব্ৰেণ্ডক মই মোৰ পাৰিশ্ৰমিক পোনপটীয়াকৈ আমাৰ ফাউণ্ডেচনক দিবলৈকো অনুৰোধ জনাই আহিছো। ইয়াৰ কাৰণ এটাই, সাহায্যৰ প্ৰক্ৰিয়া যাতে ব্যাহত নহয়। সময়ে নিজেই এদিন সকলো সত্য নিৰূপণ কৰিব।'

## দুবাৰকৈ ৰাজ্যসভাৰ টিকট প্ৰত্যাখ্যান কৰিছিল ছনু সুদে

**নিউজ ব্যুৰ', মুম্বাই, ২০ ছেপ্টেম্বৰ ঃ** আয়কৰ বিভাগৰ অভিযানৰ পাছত বলিউডৰ অভিনেতা ছনু সুদে এটা ৰাষ্ট্ৰীয় টেলিভিছন চেনেলৰ সাক্ষাৎকাৰত চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰিলে। এন ডি টিভিৰ এক সাক্ষাৎকাৰত বলিউডৰ সমাজকৰ্মী অভিনেতাজনে মন্তব্য কৰি কয়, 'মই কোনো আইন উলংঘা কৰা নাই। কৰৰ বিষয়াসকলে মোক চাৰিদিন ধৰি সোধাপোছা কৰিছিল। তেওঁলোকে যি প্ৰশ্ন কৰিছিল, মই ইয়াৰ উত্তৰ দিছিলো। যিসমূহ নথিপত্ৰ তেওঁলোকে বিচাৰিছিল, মই দিছিলো।' বিদেশৰ পৰা লাভ কৰা সাহায্যৰ ধন প্ৰত্যক্ষভাৱে চিকিৎসালয়ক দিয়া বুলিও অভিনেতাজনে এই সাক্ষাৎকাৰত দাবী কৰে। ছনুৱে কয়, 'মই আইন পালন কৰা নাগৰিক। আমাৰ ফাউণ্ডেচনক লৈ প্ৰশ্ন উত্থাপন হোৱাটো আশ্চৰ্যজনক বুলি বিষয়াসকলে মন্তব্য কৰিছিল। ফাউণ্ডেচনৰ ধন দেশবাসীয়ে দান দিয়া ধন আছিল। এই ধন দান কৰি কাৰোবাৰ জীৱন ৰক্ষা কৰিব পাৰি। বৃহৎসংখ্যক লোকে সহায় বিচাৰি বিগত সময়ত মোৰ ওচৰলৈ আহিছিল। আমি এই কথা সুনিশ্চিত কৰিব বিচাৰিছিলো যাতে এই ধনৰাশি বাস্তৱত আৰ্তজনে লাভ কৰে।' ৰাজনীতিৰ স'তে জড়িত হোৱাৰ সন্দৰ্ভত মন্তব্য কৰি ছনুৱে কয় যে তেওঁ যিকোনো ৰাজ্যকে সকলো সময়তে প্ৰয়োজন অনুসৰি সহায়-সহযোগিতা আগবঢ়াবলৈ প্ৰস্তুত আছে। অৰবিন্দ কেজৰিৱালৰ আম আদমী পাৰ্টি (আপ)ৰ স'তে থকা সম্পৰ্কৰ সন্দৰ্ভত অভিনেতাজনে স্পষ্টভাৱে কয়, 'যিকোনো দলৰ দ্বাৰা শাসিত যিকোনো ৰাজ্যক প্ৰয়োজনত সহায় কৰিবলৈ মই সাজু আছো। এই ধৰণৰ তালাচীৰে হেঁচা দিব বিচাৰিলেও মই বিচলিত নহওঁ। মই থমকি নৰওঁ। কাম অব্যাহত থাকিব। এতিয়াও বহু যাত্ৰা বাকী আছে। মই ৰাজনৈতিক নেতাক ভাল কাম কৰিলে সন্মান কৰো। মোক দুবাৰকৈ ৰাজ্যসভাৰ সদস্য হোৱাৰ প্ৰস্তাৱ দিয়া হৈছিল, কিন্তু মই এই প্ৰস্তাৱ অস্বীকাৰ কৰিছিলো। মই অনুভৱ কৰিছিলো, এতিয়াই ইয়াৰ বাবে মই প্ৰস্তুত নহয়। যেতিয়া মই নিজক ইয়াৰ বাবে সাজু কৰি ল'ম, তেতিয়া সকলোৰে আগত মই এই সন্দৰ্ভত মোৰ পৰিকল্পনাৰ কথা ঘোষণা কৰিম।' অৱশ্যে ছনুৱে কোন দলৰ পৰা ৰাজ্যসভাত প্ৰতিদ্বন্দ্বিতাৰ প্ৰস্তাৱ লাভ কৰিছিল সেই কথা ৰাজহুৱা কৰাৰ পৰা সাক্ষাৎকাৰটোত বিৰত থাকে।



## ভাৰতত দুপালি প্ৰতিষেধক গ্ৰহণ কৰা লোকৰ বাবেও ব্ৰিটেইনত কোৱাৰেণ্টাইন বাধ্যতামূলক ঃ প্ৰতিক্ৰিয়া কংগ্ৰেছ নেতাৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ ব্ৰিটেইন চৰকাৰে নতুন ভ্ৰমণ নিৰ্দেশনা জাৰি কৰিলে। এই নিৰ্দেশনা অনুসৰি ভাৰতত ক'ভিডৰ দুপালি প্ৰতিষেধক গ্ৰহণ কৰা লোকসকলেও ব্ৰিটেইন ভ্ৰমণলৈ গ'লে ১০ দিনৰ বাবে কোৱাৰেণ্টাইনত থকাটো বাধ্যতামূলক হ'ব। এইসকল লোকে প্ৰতিষেধক সম্পূৰ্ণৰূপে গ্ৰহণ কৰাৰ পাছতো ব্ৰিটেইনত প্ৰতিষেধক গ্ৰহণ নকৰা লোক হিচাপে বিবেচনা কৰা হ'ব আৰু তেওঁলোকে নিৰ্দিষ্ট ক'ভিড বিধি পালন কৰিলেহে ব্ৰিটেইন ভ্ৰমণৰ অনুমতি লাভ কৰিব। ব্ৰিটিছ চৰকাৰৰ এই নিৰ্দেশনাক কঠোৰভাৱে সমালোচনা কৰিলে কংগ্ৰেছৰ ৰাজ্যসভাৰ সাংসদ জয়ৰাম ৰমেশে। ব্ৰিটেইনৰ এই পদক্ষেপক কংগ্ৰেছ নেতাজনে বৰ্ণ-বৈষম্যমূলক আখ্যা দিয়ে। ক'ভিশ্বিল্ড প্ৰতিষেধকৰ কথা উল্লেখ কৰি ৰমেশে কয় যে এই প্ৰতিষেধক মূলতঃ ব্ৰিটেইনতে তৈয়াৰ কৰা হৈছিল আৰু ভাৰতত ছিৰাম ইনষ্টিটিউটে ক'ভিশ্বিল্ড উৎপাদন কৰাৰ পাছতো এই প্ৰতিষেধক গ্ৰহণ কৰা লোকক ব্ৰিটেইনত স্বীকৃতি নিদিয়াৰ কাৰণ কি?**



# ব্যৱসায়ীৰ বিৰুদ্ধে মান্দাকাটাত প্ৰতিনিশা পাহাৰ খননৰ অভিযোগ

■ কামৰূপ জিলা প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ আহ্বান



**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ২০ ছেপ্টেম্বৰ ঃ** উত্তৰ কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত চিলা বন আঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত মান্দাকাটাত ব্যাপক মাত্ৰাত পাহাৰৰ ৰঙা মাটি খনন কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে জনৈক কনক ডেকা নামৰ এজন প্ৰতিষ্ঠিত ব্যৱসায়ীৰ বিৰুদ্ধে। অভিযোগত প্ৰকাশ কৰা মতে উত্তৰ কামৰূপ বন সংমণ্ডলৰ চিলা বন আঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত মান্দাকাটা বাগানত থকা সেউজ পাহাৰত প্ৰতিনিশাই মাফিয়া কায়দাৰে অবাধে পৈতৃক সম্পত্তিৰ দৰে পাহাৰৰ ৰঙামাটি সৰবৰাহৰ ৰমৰমীয়া ক'লা ব্যৱসায় চলাই আহিছে বাইহাটা চাৰিআলিৰ প্ৰতিষ্ঠিত ব্যৱসায়ীজনে। তেওঁৰ ছত্ৰছায়াতে পাহাৰৰ ৰঙা মাটিৰ পৰা শিললৈ সকলো এফালৰ পৰা নিঃশেষ হ'বলৈ ধৰিছে মান্দাকাটাত। ৰঙামাটি খননৰ ক্ষেত্ৰত ১৪৪ ধাৰা জাৰি থকাৰ পাছতো স্বয়ং মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধিত্ব কৰা জালুকবাৰী সমষ্টিৰ মান্দাকাটত ব্যৱসায়ীজনৰ ছত্ৰছায়াতে দিনে-নিশাই এক্সাভেটৰ আৰু পকলেণ্ডেৰে পাহাৰৰ ৰঙামাটি কাটি ধ্বংস কৰা হৈছে ইখনৰ পাছত সিখন সেউজীয়া পাহাৰ। বৰ্তমান মান্দাকাটা বাগান চ'কৰ সমীপত থকা সেউজীয়া পাহাৰখনত পৰিছে তেওঁৰ হাতোৰা। প্ৰতিনিশাই পাহাৰখন কাটি সেই মাটি ডাম্পাৰেৰে সৰবৰাহ কৰি বেজেৰা উত্তৰ গুৱাহাটী গড়কাপ্তানী পথৰ দাঁতিত থকা ব্যৱসায়ীজনৰ ব্যক্তিগত চৌহদ এটা সেই ৰঙামাটিৰে এফালৰ পৰা পুতি যোৱাৰ পাছতো ৰাজ্য চৰকাৰৰ বন বিভাগে নিৰৱতা অৱলম্বন কৰা বুলি অভিযোগ উঠিছে। ব্যৱসায়ীৰ ওপৰত বৰমতা দেখুওৱা বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে ব্যৱসায়ীজনে ৰঙামাটি খনন কৰি থকা বিষয়টোত মৌনতা অৱলম্বন কৰাৰ আঁৰৰ ৰহস্য কি বুলি প্ৰশ্ন উত্থাপন কৰি অভিযোগকাৰী ৰাইজে কামৰূপ জিলা প্ৰশাসনক এই ক্ষেত্ৰত উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কাতৰ অনুৰোধ জনাইছে।

# দৰঙৰ কৃষি সামগ্ৰী ব্যৱসায়ীৰ ১৫দিনীয়া প্ৰশিক্ষণ মুকলি

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২০ ছেপ্টেম্বৰ ঃ** কৃষি বিজ্ঞান কেন্দ্ৰ, দৰঙৰ নিজা প্ৰেক্ষাগৃহত আজি কৃষি সামগ্ৰী ব্যৱসায়ীসকলৰ ১৫ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰশিক্ষণৰ প্ৰথমটো দলত ২৫গৰাকী নিৰ্বাচিত প্ৰশিক্ষাৰ্থীক অঞ্চল বিশেষে বৈজ্ঞানিক পদ্ধতিৰে কৃষিকাৰ্য কৰা প্ৰণালী, সাৰ প্ৰয়োগৰ ব্যৱস্থাপনা, বিভিন্ন ধৰণৰ কৃষিভিত্তিক আইনৰ বিষয়ে প্ৰশিক্ষণ দিয়াৰ লগতে ব্যৱসায়ীসকলক দক্ষ কৃষি সামগ্ৰী ব্যৱসায়ীৰূপে গঢ় দিয়াত সহায়ক হ'ব। কৃষি বিজ্ঞান কেন্দ্ৰৰ নিজ বিজ্ঞানীসকলৰ লগতে আন আন অনুষ্ঠানৰ বিশেষজ্ঞসকলৰ দ্বাৰা এই প্ৰশিক্ষণত পাঠদান কৰা হ'ব। এই প্ৰশিক্ষণত ব্যৱহাৰিক পাঠদানৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব। অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট আৰু ৰাজ্যিক কৃষি বিভাগৰ যুটীয়া উদ্যোগত তথা কৃষি বিজ্ঞান কেন্দ্ৰ দৰঙৰ দ্বাৰা আয়োজিত উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস আৰু দলগাঁও সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমান। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কৃষি বিজ্ঞান কেন্দ্ৰ, দৰঙৰ মুৰব্বী ড° আব্দুল হাফিজে। এই অনুষ্ঠানতে কৃষি বিজ্ঞান কেন্দ্ৰ, দৰঙৰ দ্বাৰা প্ৰকাশিত এখন পত্ৰিকাও দুয়োজন বিধায়কে উন্মোচন কৰে।

# কৰ্দৈগুৰিত শিক্ষকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২০ ছেপ্টেম্বৰ ঃ** বজালীৰ কৰ্দৈগুৰি গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক বিৰেন কলিতা (৮৫)ৰ যোৱা নিশা নিজ বাসগৃহত বিয়োগ ঘটে। কলিতাই আমৃত্যু বিভিন্ন সামাজিক কামৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ থকাৰ লগতে কৰ্দৈগুৰি গঞা ৰাইজৰ সভাপতি হিচাপে কে'বা বছৰো কাৰ্যনিৰ্বাহ কৰিছিল। কৃতী শিক্ষকজনে মৃত্যুৰ সময়ত পত্নীসহ তিনি পুত্ৰ আৰু এগৰাকী বিবাহিতা কন্যা সহিতে আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। উল্লেখ্য যে তেওঁ কে'বা বছৰ ধৰি মধুমেহ ৰোগত ভুগি আছিল যদিও শেষ সময়ত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়।

# ৪৫০০ বিঘা ভূমি বেদখলমুক্ত

*এক পৃষ্ঠাৰ পৰা* ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ছিপাঝাৰত আঠশটা পৰিয়াল, চাৰিটা অবৈধ ধৰ্মীয় স্থান আৰু এটা ব্যক্তিগত অনুষ্ঠান উখাত কৰি ৪৫০০ বিঘা ভূমি বেদখলমুক্ত কৰা বাবে তেওঁ সুখী। তেওঁ কয় যে অবৈধ দখলৰ বিৰুদ্ধে চৰকাৰৰ অভিযানৰ অংশৰূপে আজি এই উচ্ছেদ কাৰ্য চলোৱা হৈছে।

মুখ্যমন্ত্ৰীয়ে কয়, 'যোৱা সাত জুনত মই ধলপুৰৰ শিৱ মন্দিৰৰ সমীপত বেদখলী নৈপৰীয়া অঞ্চল পৰিদৰ্শন কৰিছিলো আৰু মন্দিৰ পৰিচালনা সমিতি তথা স্থানীয় লোকক এটা মণিকূট স্থাপনৰ লগতে এটা অতিথিশালা আৰু সীমাৰ বেৰ সজাৰ আশ্বাস দিছিলো। আজিৰ উচ্ছেদ অভিযানৰ লক্ষ্য হৈছে বেদখলী ভূমি মুক্ত কৰি তাত সমূহীয়া কৃষি কাৰ্য আৰম্ভ কৰা।' তদুপৰি তেওঁ এইদৰেও কয়, 'অবৈধ দখলৰ বিৰুদ্ধে আমাৰ অভিযান অব্যাহত ৰাখি আজি ৪৫০০ বিঘা ভূমি বেদখলমুক্ত কৰা বাবে মই সুখী আৰু দৰং জিলা প্ৰশাসন তথা অসম আৰক্ষীক ইয়াৰ বাবে প্ৰশংসা কৰো।'

# বোকাজানত চাৰে তিনি কোটি টকাৰ

*এক পৃষ্ঠাৰ পৰা* ইয়াৰ আন্তৰ্জাতিক বজাৰ মূল্য প্ৰায় ৩.৫ কোটি টকা হ'ব বুলি আৰক্ষীয়ে সদৰী কৰিছে। গাড়ীখনৰ লাইটৰ ভিতৰত কৌশলেৰে ড্ৰাগছখিনি আনিছিল দুই ড্ৰাগছ সৰবৰাহকাৰী আমজাদ আলী আৰু ছৈয়দ আনিছ খানে। আৰক্ষীয়ে মণিপুৰৰ দুই বাসিন্দা আমজাদ আৰু আনিছক গ্ৰেপ্তাৰ কৰিছে। মণিপুৰৰ পৰা দুয়ো হেৰ'ইনখিনি গুৱাহাটীলৈ আনিছিল বুলি সদৰী কৰিছে।

# ৰাজহুৱা বুলি কোৱা কন্যাকা কৃষি

*এক পৃষ্ঠাৰ পৰা* বিবৃতিত দাবী কৰে যে যোৱা আঠ ছেপ্টেম্বৰত সানোৱা, গৰুখুঁটি, গণেশকুৰি আৰু বাজনা পথাৰ এই চাৰিখন গাঁও পঞ্চায়তৰ ভুক্তভোগীসকলে চৰকাৰক প্ৰদান কৰা স্মাৰকপত্ৰৰ তিনিটা দাবী প্ৰথমতে পূৰণ কৰিব লাগিব। এই মৰ্মে ৭৭,৪২০ বিঘা ভূমি প্ৰকৃতাৰ্থত বেদখলমুক্ত কৰিব লাগিব। সেই অঞ্চলত পূৰ্বতেও কে'বাবাৰো উচ্ছেদ অভিযান চলাইছে যদিও ফল ধৰা নাই। দ্বিতীয়তে বেদখলমুক্ত কৰা ভূমি কৃষি আৰু পশুপালনৰ বাবে স্থানীয় লোকক হস্তান্তৰিত কৰিব লাগিব বুলি তেওঁ দাবী কৰে। তৃতীয়তে, কৃষি প্ৰকল্প কেৱল স্থানীয় লোকক লৈহে আগবাঢ়িব লাগে বুলি কয়।

হাজৰিকাই কয় যে গৰুখুঁটি প্ৰকল্পৰ অধ্যক্ষ পদ্ম হাজৰিকাই বোকাই-পানীয়ে নামি ৰাইজৰ সেৱা কৰা বুলি নিজৰ ঢোল নিজেই কোবায়। লগতে নিজ সমষ্টিত কন্যাকা কৃষি প্ৰকল্প ৰাজহুৱা বুলি ঠিকেই প্ৰচাৰ কৰে। প্ৰকৃতাৰ্থত নিৰ্বাচনী মনোনয়ন পত্ৰত শপতনামাত দাখিল কৰা অনুসৰি কন্যাকা তেওঁৰ ব্যক্তিগত কৃষি প্ৰকল্প ব্যৱসায়। বিধায়ক হাজৰিকা আৰু তেওঁৰ পত্নী কন্যাকা কৃষি প্ৰকল্পৰ ৭৫০ বিঘা মান মাটিৰ মালিক। 'ছিপাঝাৰৰ ৰাইজক আহ্বান জনাইছো যে উচ্ছেদ কাৰ্য আৰু কৃষি প্ৰকল্পৰ অগ্ৰগতিৰ ওপৰত চোকাদৃষ্টি ৰাখক যাতে ৰাইজৰ স্বাৰ্থ পূৰণ হয়।' এইদৰে কয় হাজৰিকাই।

# মূল্যবোধৰ ৰাজনীতিতহে শক্তি আছে

*এক পৃষ্ঠাৰ পৰা* উদযাপনৰ বাবে আৰম্ভ কৰা 'সেৱা আৰু সমৰ্পণ' অভিযানৰ অংশৰূপে আজি পলাশবাৰীৰ বাটবহাটত এইদৰে কয় কেন্দ্ৰীয় মন্ত্ৰীজনে। কামৰূপ জিলা বিজেপিৰ বাটবহাটস্থিত কাৰ্যালয়ত অনুষ্ঠিত 'যুৱ মেলা'ত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে বিগত সময়ছোৱাত দেশৰ গুৰু দায়িত্বত থাকি সকলো লোককে শ্ৰদ্ধা সহকাৰে সেৱা আগবঢ়াই আহিছে। জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ পূৰ্বে মন্ত্ৰী সোণোৱালে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে ৰুগীয়া লোকসকলৰ মাজত আৰ্থিক সাহায্য আগবঢ়ায়। ইয়াৰ পূৰ্বে নিজেশ্বৰী মন্দিৰ প্ৰাংগণত প্ৰধানমন্ত্ৰী মোদীৰ ৭১ সংখ্যক জন্মদিন উপলক্ষে উপস্থিত হৈ আশিস গ্ৰহণ কৰে। মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি নিৰৢ মালীৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক কুশল দাসে। সভাত মন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰীৰ ৭১ সংখ্যক জন্মদিন উপলক্ষে মন্দিৰত সেৱা লৈ সাতবছৰীয়া কাৰ্যকালৰ বলিষ্ঠ পদক্ষেপৰ শলাগ লয়। লগতে সকলো জাতি-জনগোষ্ঠীৰ লোক তথা বিভিন্ন উন্নয়নমূলক আঁচনি গ্ৰহণ কৰি দেশক আগুৱাই লৈ যাব পাৰে তাৰ বাবে নিজেশ্বৰী মন্দিৰত আশিস লোৱা বুলি উল্লেখ কৰি মন্দিৰত উপস্থিত থকা কে'বাগৰাকী মহিলাক ফল-মূল বিতৰণ কৰে। এই অনুষ্ঠানত স্থানীয় বিধায়ক হেমাংগ ঠাকুৰীয়া, ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ লক্ষ্যধৰ কোঁৱৰ, অসম হাউছিং ব'ৰ্ডৰ উপাধ্যক্ষ সুভাষ দত্ত, সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ মমিনুল আৱাল, বিজেপি নেতা অনুপ কুমাৰ মেধি, অঞ্জন গোস্বামী, ৰাজেন নাথ, কুশল মালাকাৰ প্ৰমুখ্যে দলীয় নেতা-কৰ্মীসকল উপস্থিত থাকে।

# চৰকাৰেই আমাক দিছিল পথ-ঘৰ-স্কুল

*এক পৃষ্ঠাৰ পৰা* বিদ্যালয়, সংহত শিশু উন্নয়ন সেৱা আঁচনিৰ অধীনত অংগনবাড়ী কেন্দ্ৰ আদি সকলো দিলে। যদি আমি বেদখলকাৰীয়েই হওঁ, তেন্তে আমাক সিমানবোৰ চৰকাৰী সুবিধা দিছিল কিয়?' তিনি নম্বৰ ধলপুৰৰ আন এজন স্থানীয় বাসিন্দা তথা ব্যৱসায়ী মীৰ চিৰাজুল হকে কয়, 'আমাৰ এক নম্বৰ, দুই নম্বৰ, তিনি নম্বৰ ধলপুৰৰ প্ৰতিজন প্ৰাপ্তবয়স্ক লোকৰ হাতত বৈধ পৰিচয়পত্ৰ, আধাৰ কাৰ্ড, পেন কাৰ্ড, ৰেছন কাৰ্ড, ভোটাৰ পৰিচয়পত্ৰ, বেংক পাছবুক ইত্যাদি আছে। এইবিলাক চৰকাৰী নথিপত্ৰ আছে বাবেই আমি চৰকাৰৰ সকলো উন্নয়নমূলক আঁচনিৰ হিতাধিকাৰীৰূপে যোগ্য বিবেচিত হওঁ। তেতিয়াহ'লে অসম চৰকাৰে আমাক আজি কিহৰ অপৰাধত আমাক এইদৰে উচ্ছেদ কৰিছে যে আমি তাৰ কোনো যুক্তি বিচাৰি পোৱা নাই।' ধলপুৰ গাঁওখন ৬০ৰ দশকতে প্ৰতিষ্ঠা লাভ কৰিছিল বুলি দাবী কৰি হকে লগতে কয়, '১৯৮৭ তো অসম গণ পৰিষদ চৰকাৰে ধলপুৰত 'মহাবাহু সমবায় সমিতি' নামেৰে কৃষি প্ৰকল্প আৰম্ভ কৰিবলৈ চেষ্টা চলাইছিল। তদানীন্তন অগপ চৰকাৰৰ সময়ত প্ৰস্তাৱ কৰা কৃষি প্ৰকল্প পৰৱৰ্তী সময়ত অহিন ঠাইলৈ স্থানান্তৰ কৰিবলগীয়া হৈছিল আৰু তেতিয়াও আমাক জিলা প্ৰশাসনে প্ৰতিশ্ৰুতি দিছিল যে আমাক আৰু উচ্ছেদ কৰা নহয়; কিন্তু ঐতিহাসিকভাৱে আমাৰ লগত প্ৰতিখন চৰকাৰে দুৰ্ঘোৰ অন্যায় কৰি আহিছে।' স্থানীয় সৰৱৰাহী মহিলা হাফিজা খাতুনে অভিযোগ কৰা মতে আজি উচ্ছেদৰ সময়ত এক নম্বৰ আৰু তিনি নম্বৰ ধলপুৰৰ প্ৰায় দুহেজাৰ শিশু আৰু ২৫শৰো অধিক মহিলা খাদ্য আৰু আশ্ৰয়ৰ সংকটত পৰি জীয়াতু ভুগিবলগীয়া হৈছে। তাৰে ভিতৰত ২০ গৰাকীৰো অধিক গৰ্ভৱতী মহিলা থকা বুলিও খাতুনে উল্লেখ কৰে। উল্লেখ্য যে আজিৰ উচ্ছেদ অভিযানৰ নেতৃত্ব দিয়ে দৰং জিলাৰ উপায়ুক্ত প্ৰভাতী থাউচেন, অতিৰিক্ত উপায়ুক্ত পল্লৱী কছাৰী, অসম আৰক্ষীৰ আই জি পি দীপক কেডিয়া, ডিআইজি ব্ৰজেন সিং সিংহ, আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা, প্ৰকল্প অধ্যক্ষ পদ্ম হাজৰিকা, সদস্য তথা বিধায়ক মৃণাল শইকীয়া আৰু প্ৰকল্পৰ সদস্য তথা মঙলদৈৰ সাংসদ দিলীপ শইকীয়াই।

আজিৰ উচ্ছেদ অভিযানৰ সময়ত স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী অনুপস্থিত থকাত ক্ষোভ প্ৰকাশ কৰি ৬৫ বছৰীয়া স্থানীয় তিনি নম্বৰ ধলপুৰৰ বাসিন্দা ইছফাকুৰ আলীয়ে কয়, 'বিধায়কে আমাক কিছুদিন পূৰ্বে আহি কৈছিল যে আমাক পৰিয়ালে প্ৰতি দুবিঘাকৈ মাটি আবণ্টন দিব; কিন্তু আজি উপলব্ধি কৰিছো, আমাৰ স্থানীয় বিধায়কজনে আমাৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিলে। আমাক প্ৰতাৰণা কৰি নিজেও আজি ইয়াত উপস্থিত নাথাকি পলায়ন কৰিছে।'

# গোসাঁইগাঁৱত সেৱা আৰু সমৰ্পণ কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২০ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭১ সংখ্যক জন্মদিন উপলক্ষে অসম ৰাজ্যিক ভাৰতীয় জনতা পাৰ্টিৰ সেৱা আৰু সমৰ্পণ ২০ দিনীয়া কাৰ্যসূচীৰ লগতে সংগতি ৰাখি বিজেপিৰ গুমা মণ্ডল সমিতিৰ উদ্যোগত আজি গোসাঁইগাঁও কুৰ্শাকাটি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ভুমকা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ৰোগীসকলৰ মাজত ফলমূল বিতৰণ কৰে। উক্ত কাৰ্যসূচীত মণ্ডল সভাপতি নিলেশ্বৰ ৰায়, উপ-সভাপতি দেৱজিৎ সিংহ, সাধাৰণ সম্পাদক শ্যামল দত্ত, সম্পাদক লক্ষ্মীৰাম টুডু, ১১৫ নম্বৰ বুথৰ সভাপতি নিৰানন্দ ৰায় আদি উপস্থিত থাকে।

# বৰপেটা অসামৰিক চিকিৎসালয়ত চিকিৎসকৰ দুৰ্নীতিৰ বিৰুদ্ধে আমছুৰ অৱস্থান ধৰ্মঘট



**কলগাছিয়া, ২০ ছেপ্টেম্বৰ ঃ** কলগাছিয়াস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ৰ চিকিৎসকৰ বিৰুদ্ধে বিভিন্ন অভিযোগৰ ভিত্তিত আমছুৱে চিকিৎসালয়খনৰ সন্মুখত আজি হাতে হাতে প্লেকাৰ্ড লৈ দুঘণ্টীয়া অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে। চিকিৎসকৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ, ধন নিদিলে যিকোনো সাধাৰণ বেমাৰীৰ লগতে প্ৰসূতিক ৰেফাৰ কৰা প্ৰসূতি বিভাগৰ চিকিৎসক ডাঃ জাকিৰ হুছেইনৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ অভিযোগ উত্থাপন কৰে। চিকিৎসকৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ, ধন নিদিলে ৰোগীক ৰেফাৰ কৰা প্ৰসূতি চিকিৎসক হুছেইনৰ বিৰুদ্ধে এইদৰে চিকিৎসালয়ৰ চৌহদত আমছুৱে প্ৰতিবাদ সাব্যস্ত কৰি ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। উল্লেখ্য যে কিছুদিন পূৰ্বে চিকিৎসকজনৰ গাফিলতিৰ বাবে চিকিৎসালয়ত অনাৰ পাছতো চিকিৎসালয়ৰ বাহিৰত সন্তান জন্ম দিবলগীয়া হৈছিল। এই সংক্ৰান্তত তদন্তৰ জৰিয়তে চিকিৎসকজনক নিলম্বন কৰাৰ বাবে আমছুৱে দাবী উত্থাপন কৰিছে। চিকিৎসকজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰিলে পৰৱৰ্তী সময়ত জিলাব্যাপী ইয়াতকৈ ভয়াৱহ আন্দোলনৰ কাৰ্যসূচী হাতত লোৱা হ'ব বুলি প্ৰতিবাদকাৰীসকলে জানিবলৈ দিয়ে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তক আমছুৰ লগতে বৃহত্তৰ কলগাছিয়া অঞ্চলৰ সচেতন মহলে চিকিৎসকজনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# পৌৰসভাৰ প্ৰাক্তন উপ-সভাপতি গজেন ডেকাৰ পৰলোক



**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২০ ছেপ্টেম্বৰ ঃ** মঙলদৈ চহৰৰ এলএনবি ৰোড নিবাসী, বিশিষ্ট নাগৰিক প্ৰয়াত নন্দৰাম ডেকা আৰু ৰত্নাবালা ডেকাৰ জ্যেষ্ঠ পুত্ৰ গজেন ডেকা (৯২)ৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত নিজ বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ মঙলদৈ সনাতন ধৰ্মসভাৰ শ্ৰীশ্ৰী ৰাসোৎসৱৰ প্ৰতিষ্ঠাপক সম্পাদক, মঙলদৈ পৌৰসভাৰ প্ৰাক্তন উপ-সভাপতি, মঙলদৈ নগৰ শিৱশংকৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক, বিজেপিৰ মঙলদৈ নগৰ সমিতিৰ প্ৰাক্তন কোষাধ্যক্ষ, ৰঙামাটি মৌজাৰ প্ৰাক্তন মৌজাদাৰ, ভাৰতীয় জীৱন বীমা নিগম এজেণ্ট সন্থাৰ উপদেষ্টা তথা মঙলদৈৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ চাৰি শিল্পী পুত্ৰ ক্ৰমে বিপুল চলিহা, দাদুল চলিহা, কাকুল চলিহা, কুহুল চলিহা আৰু বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। সৰবৰহী লোকজনৰ বিয়োগত মঙলদৈ মিডিয়া চাৰ্কোল, মঙলদৈৰ শিল্পী সমাজ, বিধায়ক বসন্ত দাস, মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৯৮৪ৰ সহপাঠী মঞ্চ আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

# ঘগ্ৰাপাৰ-বৰাজোলতো দশম শ্ৰেণীৰ পাঠদান আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২০ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰে ঘোষণা কৰা নতুন এছ অ' পি অনুসৰি শিক্ষানুষ্ঠানসমূহত আজিৰে পৰা দশম শ্ৰেণীৰ পাঠদান আৰম্ভ হৈছে। দীৰ্ঘদিন ধৰি বিদ্যালয়সমূহ বন্ধৰ অন্তত পাঠদান আৰম্ভ কৰাৰ বাবে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্নখন চৰকাৰী-বেচৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উৎফুল্লিত হৈ পৰিছে। ইফালে, আজি ঘগ্ৰাপাৰৰ ছোৱালী হাইস্কুলত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মনহৰি কলিতা আৰু বৰাজোল হাইস্কুলৰ প্ৰধান শিক্ষক ৰমণী কুমাৰ দাসৰ তৎপৰতাত পৃথকে পৃথকে ৰাজ্য চৰকাৰে ঘোষণা কৰা নীতি-নিয়ম অনুসৰি বিদ্যালয় দুয়োখন চৌহদ আৰু শ্ৰেণী কোঠাত ছেনিটাইজাৰ কৰি ক'ভিডমুক্ত পৰিৱেশ গঢ়ি তুলিছে। লগতে শিক্ষানুষ্ঠান দুখনে প্ৰতিটো শ্ৰেণী কোঠাত ৩০গৰাকীকৈ শিক্ষাৰ্থীক পাঠদান আৰম্ভ কৰিছে।

# বিশিষ্ট ক্ৰীড়াবিদ দাদুমণি বৰুৱাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২০ ছেপ্টেম্বৰ ঃ** আহোম জাতীয় মহাসভাৰ ক্ৰীড়া সম্পাদক, আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন ক্ৰীড়াবিদ, অসম কাৰাটে এছ'চিয়েছনৰ উপ-সভাপতি, বিশিষ্ট ক্ৰীড়া সংগঠক, অতিশয় ভদ্ৰ-অমায়িক শোণিতপুৰ জিলাৰ নদুৱাৰ অঞ্চলৰ হাটিঙা গাঁও নিবাসী মান চাও দাদুমণি বৰুৱা(৪২)ৰ যোৱা নিশা মৃত্যু হয়। মৃত্যুৰ সময়ত বৰুৱাই পত্নীৰ লগতে এটি পুত্ৰ সন্তান এৰি যায়। বিশিষ্ট ক্ৰীড়াবিদজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# কৰ্ণবাহাদুৰ কাৰ্কিৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২০ ছেপ্টেম্বৰ ঃ** নদুৱাৰ অঞ্চলৰ ধলাইবিল বৰমতা গাঁৱৰ সমাজকৰ্মী কৰ্ণবাহাদুৰ কাৰ্কি(৬৫)ৰ আজি দিনৰ দুই বজাত মৃত্যু হয়। অঞ্চলটোৰ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত সমাজকৰ্মীজন কালি হঠাতে অসুস্থ হোৱাত পৰিয়ালৰ লোকে বিশ্বনাথ চাৰিআলিৰ চিকিৎসালয়ত ভৰ্তি কৰিছিল যদিও আজি চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত কাৰ্কিয়ে পত্নীৰ লগতে এটি পুত্ৰ, তিনিগৰাকী কন্যা এৰি যায়।

# আৰক্ষীৰ ভুৱা সংঘৰ্ষত নিহত দুই বড়ো যুৱকৰ মৃত্যুত বড়ো সাহিত্য সভাৰ শোক

**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২০ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ লুংছুং বনাঞ্চলত আৰক্ষীৰ গুলিত নিহত বড়ো যুৱকদ্বয়ৰ মৃত্যুৰ পাছত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে বিটিচিত। নিহত পাটগাঁৱৰ নিৱাসী জৌংছাৰ মুছাহাৰী আৰু টিপকাইৰ জনক কুমাৰ ব্ৰহ্মক আৰক্ষীয়ে ভুৱা সংঘৰ্ষত হত্যা কৰা অভিযোগ পৰিয়াল তথা বিভিন্ন দল-সংগঠনৰ। আজি গোসাঁইগাঁৱত বড়ো সাহিত্য সভাৰ সম্পাদিকা নিলিমা বসুমতাৰীসহ গোসাঁইগাঁও জিলা সমিতিৰ সভাপতি চহেন চন্দ্ৰ বসুমতাৰীয়ে বড়ো যুৱকদ্বয়ৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে ঘটনাৰ তদন্তৰ দাবী জনাইছে। আনহাতে, আজি বিয়লি গোসাঁইগাঁও সদৰ চহৰস্থিত চাৰিআলিত বিয়লি বন্তি প্ৰজ্বলন কৰি নিহত যুৱকদ্বয়ক শ্ৰদ্ধাঞ্জলি প্ৰদানৰ বাবে গ্ৰহণ কৰা কাৰ্যসূচীত সকলোৰে উপস্থিতিৰ আহ্বান জনায়। উক্ত কাৰ্যসূচীত উক্ত ঘটনাত আবৌফৰ গোসাঁইগাঁও আঞ্চলিক সমিতিৰ সভানেত্ৰী পামলা ব্ৰহ্ম, দৈমালু আৰু জানালী স্বেচ্ছাসেৱী সংস্থাৰ সভানেত্ৰীদ্বয় ক্ৰমে চৈতান নাৰ্জাৰী আৰু চম্পা মুছাহাৰী উপস্থিত থাকি উক্ত ঘটনাত শোক ব্যক্ত কৰে।

# আদিবাসী মাতৃভাষাৰ তথ্য প্ৰকাশ-বাগিচাত বিদ্যালয় খোলাৰ দাবী ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ

■ আদিবাসী মাতৃভাষাৰ সমস্ত তথ্য
বস্তি-বাগিচাৰ স্কুল খোলক, দিয়ক ঘৰে ঘৰে চিঠি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ হৈ বাতৰি কাকতলৈ দিয়া এটা বিবৃতিত সভাপতি ৰবচন মুণ্ডা আৰু প্ৰধান সম্পাদক ৰতন হেমৰমে কৰমৰ বন্ধৰ নামত অসম চৰকাৰে কৰা ভেঁকোভাওনাৰ গৰিহণা দিছে। উল্লেখযোগ্য যে অসমৰ আদিবাসী সংগঠনবিলাকে যোৱা পাঁচ দশক জুৰি কৰম পৰব, চহৰাই, বাহা তুচু আদিৰ সময়ত বন্ধ দিয়াৰ দাবী তুলি আহিছিল। যোৱা বছৰো অসম চৰকাৰে দেওবাৰৰ লগত মিলাই কৰমৰ বন্ধ দি আদিবাসীসকলক প্ৰতাৰণা কৰিছিল। এইবাৰো বিশ্বকৰ্মা পূজাৰ লগত মিলাই এই বন্ধ দিলেও অসম চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্তই কৈছে যে ভৱিষ্যতে যে বন্ধ দিয়া হ'ব সেই বিষয়ে সিদ্ধান্ত লোৱা হোৱা নাই। এইটো অকল এই বছৰৰ সিদ্ধান্ত। বিশ্বকৰ্মা পূজাৰ লগত মিলাই দিলেও আপত্তি কৰিবলৈ একো নাছিল; কিন্তু এই বন্ধ কেৱল অসম চৰকাৰৰ চাকৰিয়ালসকলক দিয়া হ'ল। য'ত আদিবাসী প্ৰতিনিধিত্ব 1000 জন চাকৰিয়ালৰ ভিতৰত এজনো নহয় অৰ্থাৎ 0.1 শতাংশতকৈও কম। গতিকে বন্ধটো কাৰোবাকহে দিয়া হ'ল। চাহ বাগিচাসমূহ সম্পূৰ্ণ খোলা থাকিল। চাহ বাগিচাৰ চাহ মজদুৰ, আদিবাসীসকলৰ এজনেও এই বন্ধটো নাপালে। গতিকে যাৰ জাতীয় উৎসৱ তেওঁলোক কিন্তু সম্পূৰ্ণৰূপে বঞ্চিত হ'ল। তেওঁলোকৰ মাজৰ অতি মুষ্টিমেয় এজন-দুজন চৰকাৰী কৰ্মচাৰীয়েহে বন্ধটো পালে। অথচ অনা-আদিবাসী লাখ লাখ চৰকাৰী কৰ্মচাৰীয়ে কালিৰ বন্ধটো পালে। তাত আমাৰ আপত্তি নাই, আপত্তি হৈছে আদিবাসী চাহ মজদুৰ সকলে বন্ধ পাব লাগিব। সেইবাবে চৰকাৰক এনে ভেকোভাওনা নকৰিবলৈ আৰু অহা বছৰবিলাকত কৰম, বাহা, চহৰাই, তুচু এইকেইটা দিনতে বন্ধ বাগিচাৰ শ্ৰমিকসকলেও উপভোগ কৰিব পৰাকৈ দিবলৈ আজি সংগঠনটোৰ নেতৃবৃন্দই দাবী জনায়। বিবৃতিটোত মুণ্ডা আৰু হমৰমে লগতে 2021 ৰ লোকপিয়লৰ প্ৰসংগও উত্থাপন কৰে। তেওঁলোকে কয় যে 1931ৰ পাছত ভাৰতবৰ্ষত জাতি-বৰ্ণ ভিত্তিক পিয়ল হোৱা নাই। এইবাৰৰ এই পিয়লত অসমত থকা আদিবাসীসকলৰো সমগ্ৰ তথ্য প্ৰকাশ পাব লাগে। অসমৰ আদিবাসীসকলৰ প্ৰত্যেকটো সম্প্ৰদায়ৰ জনসংখ্যা তেওঁলোকৰ শৈক্ষিক-অৰ্থনৈতিক আৰু অন্যান্য সামাজিক স্থিতি, লগতে ভাষিক স্থিতি, মাতৃভাষা আৰু ধৰ্মৰ সম্পৰ্কত পৰিসংখ্যাও এইবাৰৰ পিয়লৰ জৰিয়তে পোহৰলৈ আহিব লাগে। কাৰণ তেনে তথ্যৰ অবিহনে এইসকল জনগোষ্ঠীৰ উন্নয়নৰ বাবে কোনো নীতি যুগুতোৱা সম্ভৱ নহয়। এই প্ৰসংগতে সভাপতি-সম্পাদকদ্বয়ে জোৰ দি কয় যে আদিবাসী মাতৃভাষাবোৰৰ সম্পৰ্কত যথাযথ তথ্য এইবাৰৰ পিয়লত নথিবদ্ধ কৰিব লাগে। কাৰণ অসমত থকা আদিবাসীসকলৰ যি মাতৃভাষা সেইবিলাক 1961 ৰ পাছৰ পৰা স্পষ্টভাৱে পোহৰলৈ অহা নাই। অথচ 1921 লৈকে অসমত আদিবাসী মাতৃভাষা কোৱা মানুহৰ সংখ্যা অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় এক তৃতীয়াংশ আছিল আৰু অসমত তেতিয়া কোনো উমৈহতীয়া ভাষা নাছিল। সেইবাবে এই দাবী দুয়ো সংগঠনে উত্থাপন কৰে।

# ছেদামাৰী প্ৰাথমিক বিদ্যালয় চৌহদ চাফ-চিকুণ কৰিলে স্থানীয় ৰাইজে

■ বিদ্যালয়খন উন্নয়নৰ দিশত আৰোহণৰ প্ৰচেষ্টা অব্যাহত



**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ২০ ছেপ্টেম্বৰ ঃ** যি সময়ত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ধামখুমীয়াত চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনক দিনে কমি আহিছে, উক্ত সময়তে এখন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ কাম-কাজ, শিক্ষাদান তথা তৎপৰতাত আকৰ্ষিত হৈ বিদ্যালয়খনত নিজৰ ল'ৰা-ছোৱালী, অঙহী-বঙহীক নামভৰ্তি কৰি দিবৰ বাবে হেতা-ওপৰা কৰা পৰিলক্ষিত হৈছে। বিদ্যালয়খন হৈছে জৰেগাঁও সমল কেন্দ্ৰৰ অন্তৰ্গত ৮১৪ নম্বৰ ছেদামাৰী প্ৰাথমিক বিদ্যালয়। এসময়ত শিক্ষাৰ ক্ষেত্ৰত অতি পিছপৰা গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰি পৰিৱৰ্তনৰ সপোন দেখিলে শিক্ষকজনে। ভবা মতে কাম। সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টি কৰাত অহৰ্নিশে লাগি লাগি অতি পিছপৰা আদিবাসী চাওতাল গাঁওখনৰ পৰা সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টি কৰাৰ লগতে গাঁওখনৰ পৰা মদ্যপান, বাল্যবিবাহ বন্ধ কৰা, ডাইনী-অন্ধবিশ্বাস দূৰ কৰা, সুস্বাস্থ্য গঢ়ি তোলা আদি কাম-কাজেৰে এতিয়া স্থানীয় সমাজৰ উপৰি প্ৰশাসনৰ মাজতো সমানে জনপ্ৰিয় যুৱ শিক্ষক কৃষ্ণকান্ত দাস। শিক্ষকজনৰ আহ্বানমৰ্মে সময়ে সময়ে বিদ্যালয় চৌহদ পৰিষ্কাৰ-পৰিচ্ছন্নৰ দৰে আজিও বিদ্যালয় পৰিচালনা সমিতি, মাতৃ গোট, ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ উপস্থিতিত চাফ-চিকুণ কৰা, ফুল, গছ-গছনি ৰোপণ কৰা আদি কাৰ্য নিয়াৰিকৈ সম্পাদন কৰা হয়। অনুষ্ঠানৰ অন্তত চাফ-চিকুণ, ফুল, গছ-গছনি ৰোপণ আৰু নিৰাপত্তা দানৰ প্ৰয়োজনীয়তাৰ ওপৰত সাৱলীল বক্তব্য দাঙি ধৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি লক্ষণ হেমব্ৰম আৰু প্ৰধান শিক্ষক কৃষ্ণকান্ত দাসে।

# স্বাধীনতা সংগ্ৰামৰ ঢেকিয়াজুলিৰ ঘটনাই নৱ প্ৰজন্মক প্ৰেৰণা দিব

■ বৰছলা-বিহগুৰি কংগ্ৰেছৰ উদ্যোগত ঢেকিয়াজুলিত ৪২ৰ ছহিদ দিৱস পালন ■ আছুৱে স্মৰণ কৰিলে ছহিদক



**অগ্ৰদূত বাৰ্তা**
**শিঙৰী, ২০ ছেপ্টেম্বৰ ঃ** ছহিদ নগৰী ঢেকিয়াজুলিত আজি ৪২ৰ আন্দোলনৰ ১৩জন ছহিদক স্মৰণ কৰা হয়। জিলা প্ৰশাসন, ব্লক কংগ্ৰেছ কমিটী আৰু আছুৰ উদ্যোগত ঢেকিয়াজুলিৰ বিভিন্ন স্থানত ছহিদ দিৱস পালন কৰা হয়। ঢেকিয়াজুলি নগৰ নিম্ন বুনিয়াদী বিদ্যালয়ত শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজন কৰা এই দিৱস মুকলি কৰে উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে। পুৱা ১০ বজাত ছহিদ বেদিত ৪২ৰ আন্দোলনৰ ছহিদসকলৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে জিলা উপায়ুক্ত দাসে। উক্ত অনুষ্ঠানত জিলা আৰক্ষী অধীক্ষক ড° ধনঞ্জয় পি ঘনাবট, ঢেকিয়াজুলিৰ ৰাজহ চক্ৰ বিষয়া কবিতা ডেকা, সমাজকৰ্মী ৰাতুল কুমাৰ নাথৰ লগতে ছহিদ পৰিয়ালৰ সদস্যসকলে অংশগ্ৰহণ কৰে। পুৱা ১১ বজাত মুকলি সভা অনুষ্ঠিত হয়। সমাজকৰ্মী কাজল বৰাৰ পৰিচালনাত অনুষ্ঠিত মুকলি সভাত ভাষণ প্ৰদান কৰি উপায়ুক্ত দাসে ছহিদসকলৰ ত্যাগ আৰু বলিদানৰ কথা স্মৰণ কৰে। তেওঁ কয়, 'ছহিদসকলে দেশৰ কাৰণে নিজকে উৎসৰ্গা কৰিছিল। তেওঁলোকৰ মহান ত্যাগ অথলে যোৱা নাই, ছহিদসকল অমৰ হৈ থাকিব।' ঢেকিয়াজুলিৰ ২০ ছেপ্টেম্বৰৰ ঘটনাই সোণালী অধ্যায়ৰ সৃষ্টি কৰিছে বুলি উল্লেখ কৰি তেওঁ পুনৰ কয়, 'স্বাধীনতা সংগ্ৰামৰ ঢেকিয়াজুলিৰ ঘটনাই আমাৰ নতুন প্ৰজন্মক প্ৰেৰণা দিব।' সভাত জিলা আৰক্ষী অধীক্ষক ড° ধনঞ্জয় পি ঘনাবটে ভাষণ প্ৰদান কৰি কয়, 'আমি স্বাধীন দেশৰ নাগৰিক। ছহিদসকলৰ আদৰ্শসমূহ জীয়াই ৰাখিব লাগিব। ছহিদসকলৰ আত্মবলিদানক লৈ গৌৰৱ অনুভৱ কৰো বুলি ঘনাবটে কয়। মুকলি সভাত বিধায়ক গণেশ কুমাৰ লিম্বুৰ লগতে ছহিদ পৰিয়ালৰ সদস্য দেৱী চৰণ নেওগ, মুক্তি যুঁজাৰু আৰু ছহিদ স্মৃতি ন্যাসৰ সম্পাদক অনন্ত কুমাৰ নাথে বক্তব্য আগবঢ়ায়। সভাত ঢেকিয়াজুলিৰ ৰাজহ চক্ৰ বিষয়া কবিতা ডেকা, সমাজকৰ্মী ৰাতুল কুমাৰ নাথ, বাটাছ ওৰাং, অৱসৰপ্ৰাপ্ত শিক্ষক তুলসী বৰঠাকুৰ, নিলিমা দেৱীৰ লগতে শতাধিক লোক উপস্থিত থাকে। ইপিনে, ঢেকিয়াজুলিৰ ত্ৰিমূৰ্তি ভৱনত আজি ঢেকিয়াজুলি ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত বৰছলা, বিহগুৰি ব্লক কংগ্ৰেছ কমিটীৰ সহযোগত ৪২ৰ ছহিদ দিৱস পালন কৰা হয়। কাৰ্যসূচীত পুৱা ন বজাত পতাকা উত্তোলন কৰে ঢেকিয়াজুলি ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি প্ৰফুল্ল ৰাভাই। পুৱা ৯-৩০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, পুৱা ১০ বজাত সৰ্বধৰ্মীয় প্ৰাৰ্থনা আৰু দিনৰ ১১-৩০ বজাত মুকলি সভা অনুষ্ঠিত কৰা হয়। ঢেকিয়াজুলি ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি প্ৰফুল্ল ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত ঢেকিয়াজুলিৰ প্ৰবীণ সাংবাদিক ৰমেশ চন্দ্ৰ বৰাই বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি বেণুধৰ নাথে আদৰণি ভাষণ প্ৰদান কৰা সভাখনত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, শোণিতপুৰ জিলা কংগ্ৰেছ কমিটীৰ সভাপতি দ্বীপেন বৰাই বক্তব্য আগবঢ়ায়। সভাত মুক্তিযোদ্ধা ফণীধৰ দাসৰ পুত্ৰ প্ৰসন্ন কুমাৰ দাস, জিলা কংগ্ৰেছৰ বিষয়ববীয়া উৎপল নন্দী, ঢেকিয়াজুলি নগৰ ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি স্বদেশ ঘোষ, কাৰ্যকৰী সভাপতি দ্বীজেন ৰাজবংশী, বৰছলা ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি হীৰেন সেন, বিহগুৰি ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি উপেন দাসৰ লগতে দুই শতাধিক কংগ্ৰেছ কৰ্মী উপস্থিত থাকে। ইপিনে, ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আছুৰ ছহিদ বেদিৰ সন্মুখত ছহিদ দিৱস পালন কৰা হয়। পুৱা ন বজাত পতাকা উত্তোলন কৰে ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শংকৰ দাসে। ইয়াৰ পাছত পুৱা ৯-১৫ বজাত ছহিদ তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# অসম দাপোণ



## গোসাঁইগাঁও সমষ্টিৰ উপ-নিৰ্বাচনক লৈ তৎপৰ অজাপ

**■ গোসাঁইগাঁও সমষ্টি সমিতি গঠন**

অগ্ৰদূত বাৰ্তা
**গোসাঁইগাঁও, ২০ ছেপ্টেম্বৰ ঃ** ২০২১ত অনুষ্ঠিত হৈ যোৱা ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত লুৰীণজ্যোতি গগৈৰ নেতৃত্বত গঠন হৈছিল অসম জাতীয় পৰিষদৰ। বিজেপিৰ বিৰুদ্ধে একত্ৰিতভাৱে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও ৰাজ্যৰ এটাও বিধানসভা সমষ্টিত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীয়ে জয়লাভ কৰা নাছিল। অতি কম দিনৰ ভিতৰতে ৰাইজৰ সঁহাৰি লাভ কৰা অসম জাতীয় পৰিষদে শেহতীয়াকৈ অনুষ্ঠিত হ'বলগীয়া বিধানসভা উপ-নিৰ্বাচনত প্ৰাৰ্থিত্ব প্ৰদানৰ বাবে তৎপৰ হৈ পৰিছে। ৰাজ্যৰ অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনৰ দিন-বাৰ এতিয়ালৈ ঘোষণা নহ'লেও বিভিন্ন ৰাজনৈতিক দল-সংগঠনৰ সমান্তৰালকৈ অসম জাতীয় পৰিষদেও আৰম্ভ কৰিছে নিৰ্বাচনী কুচকাৱাজ। শেহতীয়াকৈ গোসাঁইগাঁও (মুকলি) বিধানসভা সমষ্টিটোৰ পৰা চাৰিবাৰকৈ জয়লাভ কৰা বি পি এফৰ বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰীৰ অকাল বিয়োগৰ পাছত বিধানসভা সমষ্টিটোৰ পৰা অসম জাতীয় পৰিষদৰ পৰা প্ৰাৰ্থিত্ব প্ৰদানৰ বাবে ইতিমধ্যে পূৰ্ণোদ্যমে যো-জা চলোৱা পৰিলক্ষিত হৈছে। যোৱা ১৯ ছেপ্টেম্বৰত বিয়লি গোসাঁইগাঁও মহকুমাৰ সদৰ চহৰস্থিত কমল নাথ ক্লাব কাম লাইব্ৰেৰীৰ সভাকক্ষত অসম জাতীয় পৰিষদৰ কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি নজমূল হকৰ পৌৰোহিত্যত অনুষ্ঠিত গোসাঁইগাঁও সমষ্টি সমিতি গঠনৰ এক কাৰ্যসূচীত অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক প্ৰিন্স ফইজুল হকে কয় যে বিজেপি, কংগ্ৰেছ আৰু এআইইউডিএফৰ বিকল্প হিচাপে ৰাইজে অসম জাতীয় পৰিষদক যথেষ্ট সঁহাৰি জনাইছে। শেহতীয়াকৈ ৰাজ্যৰ বিধানসভা নিৰ্বাচনত এখনো আসনত জয়লাভ নকৰিলেও অসমৰ ৰাইজে নিৰ্বাচনৰ প্ৰাকক্ষণত জন্মগ্ৰহণ কৰা দলটোক বিপুল সঁহাৰি জনাইছে। যাৰ ফলত অনাগত দিনত যে ৰাজ্যৰ ৰাজনীতিত এক পৰিৱৰ্তনৰ সূচনা হোৱা নিশ্চিত বুলি নেতাজনে দাবী কৰে। নিৰ্বাচনৰ পূৰ্বে অসম জাতীয় পৰিষদ বিজেপিৰ বি টিম বুলি কংগ্ৰেছে অপপ্ৰচাৰ চলাইছিল বুলি অভিযোগ কৰি কয় যে এনে অপপ্ৰচাৰেৰে দলটোৰে আচলতে ৰাইজক বিভ্ৰান্ত কৰাৰহে চেষ্টা চলাইছিল। কোকৰাঝাৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক দেৱাশিস দাসে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত কেন্দ্ৰীয় সংখ্যালঘু কোষৰ সভাপতি জীয়া খানে এইবাৰ গোসাঁইগাঁও বিধানসভাৰ উপ-নিৰ্বাচনত সমষ্টিটোৰ ৰাইজৰ দাবীত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী প্ৰদান কৰাটো একপ্ৰকাৰ নিশ্চিত বুলি প্ৰকাশ কৰে। তেওঁ কয় যে অসম-বংগ সীমান্তবাসী ৰাইজে এই সমষ্টিটোৰ পৰাই অসম বিধানসভাৰ মজিয়াত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীক পঠিয়াবলৈ সাজু হৈছে। মুঠ ৫০ গৰাকী সদস্যৰে গঠন কৰা অসম জাতীয় পৰিষদৰ গোসাঁইগাঁও সমষ্টি সমিতিৰ সভাপতি হিচাপে ৰিজাউল কৰিম তালুকদাৰক আৰু সাধাৰণ সম্পাদক হিচাপে ক্ৰমে গোপাল সৰকাৰ আৰু নুৰ ইছলাম শ্বেখক দায়িত্ব প্ৰদান কৰে। কাৰ্যসূচীত অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় সংখ্যালঘু কোষৰ সাধাৰণ সম্পাদক ৰমজান আলী, জাতীয় যুৱ শক্তিৰ ৰাজ্যিক আহ্বায়ক ছকিয়ত আলী, গোসাঁইগাঁও শাখা সাহিত্য সভাৰ সাধাৰণ সম্পাদক খনিন্দ্ৰ নাথ দাস প্ৰমুখ্যে জিলা আৰু গোসাঁইগাঁও মহকুমা সমিতিৰ বিষয়ববীয়া তথা প্ৰায় তিনি শতাধিক ৰাইজ উপস্থিত থাকে।

## বিদ্যুৎ বিভাগৰ মঙলদৈ সংমণ্ডলৰ বিষয়াৰ মইমতালিত ক্ষুব্ধ ৰাইজ

**■ প্ৰাককলন মতে কাম নকৰা ঠিকাদাৰৰ প্ৰতি অহৈতুক দৰদ ■ তদন্তৰ দাবী**

অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ২০ ছেপ্টেম্বৰ ঃ** বহু চৰ্চিত অসম শক্তি বিতৰক কোম্পানী লিমিটেড, মঙলদৈ সংমণ্ডলৰ একাংশ বিষয়া-কৰ্মচাৰীৰ মইমতালিয়ে গ্ৰাহক ৰাইজক ক্ষুব্ধ কৰি তুলিছে। ডং হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনৰ শক্তিমন্ত্ৰী বিমল বড়াই লোকচানত চলি থকা শক্তি বিভাগটোক নতুন ৰূপ দিবলৈ ন ন পদক্ষেপ গ্ৰহণ কৰি অহা বুলি জাহিৰ কৰাৰ সময়তে মঙলদৈ সংমণ্ডলৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে নিজৰ ব্যৰ্থতা ঢাকিবলৈ ৰাইজক ঢাল হিচাপে ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। দীৰ্ঘদিন ধৰি একাংশ গ্ৰাহকক বিদ্যুতৰ বিল নিদিয়া, বিল আদায়ৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ নকৰা এইসকল বিষয়া-কৰ্মচাৰীয়ে শেহতীয়াকৈ শক্তিমন্ত্ৰীৰ তাগিদাত নিজকে সক্ৰিয়তা প্ৰদৰ্শন কৰিবলৈ গৈ নিয়মীয়াকৈ বিল আদায় দিয়া একাংশৰ লগতে বিল আদায় নিদিয়াৰো বিদ্যুৎ কৰ্তন কৰি একপ্ৰকাৰ মাফিয়াৰাজ চলাবলৈ গৈ দৰঙৰ বহু ঠাইত ৰাইজৰ ৰোষত পৰিছে। প্ৰকৃততে যিসকল গ্ৰাহকে বিদ্যুতৰ মাচুল আদায় নিদিয়ে তেওঁলোকৰ ঘৰৰ বিদ্যুৎ কৰ্তন বিভাগে কৰিব পাৰে যদিও মঙলদৈ সংমণ্ডলৰ অধীনৰ বিষয়াসকলে নিজৰ ব্যৰ্থতা লুকুৱাবলৈ গোটেই চুবা অথবা গাঁৱৰ বিদ্যুৎ কৰ্তন কৰি গ্ৰাহকৰ অধিকাৰ খৰ্ব কৰি আহিছে। ইতিমধ্যে লংকাপুৰী, বড়িগাঁও, বাঘৰবাৰী, কবিকাৰা, গণকপাৰাকে ধৰি বিভিন্ন অঞ্চলৰ বিদ্যুৎ কৰ্তন কৰি বিল পৰিশোধ কৰাসকলৰ হতুৱাই অনাদায় ধন উঠাই দিবলৈ বাধ্য কৰাইছে। এনে কৰিবলৈ গৈ ৰাইজৰ মাজতে বহু ঠাইত সংঘাতৰ সৃষ্টি হৈছে। এই সম্পৰ্কত জ্যেষ্ঠ অধিবক্তা জয়ন্ত ডেকাই কয়, 'কোনো এটা অঞ্চলৰ একাংশ গ্ৰাহকে বিল পৰিশোধ নকৰিলে শক্তি বিভাগে সকলো গ্ৰাহকৰ বিদ্যুৎ কৰ্তন কৰিব নোৱাৰে। যিসকলে বিল পৰিশোধ কৰা নাই তেওঁলোকক আগতীয়াকৈ জাননী দি বিদ্যুৎ কৰ্তন কৰিব পাৰে। তাৎপৰ্যপূৰ্ণ যে শক্তি বিভাগৰ এনে মইমতালিৰ ফলত অনলাইনত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰী শ'লঠেকত পৰিছে।' উল্লেখ্য যে অনাদায় বিল আদায়ৰ ক্ষেত্ৰত সকলো নীতি-নিয়ম জলাঞ্জলি দি সৰ্বসাধাৰণ লোকক হাৰাশাস্তি কৰি অহা এই বিভাগৰ একাংশ বিষয়া-ঠিকাদাৰৰ অনিয়মৰ ক্ষেত্ৰত ৰহস্যজনকভাৱে মৌন হৈ আহিছে। ঠিকাদাৰৰ অনিয়ম-দুৰ্নীতি ৰাইজ আৰু সাংবাদিকে আঙুলিয়াই দেখুৱাই দিয়াৰ পাছতো তাক তদন্ত কৰাৰ পৰিৱৰ্তে ঠিকাদাৰৰ হৈ ওকালতি কৰাৰ অভিযোগ উঠিছে। তথ্য মতে, অসম শক্তি বিতৰক কোম্পানী লিমিটেড, মঙলদৈ সংমণ্ডলৰ অধীনত চপাইৰ পৰা ৰামহৰিলৈ এটা ১১ কেভি লাইনৰ কাম চলি আছে। মঙলদৈ-ভূটীয়াচাং পথৰ কাষেৰে ষ্টীল টিউবলাৰ খুঁটাৰে পুতি কৰি থকা এই কামটোত ব্যাপক অনিয়ম হোৱাৰ অভিযোগ উঠিছে। খুঁটাবোৰ পোতাৰ পূৰ্বে তলত বন্ডাৰ দি কমেও ছয় ফুট পুতি চাৰি ফুট শিল, বালি, চিমেণ্টেৰে ঢালাই কৰিব লাগে। কিন্তু ৰাইজৰ অভিযোগ মতে, খুঁটা পোতাৰ পূৰ্বে তলত বন্ডাৰ দিয়া হোৱা নাই। আনহাতে, কিছুমান খুঁটা ছয় ফুট পোতা নাই। তাতোকৈ গুৰুত্বপূৰ্ণ কথা যে চাৰি ফুট ঢালাই দিয়াটো দূৰৈৰ কথা, শিল, বালি, চিমেণ্ট মিহলাই এক ফুটো ঢালাই নিদি খুঁটাৰ গুৰিত অলপ পলেপ লগাই কাম সামৰিবলৈ ওলোৱাত ৰাইজ জাঙুৰ খাই উঠিছে। যোৱা ১৬ ছেপ্টেম্বৰত চপাইত একাংশ ৰাইজে কিয় প্ৰাককলন মতে কামটো কৰা নাই বুলি প্ৰশ্ন কৰাত ঠিকাৰ কামত জড়িতসকলৰ মাত নাইকিয়া হৈ পৰে। এই সম্পৰ্কত এজন সাংবাদিকে ঊৰ্দ্ধতন বিষয়াক অনিয়মৰ কথা অৱগত কৰে যদিও কোনো কাণসাৰ নিদিয়াৰ অভিযোগ উঠিছে। এনেদৰে পালমৰা কামেৰে ৰাইজক সম্ভাব্য বিপদলৈ ঠেলি দিয়াৰ ক্ষেত্ৰত বিভাগটো মৌনতা অৱলম্বন কৰা কাৰ্যক এক নিৰপেক্ষ তদন্ত কৰি দোষীক কঠোৰ শাস্তি দিবলৈ ৰাইজে দাবী কৰিছে।

## ছয়গাঁৱৰ পৰগণা গোসাঁই ঘৰত জাৱৰ নিষ্কাষন সজাগতা সভা

**ছয়গাঁও, ২০ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও টাউনত থকা ছয়গাঁও পৰগণা গোসাঁই ঘৰ প্ৰাংগণত নিৰ্মল ফাউণ্ডেছনৰ উদ্যোগত আৰু ছয়গাঁও স্থায়ী দোকানী সন্থাৰ সহযোগত এখন সজাগতা সভা অনুষ্ঠিত হয়। সজাগতা সভাত নিৰ্মল ফাউণ্ডেছনৰ অভিযন্তা সঞ্জীৱ সভাপণ্ডিত আৰু সৌৰশক্তি মন্ত্ৰণালয়ৰ উপদেষ্টা ডং ধৰ্মৰঞ্জন দাসে ৰাইজক জাৱৰ তথা অন্যান্য পেলনীয়া সামগ্ৰীৰ পৰা কেনেকৈ টকা উপাৰ্জন কৰিব পাৰি তাক ব্যাখ্যা কৰাৰ লগতে ছয়গাঁও বজাৰৰ লেতেৰা আৱৰ্জনাবোৰ জধে-মধে নৈ, খাল, বিল আদিত পেলাই নিদি এঠাইত সংৰক্ষণ কৰি থৈ কেনেকৈ নিষ্কাসণ কৰিব পাৰি তাৰ ওপৰত ভাষণ প্ৰদান কৰে। আনহাতে, অসমৰ ছয়গাঁৱত এই কামটো প্ৰথম মডেল হিচাপে কৰিবলৈ সংস্থাটো আগ্ৰহী বুলি কয়। বজাৰ সন্থাৰ উপদেষ্টা উমেশ চৌধুৰীয়ে আঁত ধৰা সভাত গ্ৰামীণ চাহাৰাৰ মুখ্য বিষয়া শৰৎ দাস, সাংবাদিক সুকুমাৰ মেধি, বজাৰ সন্থাৰ সভাপতি মাণিক কলিতা, উপদেষ্টা ব্ৰজেন গোস্বামী উপস্থিত থাকে।

## আগমনীত নিচাজাতীয়-ছেভেন টেবলেটসহ সৰবৰাহকাৰীক আটক

অগ্ৰদূত বাৰ্তা
**আগমনী, ২০ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ আগমনী থানাৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী সত্ৰশাল বি ও পিৰ সীমান্তৰ সুৰক্ষা বাহিনীয়ে যোৱা ১৭ ছেপ্টেম্বৰত নিশা অভিযান চলাই সত্ৰশালৰ পৰা নিচাজাতীয় আৰ ছেভেন টেবলেটসহ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ নাম হামিদুৰ ৰহমান (৩০)। গোলকগঞ্জ থানাৰ অন্তৰ্গত দীঘলটাৰী গাঁৱৰ আব্দুল জলিল সৰকাৰৰ পুত্ৰ হামিদুৰ ৰহমানে ড্ৰাগছ সৰবৰাহ কৰাৰ লক্ষ্যৰে এ এছ-১৭এইছ/৮৩৬০ নম্বৰৰ মটৰ চাইকেল এখনেৰে সত্ৰশাললৈ যোৱাৰ খবৰ লাভ কৰে সীমান্ত সুৰক্ষা বাহিনীয়ে। বিশেষ সূত্ৰৰ আধাৰত পোৱা খবৰৰ ভিত্তিত সত্ৰশাল বি ও পিৰ সীমান্ত সুৰক্ষা বাহিনীয়ে এ এছ ১৭ এইছ/৮৩৬০ মটৰ চাইকেলসহ হামিদুৰ ৰহমান নামৰ যুৱকজনক আটক কৰে। ধৃত যুৱকজনক তালাচী চলোৱাত যুৱকজনৰ কবলৰ পৰা পেকেটত ভৰাই থোৱা অৱস্থাৰ পৰা ৬৬০টা আৰু ছেভেন টেবলেট উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

## বিশ্বনাথত সুলভ মূল্যৰ সাৰৰ বিপণী মুকলি

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ২০ ছেপ্টেম্বৰ ঃ** স্বাধীনতাৰ পাছত তেজপুৰ ডেকাৰ গাঁও ৰেল ষ্টেছনত পোনপ্ৰথমবাৰৰ বাবে লাগিল ইউৰিয়াৰ ৰেক। যোৱা ১৮ ছেপ্টেম্বৰত চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাই বিশ্বনাথ চাৰিআলিৰ বাসুদেৱ ফাৰ্টিলাই জাৰত উদ্বোধন কৰে সুলভ মূল্যৰ সাৰ বিতৰণৰ ব্যৱস্থা। বিশ্বনাথ জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ উদ্যোগত, বিশ্বনাথ চাৰিআলি আঞ্চলিক সমিতি, পাভৈ আঞ্চলিক, সকোমঠা আঞ্চলিক আৰু বিহালী আঞ্চলিকৰ সহযোগত মুকলি কৰা হয় এই বিতৰণৰ ব্যৱস্থা। এতিয়া তিনিশ টকাৰ ভিতৰত লাভ কৰিব ইউৰিয়া। বিশ্বনাথ জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি প্ৰবীণ হাজৰিকাই আঁত ধৰা অনুষ্ঠানত কেবিনেট মন্ত্ৰীৰ মৰ্যাদা প্ৰাপক বিধায়ক হাজৰিকাই আজিৰ এই দিনটো ঐতিহাসিক দিন বুলি উল্লেখ কৰে। তেওঁ কয় যে ইয়াৰ জৰিয়তে বিশ্বনাথ জিলাৰ ১০ হেজাৰৰো অধিক ক্ষুদ্ৰ চাহ খেতিয়ক উপকৃত হ'ব। এই ব্যৱস্থাৰ জৰিয়তে কেৱল বিশ্বনাথতে সমগ্ৰ অসমত চলি থকা ইউৰিয়াৰ ক'লা বজাৰৰ অৱসান ঘটিল বুলি মন্তব্য কৰে। অনুষ্ঠানত বিশ্বনাথ জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, বিশ্বনাথ জিলা কৃষি বিষয়া বিজয় দত্ত, সহকাৰী কৃষি বিষয়া দীপক বাৰৈ, বিজেপিৰ কিষাণ মৰ্চাৰ সম্পাদক ভাস্কৰ হাজৰিকা, বিশ্বনাথ জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সম্পাদক ডাঃ ৰঞ্জন গগৈ, জ্যেষ্ঠ সাংবাদিক নিৰঞ্জন হাজৰিকা আদিয়ে বক্তব্য আগবঢ়ায়। উল্লেখ্য যে কৃষকৰ প্ৰয়োজনীয় ৰাসায়নিক সাৰক কেন্দ্ৰ কৰি ৰাজ্যত এক বৃহৎ ছিণ্ডিকেট চলি আহিছিল। অসমৰ বিভিন্ন প্ৰান্তত ইউৰিয়া সাৰ ছপা মূল্যতকৈ অধিক দামত বিক্ৰী হৈ থকা পৰিলক্ষিত হৈছে। ৰাজ সাহায্যযুক্ত এই ইউৰিয়া সাৰ ৪৫ কিলোগ্ৰাম ওজনৰ ইউৰিয়া সাৰৰ বেগত খুচুৰা মূল্য ২৬৬.৫০ টকা ছপা কৰা থাকে, যদিও খুচুৰা বিক্ৰেতাসকলে পাইকাৰী বিক্ৰেতাৰ পৰা ৩৮০ টকাৰ পৰা ৪৩০ টকা দি ক্ৰয় কৰিবলৈ বাধ্য হৈছে। ফলত কৃষক ৰাইজে এই সাৰ ৪৫০-৫৫০ টকাৰো অধিক দামত কিনিবলগীয়া হয়। কাৰ্যতঃ দৰিদ্ৰ কৃষক ৰাইজৰ মূৰত ৰামটাঙোন দি এক চক্ৰই ৰাজ সাহায্য হৰলুকি কৰি অবৈধ উপায়েৰে কোটি কোটি টকা লুণ্ঠন কৰি আহিছিল।

## অসম ৰাজ্যিক মুক্তিযুঁজাৰু ভৱনত বঞ্চিত বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ সভা

অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ২০ ছেপ্টেম্বৰ ঃ** অহা ২৭ ছেপ্টেম্বৰ সদৌ অসম ভিত্তিত সদৌ অসম অপ্ৰাদেশিকীকৃত হাইস্কুল শিক্ষক-কৰ্মচাৰী সন্থাৰ এখন সভা অনুষ্ঠিত হ'ব। ২০১৭-১৮ৰ প্ৰাদেশিকীকৰণ আইনৰ আওতাৰ বাহিৰত থকা সকলো পৰ্যায়ৰ বিদ্যালয়সমূহৰ শিক্ষক-কৰ্মচাৰীসকলৰ সমস্যাসমূহ আৰু ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কে বিশদ আলোচনাৰ্থে গুৱাহাটী ৰূপনগৰস্থিত অসম ৰাজ্যিক মুক্তিযুঁজাৰু ভৱনত এই সাধাৰণ সভা আহ্বান কৰা হৈছে। উক্ত সভাতে সকলো পৰ্যায়ৰ বিদ্যালয়সমূহৰ প্ৰধান আৰু সহকাৰী শিক্ষক সমন্বিতে উপস্থিত থাকিব বুলি জনাইছে সদৌ অসম অপ্ৰাদেশিকীকৃত হাইস্কুল শিক্ষক-কৰ্মচাৰী সন্থাৰ যুটীয়া সহকাৰী-সাধাৰণ সম্পাদক হৰমোহন বড়াই। সভাৰ প্ৰতিটো বিষয়ত প্ৰতিগৰাকী শিক্ষক-কৰ্মচাৰীৰ মন্তব্য আৰু দিহা-পৰামৰ্শ কৰা হ'ব। উল্লেখ্য যে এক বিশেষ সূত্ৰে প্ৰকাশ সন্থাৰ প্ৰতিবাদী কাৰ্যসূচীৰ নামত একাংশই ধন সংগ্ৰহত লাগি পৰিছে। এতিয়ালৈ অনুষ্ঠিত হোৱা কোনো সভাতে যিহেতু চৰকাৰৰ বিপৰীতে কোনো প্ৰতিবাদী কাৰ্যসূচী লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা নাই, সেয়ে ধন সংগ্ৰহৰো কোনো সিদ্ধান্ত নাই। সেয়েহে সকলোকে সচেতন হ'বলৈ আহ্বান জনাইছে সন্থাৰ বিষয়ববীয়াসকলে। ২৭ ছেপ্টেম্বৰত হ'বলগীয়া সদৌ অসম ভিত্তিত, সদৌ অসম প্ৰাদেশিকীকৃত হাইস্কুল শিক্ষক-কৰ্মচাৰী সন্থাৰ সভাখনৰ বিষয়ে অধিক জানিবলৈ ৯৩৬৫৩৭৭৪৪০ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।




*মুছলপুৰত পোষণ মাহ উপলক্ষে সজাগতা অভিযান, সোমবাৰে।*

## প্ৰশিক্ষণৰে প্ৰতিযোগিতামূলকভাৱে কাম কৰিবলৈ শিপিনীক উৎসাহিত কৰা হ'ব

**■ তামুলপুৰত 'হস্ততাঁত বস্ত্ৰশিল্পৰ দ্বাৰা শিপিনী-বোৱনীৰ দক্ষতা বৃদ্ধি' শীৰ্ষক কৰ্মশালা সম্পন্ন**

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ২০ ছেপ্টেম্বৰ ঃ** বিটিআৰৰ হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ উদ্যোগত আৰু 'এগ্ৰা' নামৰ বেচৰকাৰী সংস্থাৰ সহযোগত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত 'গ্ৰাম্য অৰ্থনীতিত হস্ততাঁত বস্ত্ৰশিল্পৰ দ্বাৰা শিপিনী বোৱনীৰ দক্ষতা বৃদ্ধি' শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। যোৱা ১৮ ছেপ্টেম্বৰত ইউপিপিএ নেত্ৰী হেলেনা স্বৰ্গীয়াৰীৰ সঞ্চালনাত অনুষ্ঠিত কৰ্মশালা উদ্বোধন কৰে বিটিআৰৰ প্ৰধান প্ৰমোদ বড়োৰ পত্নী পাৰুল ভড়ালী বড়োৱে। কৰ্মশালা উদ্বোধন কৰি পাৰুল ভড়ালী বড়ো কয়, 'গাঁৱৰ মহিলাসকলক হস্ততাঁত বস্ত্ৰশিল্পৰ জৰিয়তে দক্ষতা বৃদ্ধি কৰি কি দৰে গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰিব পাৰি তাৰ চিন্তা চৰ্চা কৰা হৈছে। হস্ততাঁত বস্ত্ৰশিল্পৰ জৰিয়তে শিপিনী, বোৱনীসকলক আধুনিক যন্ত্ৰপাতিৰ প্ৰশিক্ষণ দি প্ৰতিযোগিতামূলকভাৱে কাম কৰিবলৈ উৎসাহিত কৰা হ'ব।' সেয়ে 'এগ্ৰা' নামৰ এনজিঅ'টোৰ দ্বাৰা বিটিআৰৰ মহিলাৰসকলৰ মাজত কিছু কাম কৰিব ইচ্ছা প্ৰকাশ কৰিছো বুলিও সদৰী কৰে। কৰ্মশালাত হস্ততাঁত বিভাগৰ বিটিআৰৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীয়ে কয়, 'মই এজন খেতিয়ক আছিলো। ব্যৱসায়ীক ভিত্তিত খেতি কৰাৰ উপৰি বিভিন্ন উন্নত প্ৰজাতিৰ পশুপালন কৰি দৈনিক পাঁচশ লিটাৰ গাখীৰ উৎপাদন কৰি চিৰাং জিলাত এগৰাকী খেতিয়ক হিচাপে পৰিচয় লাভ কৰিছিলো। সেয়ে মহিলাসকলেও বয়ন শিল্পত পাকৈত হ'বলৈ হ'লে প্ৰতিযোগিতাত নামি কাপোৰ উৎপাদন কৰিব লাগিব।' তেওঁ কয় যে মহিলাসকলে শপত খাব লাগিব যে তেওঁলোকৰ হাতৰ কামটো এঘণ্টা, দুঘণ্টা নহয় আঠ ঘণ্টা কৰি হ'লেও সফল হ'ব লাগিব। হস্ততাঁত খাদ্য সংসাধন বিভাগৰ জৰিয়তে মহিলা সকলৰ দক্ষতা বিকাশ কৰি মহিলা সবলীকৰণৰ জৰিয়তে সামজখনৰ উন্নয়ন হোৱাটো বিচাৰো। তেওঁ সমাজৰ গৰিব তথা দুখীয়া মহিলাসকলক কি দৰে সমাজত হস্ততাঁত শিল্পৰ জৰিয়তে আগুৱাই নিব পাৰি তাৰ ওপৰতো বক্তব্য ৰাখে।

হস্ততাঁত বস্ত্ৰশিল্প বিভাগ আৰু এছ ডি তথা প্ৰাক্তন সঞ্চালক যোগেশ দেউৰী, হস্ততাঁত বিভাগৰ চি এছ ডি দিবাকৰ গোস্বামী আৰু তামুলপুৰৰ অধ্যক্ষ বিনোদ কুমাৰ শৰ্মা পৰিদৰ্শক ধীৰেন বড়োৱে হস্ততাঁত শিস্পৰ ওপৰত বক্তব্য ৰাখি অচিৰে তামুলপুৰত শিপিনীসকলৰ কাৰণে এটি সূতা বিংক স্থাপন কৰা হ'ব বুলি কয়। সভাত কিৰন বড়োৱে হস্ততাঁত বস্ত্ৰশিল্পৰ বিষয়ত বক্তব্য ৰাখে। কৰ্মশালাত 'এগ্ৰা' নামৰ বেচৰকাৰী সংগঠনটোৰ প্ৰকাশ কলিতাকে ধৰি ইউ পিপিএল দলৰ তামুলপুৰ জিলা সভাপতি বিপুল কুমাৰ বসুমতাৰী ব্লক সমিতিৰ সভাপতি নিৰঞ্জন ডেকা, সম্পাদক কবিন বসুমতাৰী সহিতে জিতেন মুছাহাৰী, জয়ন্ত শৰ্মা, ৰঞ্জন স্বৰ্গীয়াৰী, বিজয় বড়ো সহ বিষয়ববীয়াসকল উপস্থিত থাকে।



*ঢকুৱাখনাত ক'ভিড নিয়ম মানি বিদ্যালয়ত পাঠদান আৰম্ভ, সোমবাৰে।*

## নাট্যকৰ্মী-অৱসৰপ্ৰাপ্ত শিক্ষক মুকুল কুমাৰ দাসৰ ক'ভিডত মৃত্যু

অগ্ৰদূত বাৰ্তা
**পলাশবাৰী, ২০ ছেপ্টেম্বৰ ঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত মিৰ্জা নিবাসী নাট্যকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক মুকুল কুমাৰ দাস (৬২)ৰ কালি বিয়লি ক'ভিডত মৃত্যু হয়। তেওঁৰ মৃত্যুক সমগ্ৰ মিৰ্জা অঞ্চলত শোকৰ ছাঁ পৰাৰ লগতে কালি সন্ধিয়া মিৰ্জাত অন্তৰংগ অনুষ্ঠানে এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰি তেওঁৰ বিদেহী আত্মাৰ সদ্গতি কামনা কৰে। আনহাতে, কালি বিয়লি তেওঁৰ গুৱাহাটীত এক শোকাকূল পৰিৱেশৰ মাজত শেষকৃত্য সম্পন্ন কৰা হয়। তেওঁ মৃত্যুৰ সময়ত পত্নীসহ পুত্ৰ-কন্যাক এৰি যায়। উল্লেখ্য যে নাট্যকৰ্মী, অভিনেতা কুমাৰে এসময়ত দক্ষিণ কামৰূপ মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি আন্তঃমহোৎসৱত বঁটা লাভ কৰিবলৈ সক্ষম হয়। তেওঁ প্ৰায় তিনিমাহ পূৰ্বে আৰ বি উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ পৰা অৱসৰ লাভ কৰাৰ উপৰি তেওঁ বিদ্যালয়খনৰ শতবৰ্ষ উদ্যাপন সমিতিৰ স'তে সংলগ্ন বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ যুটীয়া সম্পাদক হিচাপে দায়িত্বত আছিল। তেওঁ অসমৰ বিভিন্ন প্ৰান্তত নাট পৰিৱেশন কৰাৰ সমান্তৰালভাৱে মিৰ্জা নাট্য গোষ্ঠীৰো সক্ৰিয় নাট্যযোদ্ধা হৈ ঢুলীয়া নাটকত অভিনয় কৰি ৰাইজৰ সমাজৰ লাভ কৰিছিল। অমায়িক সহজ-সৰল হাঁহি হাঁহি লগতে আনকো হঁহুৱাই ভাল পোৱা দাসৰ মৃত্যুত মিৰ্জা নাট্য গোষ্ঠী, দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, ই পি মিডিয়া ফৰাম ছাউথ কামৰূপ, সদিচ্ছা (আড্ডা), বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী গোটকে ধৰি বিভিন্ন লোকে শোক প্ৰকাশ কৰে।

## কুখ্যাত এ টি এম চোৰ গ্ৰেপ্তাৰ দৰঙত

অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ২০ ছেপ্টেম্বৰ ঃ** এ টি এম চুৰিকে ধৰি বিভিন্ন অপৰাধজনিত দুষ্কাৰ্যত জড়িত এজনক গ্ৰেপ্তাৰ কৰিছে দৰং আৰক্ষীয়ে। ধৃতজনক চিৰাং জিলাৰ ঢালিগাঁও থানাৰ অন্তৰ্গত বৰতলোৱা গাঁৱৰ আৰু শেহতীয়াকৈ দলঙৰ দলগাঁৱত ভাড়াঘৰত থকা ৰফিকুল ইছলাম বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে ৰফিকুলৰ জিম্মাৰ পৰা নগদ চাৰি লাখ টকা আৰু দুখন গাড়ী জব্দ কৰিছে। উল্লেখ্য যে ছিপাঝাৰ থানাৰ ৫৬৬/২০২১ নম্বৰৰ এটি গোচৰৰ ভিত্তিত যোৱা ১৬ ছেপ্টেম্বৰত নিশা দৰং আৰক্ষীয়ে দলগাঁৱৰ পৰা গ্ৰেপ্তাৰ কৰিছে। অলপতে ছিপাঝাৰত এছ বি আইৰ এ টি এম ভাঙি কে'বালক্ষ টকা লুটি নিছিল গভাইত চোৰৰ দলে। আৰক্ষীয়ে অনুসন্ধান চলাই অৱশেষত ৰফিকুলক গ্ৰেপ্তাৰ কৰে। দলটোৱে পুৰতি নিশা গাড়ীৰে আহি ৰন্ধন গেছৰ চিলিণ্ডাৰ ব্যৱহাৰ কৰি এ টি এম ভাঙি এক লোমহৰ্ষক কাৰ্য কৰিছিল।

## নাথকুছিত ৰাষ্ট্ৰীয় পোষণ মাহ উদ্যাপন

অগ্ৰদূত বাৰ্তা
**পাটাছাৰকুছি, ২০ ছেপ্টেম্বৰ ঃ** পাটাছাৰকুছিৰ নিকটৱৰ্তী নাথকুছিত যোৱা ১৮ ছেপ্টেম্বৰত বাগ্সা জিলাৰ অধীনত টিহু-বৰমা সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত ৪৪ নম্বৰ নাথকুছি গাঁও পঞ্চায়তৰ সভা গৃহত 'ৰাষ্ট্ৰীয় পোষণ মাহ' উদ্যাপন কৰা হয়। শিশু আৰু মহিলাসকল, অংগনৱাড়ী কেন্দ্ৰসমূহৰ কৰ্মী-সহায়িকাসকলক লৈ উলিওৱা শোভাযাত্ৰা নাথকুছি অঞ্চল পৰিভ্ৰমণ কৰে। শোভাযাত্ৰা উদ্বোধন কৰে টিহু-বৰমা সংহত শিশু প্ৰকল্প বিষয়া অনিমা বৰ্মনে। পাছত নাথকুছি পঞ্চায়তৰ সভাপতি গোপাল চন্দ্ৰ তালুকদাৰৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিষয়াগৰাকীয়ে কয় যে শিশুসকলৰ জন্মৰ পৰা ছমাহলৈকে মাতৃসকলক মাতৃদুগ্ধ পান কৰোৱাৰ লগতে নিজৰ স্বাস্থ্যৰ ক্ষেত্ৰত সজাগতাৰ দৰকাৰ।

## সম্প্ৰতি পৃথিৱীয়েই এখন ঘৰত পৰিণত হৈছে ঃ ডং শৰ্মা

**■ টিহুত 'স্বপ্নদ্ৰষ্টা দশৰথ পাঠক' শীৰ্ষক অভিনন্দন গ্ৰন্থ উন্মোচন**

অগ্ৰদূত বাৰ্তা
**টিহু, ২০ ছেপ্টেম্বৰ ঃ** 'পৃথিৱীত এতিয়া আধুনিক যুগৰ পৰা 'উত্তৰ আধুনিক যুগ' আৰম্ভ হৈছে। এই যুগত সমগ্ৰ পৃথিৱীখনেই এখন ঘৰত পৰিণত হৈ পৰিছে।' বিশিষ্ট সাহিত্যিক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক ডং গোবিন্দ প্ৰসাদ শৰ্মাই কালি টিহুত এইদৰে কয়। টিহু মহাত্মা গান্ধী ভৱন পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা টিহুৰ বিশিষ্ট সমাজকৰ্মী তথা শিক্ষাব্ৰতী দশৰথ পাঠকৰ অভিনন্দনমূলক 'স্বপ্নদ্ৰষ্টা দশৰথ পাঠক' শীৰ্ষক এক গ্ৰন্থ উন্মোচন কৰি ডং শৰ্মাই ভাষণ প্ৰসংগত উত্তৰ আধুনিক যুগৰ বিভিন্ন দিশ ব্যাখ্যা কৰে। নিজৰ গৃহ চহৰ টিহুত উপস্থিত হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপকজনে নিজৰ স্কুলীয়া জীৱনৰ স্মৃতি ৰোমন্থন কৰে। টিহু মহাত্মা গান্ধী ভৱন সমিতিৰ সভাপতি সোমনাথ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ভাষণ আগবঢ়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ডং অৱনী কুমাৰ ভাগৱতীয়ে একালত কৃষক সমাজে প্ৰতিষ্ঠা কৰা গাঁওসমূহ শিক্ষক-ছাত্ৰ সমাজে শৃংখলাবদ্ধ কৰা বুলি মন্তব্য কৰে। ভাষণ প্ৰসংগত ডং ভাগৱতীয়ে অসমীয়া ভাষাৰ প্ৰতিষ্ঠাপকসকলক প্ৰতিটো দিনতে প্ৰতিগৰাকী অসমীয়াক স্মৰণ কৰিবলৈ মুকলি আহ্বান জনায়। সাহিত্য সমালোচনাক অধিক গুৰুত্ব আৰোপ কৰি অধ্যাপক ডং ভাগৱতীয়ে সমালোচকৰ সংখ্যা কমিলে সাহিত্য দিশহাৰা হয় বুলি মন্তব্য কৰে। টিহু মহাত্মা গান্ধী ভৱন সমিতিৰ সম্পাদক কৰুণা কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত ডং ভাগৱতীয়ে সকলো ধৰ্মৰে উমৈহতীয়া সমল 'মানৱতাবাদক' সুস্থ হৈ থকাত গুৰুত্ব আৰোপ কৰে। তেওঁ অসমৰ মুল অৰ্থনীতি ক্ৰমে কৃষি, পশুপালন, মৎস্যপালন আৰু গছপুলি ৰোপণক অধিক গুৰুত্ব দিবলৈ সকলোকে আহ্বান জনায়। সভাত বিশিষ্ট সাহিত্যিক ইছমাইল হুছেইন, শিক্ষাসেৱী দুলুমণি বৰঠাকুৰ, সমাজ সংগঠক ৰবীন্দ্ৰ নাথ স্বৰ্গীয়াৰী, অভিনন্দিত দশৰথ পাঠক আদি বিশিষ্ট ব্যক্তিসকলেও বক্তব্য ৰাখে। টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ ডং কিশোৰ কুমাৰ তালুকদাৰে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় টিহু সাহিত্য সভাৰ সভাপতি শংকৰ কুমাৰ দাসে। গ্ৰন্থখনৰ সম্পাদক অজিত কুমাৰ শৰ্মাই আঁত ধৰা আৰু শলাগৰ শৰাই আগবঢ়োৱাৰ লগতে শিল্পী হেমন্ত তালুকদাৰৰ গীতেৰে আৰম্ভ কৰা সভাত দশৰথ পাঠকৰ পৰিয়ালৰ সদস্য, আত্মীয়, লেখক-লেখিকা আদি ভালেসংখ্যক বিশিষ্ট নাগৰিক উপস্থিত থাকে। অনুষ্ঠানত টিহুৰ বিভিন্ন অনুষ্ঠান-সংগঠন তথা ব্যক্তি বিশেষে ঢকুৱাখনা মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ দশৰথ পাঠকক বিশেষভাৱে সম্বৰ্ধনা জনায়।

## বিলাসীপাৰাত অবৈধভাৱে বালি কঢ়িওৱা ১০ খন ডাম্পাৰ জব্দ

বিশেষ সংবাদদাতা
**বিলাসীপাৰা, ২০ ছেপ্টেম্বৰ ঃ** বিলাসীপাৰা মহকুমাত দিনে-নিশাই অতিৰিক্ত বোজাই কৰা শিল-বালি কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্যই অতিষ্ঠ কৰি তুলিছে পথচাৰীক। মহকুমাটোৰ লক্ষীগঞ্জ আৰক্ষীয়ে আজি তেনে অবৈধভাৱে বালি কঢ়িওৱা ১০ খন ডাম্পাৰ জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত ডাম্পাৰকেইখনৰ নম্বৰ হ'ল ডব্লিউ বি-৬৯-৯০৪৫, ডব্লিউ বি-৭৩ ই-৭৮৩৯, ডব্লিউ বি-৪৪৫৭, ডব্লিউ বি-৭৩ ই-২৭৩২, ডব্লিউ বি-৬৯ এ-৩০১৯, এ এছ-২৬ চি-৮৫২৭, এ এছ-২৬ চি-৫৪৭২, এ এছ-২৬ চি-৭৭০১, এ এছ-২৬ চি-৭৭০৯ আৰু এখন নম্বৰবিহীন। সম্প্ৰতি জব্দ কৰা বাহনকেইখন বন বিভাগ আৰু পৰিবহণ বিভাগক গতাই দিছে আৰক্ষীয়ে। উল্লেখ্য যে এনে অবৈধ শিল-বালি কঢ়িওৱা ডাম্পাৰসমূহৰ বিষয়ে ৰহস্যজনকভাৱে নীৰৱতা অৱলম্বন কৰি অহাৰ অভিযোগ উঠিছে বন বিভাগ আৰু পৰিবহণ বিভাগৰ বিৰুদ্ধে।






### টি-২০ ক্ৰিকেটৰ প্ৰতি মোহভংগ কোহলিৰ

# আই পি এলৰ পাছত আৰ চি বিৰ অধিনায়ক পদো এৰিব বিৰাটে

**ডুবাই, ২০ ছেপ্টেম্বৰ ঃ** চলিত আই পি এলৰ পাছতে ৰয়েল চেলেঞ্জাৰ বাংগালুৰু দলৰ অধিনায়ক পদৰ পৰা অব্যাহতি ল'ব বিৰাট কোহলিয়ে। ৰয়েল চেলেঞ্জাৰ বাংগালুৰু তথা বিৰাটে যুটীয়াকৈ এই কথা ঘোষণা কৰিছে। অৱশ্যে বিৰাটে আৰ চি বি ত্যাগ কৰাৰ কোনো কথা ব্যক্ত কৰা নাই। উল্লেখ্য যে টি-20 ক্ৰিকেটৰ নেতৃত্বৰ পৰা নিজক আঁতৰাই ৰাখিবলৈ সিদ্ধান্ত লৈছে কোহলিয়ে। সেয়ে এই ঘোষণা আগতীয়াকৈ কৰিছে। স্মৰ্তব্য যে ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক বিৰাট কোহলিয়ে আসন্ন আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পাছতে টি-20 ৰ অধিনায়ক পদ ত্যাগ কৰিব। ইতিমধ্যে এই বিষয়ে বিৰাটে ছ'ছিয়েল মিডিয়াত এক পত্ৰ প্ৰকাশ কৰি টি-20 ৰ অধিনায়ক পদ ত্যাগ কৰাৰ কথাটো আনুষ্ঠানিকভাৱে ঘোষণা কৰে। অৱশ্যে খেলুৱৈৰূপে কোহলিয়ে টি-20 ক্ৰিকেট খেলি থাকিব লগতে এদিনীয়া আৰু টেষ্ট ক্ৰিকেটত ভাৰতীয় দলক নেতৃত্বও দিব। ইতিমধ্যে এই বিষয়ে বিৰাটে বি চি চি আইৰ সভাপতি সৌৰভ গাংগুলী, সম্পাদক জয় শ্বাহ আৰু নিৰ্বাচক কমিটিৰ অধ্যক্ষৰ লগত আলোচনা কৰিছে।



উল্লেখ্য যে টীম ইণ্ডিয়াই আসন্ন আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত পাকিস্তানৰ বিৰুদ্ধে খেলি নিজৰ অভিযান আৰম্ভ কৰিব। অহা 24 অক্টোবৰত ডুবাইত অনুষ্ঠিত হ'ব ভাৰত আৰু পাকিস্তানৰ মাজৰ হাইভ'ল্টেজ মেচখন। আনহাতে এইবাৰৰ চলিত আই পি এল সামৰণি পৰিব অহা 15 অক্টোবৰত। উল্লেখ্য যে অহা 17 অক্টোবৰৰ পৰা আৰম্ভ হ'বলগা আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটৰ ফাইনেল হ'ব অহা 14 নৱেম্বৰত। ভাৰতে দ্বিতীয় মেচ খেলিব নিউজিলেণ্ডৰ বিৰুদ্ধে ডুবাইত 31 অক্টোবৰত। আনহাতে, তিনি নবেম্বৰত আবু ঢাবিত আফগানিস্তানৰ বিৰুদ্ধে খেলিব ভাৰতে। গ্ৰুপৰ পৰৱৰ্তী মেচ দুখন ভাৰতে পাঁচ আৰু আঠ নৱেম্বৰত খেলিব আবু ঢাবি আৰু ডুবাইত। অৱশ্যে এই মেচত ভাৰতৰ প্ৰতিদ্বন্দ্বী কোন হ'ব সেয়া নিৰ্ণয় হ'ব কোৱালিফায়িং ৰাউণ্ডৰ মেচৰ অন্তত। উল্লেখ্য যে বিৰাট কোহলিৰ নেতৃত্বত ভাৰতীয় দলে সফলতা লাভ কৰিলেও কোনো আই চি চি প্ৰতিযোগিতাৰ খিতাপ দখল কৰিব পৰা নাই। একেদৰে আৰ চি বিকো আই পি এলৰ খিতাপ দিব পৰা নাই কোহলিয়ে।

# নিউজিলেণ্ড, ৱেষ্ট ইণ্ডিজ, শ্ৰীলংকা, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ঘৰত শৃংখলা খেলিব ভাৰতে



**মুম্বাই, ২০ ছেপ্টেম্বৰ ঃ** ভাৰতীয় ক্ৰিকেট দলে অনাগত আঠ মাহত গৃহভূমিত চাৰিখন দেশৰ বিৰুদ্ধে শৃংখলা খেলিব। আজি বি চি চি আয়ে ভাৰতীয় ক্ৰিকেট দলৰ ঘৰুৱা আন্তৰ্জাতিক মেচৰ সূচী প্ৰকাশ কৰিছে। সেই অনুসৰি টীম ইণ্ডিয়াই নিউজিলেণ্ড, ৱেষ্ট ইণ্ডিজ, শ্ৰীলংকা আৰু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চাৰিটা শৃংখলা খেলিব। আসন্ন আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পাছতে এই শ্ৰীলংকা আৰম্ভ হ'ব। নৱেম্বৰৰ পৰা নিউজিলেণ্ডৰ বিৰুদ্ধে আৰম্ভ হ'ব লগা শৃংখলা অহাবছৰ জুনত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা শৃংখলাৰে সমাপ্ত হ'ব। উল্লেখ্য যে টীম ইণ্ডিয়াই নিউজিলেণ্ড, ৱেষ্ট ইণ্ডিজ, শ্ৰীলংকা আৰু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে এই সময়চোৱাত চাৰিখন টেষ্ট, তিনিখন এদিনীয়া আৰু 14 খন টি-20 মেচ খেলিব। নিউজিলেণ্ডৰ বিৰুদ্ধে ভাৰতে তিনিখন টি-20 আৰু দুখন টেষ্ট খেলিব। আনহাতে, ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতীয় ক্ৰিকেট দলে তিনিখন এদিনীয়া আৰু সমসংখ্যক টি-20 মেচ খেলিব। তাৰপাছত শ্ৰীলংকাৰ বিৰুদ্ধে ভাৰতীয় দলে দুখন টেষ্ট আৰু তিনিখন টি-20 মেচ খেলিব। আনহাতে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে পাঁচখন টি-20 মেচ খেলিব টীম ইণ্ডিয়াই।

### ছিনিয়ৰ ৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতা

# আজি সোণ জয়ৰ লক্ষ্যৰে ফাইনেল খেলিব শিৱ থাপাই

**ষ্টাফ ৰিপ'ৰ্টাৰ,**
**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ অলিম্পিয়ান বক্সাৰ শিৱ থাপাই চলিত এলিট ছিনিয়ৰ ৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত হোৱা ছেমিফাইনেলত শিৱই হেলাৰঙে 5-0 ৰ ব্যৱধানত জয়লাভ কৰি সোণ দখলৰ মেচলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে ছেমিফাইনেলত শিৱৰ প্ৰতিদ্বন্দ্বী আছিল উত্তৰ প্ৰদেশৰ অভিযেক যাদব। এতিয়া কাইলৈ হ'বলগা ফাইনেলত শিৱ মুখামুখি হ'ব এছ এছ চি বিৰ দলবীৰ সিং তোমৰৰ বিৰুদ্ধে। উল্লেখ্য যে ইয়াৰপূৰ্বে শিৱই ছেমিফাইনেলত প্ৰৱেশ কৰিয়েই পদক জয় নিশ্চিত কৰিছিল। কৰ্ণাটকত চলি থকা পঞ্চম এলিট ছিনিয়ৰ ৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত হোৱা পুৰুষৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰ শিৱ থাপা মুখামুখি হয় আৰ এছ পি বিৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে। 63 কিলোগ্ৰাম শাখাত খেলা শিৱই মেচখনত 4-1 ৰ ব্যৱধানত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰাৰ লগতে পদক জয় নিশ্চিত কৰে। আজি ছেমিফাইনেলত শিৱই অধিক আত্মবিশ্বাসৰে খেলে। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক খেলা শিৱ থাপাই বিগত টকিঅ' অলিম্পিকত অংশ ল'ব নোৱাৰিলে। কিন্তু এতিয়া লক্ষ্য লৈছে আসন্ন এছিয়ান গেমছ আৰু কমনৱেলথ গেমছত খেলাৰ বাবে।



# অসম টি-২০ চেলেঞ্জাৰ্ছ ট্ৰফী ক্ৰিকেট

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম টি-20 চেলেঞ্জাৰ্ছ ট্ৰফীৰ আজিৰ খেলত কাজিৰঙা হিৰোজ আৰু বৰাক ব্ৰেভহাৰ্টছ দলে জয়লাভ কৰিছে। প্ৰথম মেচত কাজিৰঙা হিৰোজ দলে (146-5] 28 ৰাণত পৰাস্ত কৰে মানস টাইগাৰ্ছ দলক (118-10]¼ ইফালে, দিনটোৰ দ্বিতীয় মেচত বৰাক ব্ৰেভহাৰ্টছ দলে (123-6] চাৰি উইকেটত পৰাস্ত কৰে দিহিং পাটকাই ৰাইডাৰ্ছক (122-7]¼





# ইটালিয়ান লীগত ড্ৰ খেলি পইণ্ট ভগালে জুভেণ্টাছ-এ চি মিলানে

**ৰোম, ২০ ছেপ্টেম্বৰ ঃ** ইটালিয়ান ফুটবল লীগত এতিয়াও জয়ৰ পৰা বঞ্চিত হৈ আছে জুভেণ্টাছ। যোৱানিশা দলে 1-1 গ'লত ড্ৰ খেলে এ চি মিলানৰ লগত। উল্লেখ্য যে ঘৰুৱা লীগত ধাৰাবাহিক ব্যৰ্থতাৰ সন্মুখীন হ'লেও চেম্পিয়নছ লীগ ফুটবলৰ প্ৰাক্তন চেম্পিয়ন জুভেণ্টাছে চলিত ছিজনৰ চেম্পিয়নছ লীগ ফুটবলত জয়ৰে প্ৰত্যাসিত আৰম্ভণি কৰিবলৈ সক্ষম হৈছে। প্ৰথম মেচত ইটালীৰ ক্লাবটোৱে 3-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে মালমোক। চেম্পিয়নছ লীগৰ গ্ৰুপ 'এইছ'ৰ মেচখনত জুভেণ্টাছে তিনিওটা গ'ল খেলৰ প্ৰথমাৰ্ধতে দিয়ে। 23 মিনিটত ছিলভাৰ গ'লেৰে প্ৰথমে অগ্ৰগতি লোৱা জুভেণ্টাছৰ হৈ দ্বিতীয়টো গ'ল পেনাল্টিৰ জড়িয়তে কৰে খেলৰ 45 মিনিটত ডিবালাই। আনহাতে, প্ৰথমাৰ্ধৰে ইঞ্জুৰী টাইমত ম'ৰাতাই গ'ল কৰি জুভেণ্টাছৰ 3-0 ৰ বিজয় নিশ্চিত কৰে। উল্লেখ্য যে ইটালীয়ান ফুটবল লীগৰ অন্তিম মেচত পৰাজয়ৰ সন্মুখীন হৈছিল জুভেণ্টাছ। নেপ'লিয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে জুভেণ্টাছক। ইটালীয়ান ফুটবল লীগত নেপ'লি পইণ্ট তালিকাৰ শীৰ্ষত উপনীত হোৱাৰ বিপৰীতে জুভেণ্টাছৰ বৰ্তমানৰ স্থান হ'ল 14¼ উল্লেখ্য যে জুভেণ্টাছৰ তাৰকা পৰ্তুগীজ ফুটবল তাৰকা ক্ৰিষ্টিয়ানো ৰোণাল্ডোই এইবাৰ যোগ দিছে ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ ইউনাইটেডত। সেয়ে জুভেণ্টাছৰ বিপৰ্যয় আৰম্ভ হৈছে ঘৰুৱা লীগত। কিন্তু চলিত ছিজনৰ চেম্পিয়নছ লীগ ফুটবলত জয়ৰে প্ৰত্যাসিত আৰম্ভণি কৰি প্ৰত্যাৱৰ্তন কৰিছে চেম্পিয়নছ লীগ ফুটবলৰ প্ৰাক্তন চেম্পিয়ন জুভেণ্টাছে। ইফালে, চেম্পিয়নছ লীগত এ চি মিলানে আত্মঘাটী গ'ল হজম কৰি পৰাজয়ৰ সন্মুখীন হৈছিল ইংলিছ ক্লাব লিভাৰপুলৰ বিৰুদ্ধে। নিজৰ প্ৰথম মেচখনত 3-2 গ'লত পৰাস্ত হয় এ চি মিলান।

### অন্তিম ক্ষণত ৰিয়ালৰ জয়লাভ

# পি এছ জিৰ তৃতীয় মেচতো গ'ল কৰাত ব্যৰ্থ হ'ল মেছি

**মাদ্ৰিদ, ২০ ছেপ্টেম্বৰ ঃ** প্ৰথমে গ'ল হজম কৰাৰ পাছতো লা-লিগাত জয়ৰে সম্পূৰ্ণ পইণ্ট লাভ কৰিছে ৰিয়াল মাদ্ৰিদে। বিগত বৰ্ষৰ চেম্পিয়ন ৰিয়াল মাদ্ৰিদে যোৱানিশাৰ মেচত 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ভেলেন্সিয়াক। উল্লেখ্য যে খেল সামৰিবলৈ ছয় মিনিট থকা অৱস্থাত দুটা গ'ল কৰি প্ৰথমে গ'ল হজম কৰাৰ পাছতো ৰিয়াল মাদ্ৰিদে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ভেলেন্সিয়াক। উল্লেখ্য যে যোৱা সপ্তাহৰ চেম্পিয়নছ লীগৰ মেচত স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল ইটালীৰ ক্লাব ইণ্টাৰ মিলানক। **ফৰাচী লীগ ঃ** ইফালে, ফৰাচী লীগত যোৱানিশাৰ মেচত পি এছ জিয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে লিয়নক। কিন্তু এই মেচতো গ'ল কৰিব নোৱাৰিলে দলৰ নতুন তাৰকা লিয়নেল মেছিয়ে। পি এছ জিৰ হৈ তিনিখন মেচ খেলাৰ পাছতো গ'ল কৰাত ব্যৰ্থ হৈছে মেছি। উল্লেখ্য যে যোৱা সপ্তাহৰ চেম্পিয়নছ লীগৰ মেচত নেইমাৰ, মেছি আৰু এমবাপ্পে থকাৰ পাছতো ফ্ৰান্সৰ ক্লাব পি এছ জিয়ে 1-1 গ'লত ড্ৰ খেলিবলৈ বাধ্য হয় ক্লাব ব্ৰুগেছৰ বিৰুদ্ধে।



### মেনেজাৰ পদত অসমৰ ওমৰ ৰছিদ

# ২২ ছেপ্টেম্বৰত ছুধিৰমান থমাছ কাপলৈ ভাৰতীয় দল

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** ভাৰতীয় বেডমিণ্টন সন্থাৰ ইভেণ্ট সম্পাদক তথা অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰছিদক ভাৰতীয় বেডমিণ্টন দলৰ মেনেজাৰৰ দায়িত্ব অৰ্পন কৰা হৈছে। উল্লেখ্য যে বিশ্ব বেডমিণ্টন সন্থাৰ দুখন সন্মানীয় প্ৰতিযোগিতা ছুধিৰমান কাপ আৰু থমাছ কাপত অংশ ল'ব ভাৰতীয় বেডমিণ্টন দলে। অহা 26 ছেপ্টেম্বৰৰ পৰা তিনি অক্টোবৰলৈ ফিনলেণ্ডত অনুষ্ঠিত হ'ব ছুধিৰমান কাপ বেডমিণ্টন। আনহাতে, অহা ন অক্টোবৰৰ পৰা 17 অক্টোবৰলৈ ডেনমাৰ্কত অনুষ্ঠিত হ'ব থমাছ কাপ বেডমিণ্টন। পূৰ্বে কেবাখনো আন্তৰ্জাতিক প্ৰতিযোগিতাত ভাৰতীয় দলৰ মেনেজাৰ হোৱাৰ অভিজ্ঞতা থকা অসমৰ ওমৰ ৰছিদক প্ৰথমবাৰৰ বাবে বিশ্ব বেডমিণ্টন সন্থাৰ দুখন সন্মানীয় প্ৰতিযোগিতা ছুধিৰমান কাপ আৰু থমাছ কাপৰ ভাৰতীয় দলৰ মেনেজাৰৰ দায়িত্ব দিয়া হৈছে। অহা 22 ছেপ্টেম্বৰত ভাৰতীয় দল হায়দৰাবাদৰ পৰা ৰাওনা হ'ব। উল্লেখ্য যে কৰ'নাৰ বাবে বন্ধ হৈ আছিল ছুধিৰমান কাপ আৰু থমাছ কাপ বেডমিণ্টন প্ৰতিযোগিতা।



# আই পি এলত মুম্বাইৰ বিৰুদ্ধে চেন্নাই ছুপাৰ কিংছৰ জয়লাভ

**ডুবাই, ২০ ছেপ্টেম্বৰ ঃ** চলিত আই পি এলৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত চেন্নাই ছুপাৰ কিংছ দলে 20 ৰাণত পৰাস্ত কৰে মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে 20 অভাৰত ছয় উইকেট হেৰুৱাই সংগ্ৰহ কৰে 156 ৰাণ। দলৰ হৈ সৰ্বাধিক 88 ৰাণ কৰে ৰিতুৰাজ গাইকোৱাড়ে। আনহাতে, ৰবীন্দ্ৰ জাডেজাই 26 ৰাণ আৰু ব্ৰাভোই 23 ৰাণ কৰে। ব্যৰ্থ হয় ফাফ ডুপ্লেছিছ, মঈন আলী, আম্বাতি ৰায়ডু আৰু মহেন্দ্ৰ সিং ধোনি। ইফালে, মুম্বাই ইণ্ডিয়ানছে জয়ৰ বাবে 157 ৰাণ অনুসৰণ কৰি গৈ 20 অভাৰত আঠ উইকেটত 136 ৰাণ কৰে। দলৰ হৈ সৰ্বাধিক 50 ৰাণ কৰে সৌৰভ তিৱাৰীয়ে। বিপৰীতে চেন্নাই ছুপাৰ কিংছ দলৰ ব্ৰাভোই তিনিটা উইকেট দখল কৰে। উল্লেখ্য যে চেন্নাই ছুপাৰ কিংছ দলৰ বিৰুদ্ধে খেলা মেচখনত অংশ নল'লে মুম্বাই ইণ্ডিয়ানছৰ অধিনায়ক ৰোহিত শৰ্মাই। আনহাতে, মুম্বাই ইণ্ডিয়ানছৰ তাৰকা অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াও এই মেচত খেলাৰ পৰা আঁতৰি থাকে।





# দলৰ পৰৱৰ্তী মেচত খেলিব ৰোহিতে ঃ প্ৰশিক্ষক জয়বৰ্ধনে

**ডুবাই, ২০ ছেপ্টেম্বৰ ঃ** চলিত আই পি এলত যোৱানিশা চেন্নাই ছুপাৰ কিংছ দলৰ বিৰুদ্ধে খেলা মেচখনত অংশ নল'লে মুম্বাই ইণ্ডিয়ানছৰ অধিনায়ক ৰোহিত শৰ্মাই। আনহাতে, মুম্বাই ইণ্ডিয়ানছৰ তাৰকা অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াও এই মেচত খেলাৰ পৰা আঁতৰি থাকে। কিন্তু মুম্বাইৰ পৰৱৰ্তী মেচত ৰোহিতে খেলিব বুলি আজি ব্যক্ত কৰিছে দলৰ প্ৰশিক্ষক মাহেলা জয়াবৰ্ধনে। কিন্তু অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়া সন্দৰ্ভত কোনো মন্তব্য দিয়া নাই মুম্বাই ইণ্ডিয়ানছৰ প্ৰশিক্ষকজনে। উল্লেখ্য যে ডুবাইত হোৱা মেচত চেন্নাই ছুপাৰ কিংছ দলে 20 ৰাণত পৰাস্ত কৰে মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে 20 অভাৰত ছয় উইকেট হেৰুৱাই সংগ্ৰহ কৰে 156 ৰাণ। ইফালে, মুম্বাই ইণ্ডিয়ানছে জয়ৰ বাবে 157 ৰাণ অনুসৰণ কৰি গৈ 20 অভাৰত আঠ উইকেটত 136 ৰাণ কৰে। দলৰ হৈ সৰ্বাধিক 50 ৰাণ কৰে সৌৰভ তিৱাৰীয়ে। বিপৰীতে চেন্নাই ছুপাৰ কিংছ দলৰ ব্ৰাভোই তিনিটা উইকেট দখল কৰে।

# ইংলিছ প্ৰিমিয়াৰ লীগত চেলছি, মানচেষ্টাৰ ইউনাইটেডৰ জয়লাভ

**লণ্ডন, ২০ ছেপ্টেম্বৰ ঃ** ইংলিছ প্ৰিমিয়াৰ লীগত যোৱানিশাৰ মেচত মানচেষ্টাৰ ইউনাইটেডে 2-1 গ'লত পৰাস্ত কৰে ৱেষ্টহামক। প্ৰথমে পিছ পৰাৰ পাছতো ৰোনাল্ডোৰ গ'লেৰে জয় অৰ্জন কৰে মানচেষ্টাৰ ইউনাইটেডে। উল্লেখ্য যে পৰ্তুগীজ ফুটবল তাৰকা ক্ৰিষ্টিয়ানো ৰোনাল্ডোই প্ৰথমে গ'ল কৰাৰ পাছতো চলিত ছিজনৰ চেম্পিয়নছ লীগ ফুটবলত পৰাজয়ৰে অভিযান আৰম্ভ কৰিছে ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ ইউনাইটেডে। চেম্পিয়নছ লীগৰ গ্ৰুপ 'এফ'ৰ এখন মেচত ইয়ং বয়জ দলে 2-1 গ'লৰ ব্যৱধানত মানচেষ্টাৰ ইউনাইটেডক পৰাস্ত কৰি অঘটন সৃষ্টি কৰিছে। উল্লেখ্য যে মেচখনত 10 জনৰে খেলিছিল মানচেষ্টাৰ ইউনাইটেডে। খেলৰ 13 মিনিটত পৰ্তুগীজ ফুটবল তাৰকা ক্ৰিষ্টিয়ানো ৰোনাল্ডোই প্ৰথমে গ'ল কৰি মানচেষ্টাৰ ইউনাইটেডক 1-0 গ'লৰ অগ্ৰগতি দিয়ে যদিও 35 মিনিটত ৰঙা কাৰ্ড পাই ইংলণ্ডৰ ক্লাবটোৰ খেলুৱৈয়ে। বিৰতিলৈ মানচেষ্টাৰ ইউনাইটেড 1-0 গ'লত আগুৱাই থাকে যদিও দ্বিতীয়াৰ্ধত ইয়ং বয়জে দুটা গ'ল (66, 90 মিনিট) মেচত জয়লাভ কৰে। অন্তিম ক্ষণত গ'ল হজম কৰি অপ্ৰত্যাসিত পৰাজয়ৰ সন্মুখীন হয় মানচেষ্টাৰ ইউনাইটেড। ইয়াৰপূৰ্বে ই পি এলত মানচেষ্টাৰ ইউনাইটেডৰ হৈ প্ৰথমবাৰৰ বাবে খেলপথাৰত নমা ৰোণাল্ডোই দুটাকৈ গ'ল কৰি দলৰ বিজয়ত মূখ্য ভূমিকা লয়। নিউকাষ্টল ইউনাইটেডৰ বিৰুদ্ধে খেলা মেচখনত মানচেষ্টাৰ ইউনাইটেডে 4-1 গ'লৰ ব্যৱধানত জয় হয়। খেলৰ 45 আৰু 62 মিনিটত গ'ল কৰে ৰোণাল্ডোই। ইফালে, ই পি এলৰ অন্য এখন মেচত চেলছিয়ে 3-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ট'টেনহামক। ইয়াৰপূৰ্বে বিগত বৰ্ষত চেম্পিয়ন ট্ৰফী লাভ কৰা চেলছিয়ে চলিত ছিজনৰ চেম্পিয়নছ লীগ ফুটবলত জয়ৰে নিজৰ অভিযান আৰম্ভ কৰিছে। চেম্পিয়নছ লীগৰ গ্ৰুপ 'এইছ'ৰ মেচত ইংলণ্ডৰ ক্লাব চেলছিয়ে একমাত্ৰ গ'লত পৰাস্ত কৰে জেইণ্ট ছেইণ্ট পীটাৰ্ছবাৰ্গক। খেলৰ 69 মিনিটত চেলছিৰ হৈ বিজয়সুচক গ'লটো কৰে লুকাকুই। উল্লেখ্য যে লুকাকুৰ ধাৰাবাহিকতাৰে চেলছিৰ জয়যাত্ৰা অব্যাহত আছে। ইয়াৰপূৰ্বে ইংলিছ প্ৰিমিয়াৰ লীগৰ নিজৰ অন্তিম মেচত লুকাকুৰ দুটা গ'লৰ সহায়ত চেলছিয়ে 3-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল এষ্টনভিলাক।

# চাপৰ মাজতো দলক জয় দি সুখী ঃ ৰিতুৰাজ



**ডুবাই, ২০ ছেপ্টেম্বৰ ঃ** 'দলৰ শীৰ্ষ বেটছমেনসকলৰ বিদায়ৰ পাছত মোৰ ওপৰত গুৰুত্বপূৰ্ণ দায়িত্ব আহি পৰিছিল। তেনে সময়তে দলৰ সহায়কাৰী ইনিংছ খেলি বিজয়ত অৰিহনা দিব পাৰি সুখ অনুভৱ কৰিছো। লগতে সহযোগ কৰাৰ বাবে জাডেজা আৰু ব্ৰাভোৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছো।' এই মন্তব্য চেন্নাই ছুপাৰ কিংছৰ অপেনাৰ ৰিতুৰাজ গাইকোৱাডৰ। উল্লেখ্য যে চলিত আই পি এলৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত চেন্নাই ছুপাৰ কিংছ দলে 20 ৰাণত পৰাস্ত কৰে মুম্বাই ইণ্ডিয়ানছক। চি এছ কে দলৰ বিজয়ৰ নায়ক আছিল ৰিতুৰাজ। উল্লেখ্য যে পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে 20 অভাৰত ছয় উইকেট হেৰুৱাই সংগ্ৰহ কৰে 156 ৰাণ। দলৰ হৈ সৰ্বাধিক 88 ৰাণ কৰে ৰিতুৰাজ গাইকোৱাড়ে। তেওঁ 58 টা বল খেলে। আনহাতে, ৰবীন্দ্ৰ জাডেজাই 26 ৰাণ আৰু ব্ৰাভোই 23 ৰাণ কৰে। বিপৰীতে ব্যৰ্থ হয় ফাফ ডুপ্লেছিছ, মঈন আলী, আম্বাতি ৰায়ডু আৰু মহেন্দ্ৰ সিং ধোনি। প্ৰত্যুত্তৰত, মুম্বাই ইণ্ডিয়ানছে জয়ৰ বাবে 157 ৰাণ অনুসৰণ কৰি গৈ 20 অভাৰত আঠ উইকেটত 136 ৰাণ কৰে। দলৰ হৈ সৰ্বাধিক 50 ৰাণ কৰে সৌৰভ তিৱাৰীয়ে। চেন্নাই ছুপাৰ কিংছ দলৰ ব্ৰাভোই তিনিটা উইকেট দখল কৰে।



অসম ৰোল বল সন্থাৰ বঁটা প্ৰদান অনুষ্ঠানত সভাপতি মিফতাউদ্দিন আহমেদ আৰু সম্পাদক ভূমিধৰ বৰ্মন।

## বিলাসনন্দন চ'ৰা




# কে বি চিৰ চেক্‌খন হেৰাল

**দেৱীও** অউৰ চজ্জনো, আহক এতিয়া আমি খেলো দুনীয়াৰ এক অদ্ভুত খেল—কে বি চি! এটা এটা প্ৰশ্ন। প্ৰতিটো প্ৰশ্নৰ বাবদ চাৰিটাকৈ লাইফলাইন। আজি আমাৰ কণ্টেষ্টেণ্টজন কোন, তাকে লৈ আপোনালোক নিশ্চয় বৰকৈ উৎসুক হৈ আছে। কিন্তু সঁচা কথাটো হ'ল—আজিৰ কণ্টেষ্টেণ্টজনক আমি কোনেও চিনি পোৱা নাই। কাৰণ তেওঁৰ মুখত মাস্ক আছে। আহক! আমি আৰম্ভ কৰো কে বি চি।

কে বি চিৰ আজিৰ এপিচোডৰ প্ৰথমটো প্ৰশ্ন—চকীত বহাৰ সৰ্বোত্তম উপায়টো কি? লাইফলাইন কেইটা হ'ল----

ঃ বচ্চন চাহাব, মিছাতে লাইফ লাইনবোৰ কৈ টাইম নষ্ট কৰিব নালাগে। যদি লাগে মই খুজি ল'ম।

ঃ দেৱীও অউৰ চজ্জনো, কে বি চিত এই প্ৰথম আমি এনে এজন কণ্টেষ্টেণ্ট পাইছো, যাক লাইফলাইনৰো দৰকাৰ নাই।

ঃ আপুনি চিঞৰিয়ে থাকিবনে উত্তৰটো কওঁ।

ঃ মোৰ মাতটোৱে ডাঙৰ, চিঞৰা নাই মই। প্ৰশ্নটো আকৌ এবাৰ কৈছো— চকীত বহাৰ সৰ্বোত্তম উপায়টো কি?



ঃ বহিব খোজা বেলেগবোৰক গতিয়াই জঁপিয়াই গৈ নিজে বহি যোৱা।

ঃ অ'কে! কম্পিউটাৰজী, উত্তৰটো শুদ্ধ যদি লক্ কিয়া যায়ে! (মিউজিক) য়েছ সম্পূৰ্ণ শুদ্ধ উত্তৰ।

মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল—কৰ্ম কেইপ্ৰকাৰৰ? লাইফলাইন লাগিবনে?

ঃ নালাগে।

ঃ দেৱীও অউৰ চজ্জনো, এইবাৰো লাইফলাইন নালাগে বোলে। চাওঁ তেওঁৰ উত্তৰটো এইবাৰ শুদ্ধ হয় নে নহয়। কওক কৰ্ম কেইপ্ৰকাৰৰ?

ঃ দুই প্ৰকাৰৰ—অপকৰ্ম আৰু একো কামত নহা কৰ্ম!

ঃ কম্পিউটাৰজী, লক্ কিয়া যায়ে! (মিউজিক) সম্পূৰ্ণ শুদ্ধ উত্তৰ! (বিপুল হাত চাপৰি) এইবাৰ তৃতীয় প্ৰশ্নটো আপোনাৰ কম্পিউটাৰ স্ক্ৰীণত—গোটেই ইণ্ডিয়াখনক কেনেকৈ স্বচ্ছ ইণ্ডিয়া কৰিব পাৰি?

ঃ সাগৰৰ পাৰত বস্তা লৈ ফটো উঠি।

ঃ কম্পিউটাৰজী, লক্ কিয় যায়। (মিউজিক) সম্পূৰ্ণ শুদ্ধ উত্তৰ। (হাত চাপৰি) এইবাৰৰ নতুন প্ৰশ্নটো আপোনাৰ কম্পিউটাৰ স্ক্ৰীণত—ইণ্ডিয়াৰ সবাতোকৈ ডাঙৰ বোমাটো কি?

ঃ একাউণ্টে একাউণ্টে পোন্ধৰ লাখ।

ঃ কম্পিউটাৰজী, লক্ কিয় যায়ে! (মিউজিক) সম্পূৰ্ণ শুদ্ধ উত্তৰ। (বিপুল হাত চাপৰি) আকৌ এটা নতুন প্ৰশ্ন আপোনাৰ কম্পিউটাৰ স্ক্ৰীণত—কোনটো বাৰত নিজৰ সমস্ত পাৱাৰ দেখুৱাব পাৰি?

ঃ বুধবাৰে।

ঃ কম্পিউটাৰজী, লক কিয়া যায়ে। (মিউজিক) সম্পূৰ্ণ শুদ্ধ উত্তৰ। (হাত চাপৰি) এইবাৰ আৰু এটা প্ৰশ্ন আপোনাৰ কম্পিউটাৰ স্ক্ৰীণত—সেই সম্বোধনটো কি যাৰ দ্বাৰা শকুনিকো বুজায়, কংসকো বুজায় আৰু নতুনকৈ এনে দুই-এজনকো বুজোৱা হয় যাক শকুনি আৰু কংসৰ যোগফল বুলিব পাৰি?

ঃ মামা।

ঃ কম্পিউটাৰজী, লক কিয় যায়ে! (মিউজিক) সম্পূৰ্ণ শুদ্ধ উত্তৰ। (বিপুল হাত চাপৰি) এটা নতুন প্ৰশ্ন, যাৰ উত্তৰ দিব পাৰিলে আপুনি হৈ যাব ক্ৰোড়পতি! প্ৰশ্নটো আপোনাৰ কম্পিউটাৰ স্ক্ৰীণত—গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভটো কি?

ঃ যিটো স্তম্ভ নিজৰ ঘৰতে বহুৱাই ল'ব পাৰি।

ঃ কনফিডেণ্ট!

ঃ য়েছ!

ঃ লক কিয়া যায়?

ঃ য়েছ!

ঃ কম্পিউটাৰজী, লক কিয়া যায়ে! (মিউজিক) সম্পূৰ্ণ শুদ্ধ উত্তৰ! (বিপুল হাত চাপৰি) আপুনি জিকি গ'ল এক ক্ৰোড় ৰূপয়ে! য়ে ৰাহা আপকা চেক!

(বচ্চন চাহাবে চেক্‌খন বিচাৰি হাবাথুৰি খায়)

ঃ কি হ'ল চেক্‌খন কি হ'ল? কম্পিউটাৰজী, চেক্ কহা গয়া?

ঃ কম্পিউটাৰক সুধি লাভ নাই। কেতিয়াবাতে চেক্ মোৰ একাউণ্টত জমা হৈ গৈছে।

ঃ নেখেলোতেই?

ঃ কম্পিউটাৰটোও মোৰ ঘৰৰেই! প্ৰশ্নবোৰ ময়ে আপলোড কৰি থৈছিলো।

মুখৰ পৰা মাস্কখন আঁতৰাই মহাৰাজ দিছপুৰলৈ গুচি আহিল।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

Assam down town University
Guwahati
An ISO 9001:2015 Certified & NAAC Accredited University
ADMISSIONS OPEN 2021-22
B.Sc. IT
Specializations
FinTech
Data Science
Automation & Robotics
Mobile Applications & Information Security
Cloud Technology & Information Security
To Apply Online scan the QR code
CONTACT: 98641 37777 / 93657 71454





সন্তানৰ মাতৃ হ'ব বিচাৰিছিল যদিও কেৱল ইয়াৰ বাবে কোনো পুৰুষৰ স'তে সম্পৰ্ক স্থাপন কৰিব খোজা নাছিল। ইয়াৰ পৰিণামস্বৰূপেই এটি 'ই-বেবী'ৰ মাতৃ হ'ল আমেৰিকাৰ এগৰাকী ৩৩ বছৰীয়া মহিলা। ষ্টেফানী টেইলৰ নামৰ মহিলাগৰাকীৰ বাবে এনে সম্পৰ্কহীন মাতৃত্ব অৰ্জনৰ বাবে উপায় আছিল কোনো গৰ্ভধাৰণ কেন্দ্ৰৰ দ্বাৰস্থ হৈ গৰ্ভত সন্তান ধাৰণ কৰা। অথচ সেই পথো গ্ৰহণ নকৰিলে ষ্টেফানীয়ে।

# আমেৰিকাত এগৰাকী মহিলাই জন্ম দিলে 'ই-বেবী'

## ■ ইণ্টাৰনেটত শুক্ৰাণু ক্ৰয় কৰি হ'ল কন্যা সন্তানৰ মাতৃ

■ **নিউজ ব্যুৰ'**

**ৱাশ্বিংটন, ২০ ছেপ্টেম্বৰ ঃ** সন্তানৰ মাতৃ হ'ব বিচাৰিছিল যদিও কেৱল ইয়াৰ বাবেই কোনো পুৰুষৰ স'তে সম্পৰ্ক স্থাপন কৰিব খোজা নাছিল। ইয়াৰ পৰিণামস্বৰূপেই এটি 'ই-বেবী'ৰ মাতৃ হ'ল আমেৰিকাৰ এগৰাকী ৩৩ বছৰীয়া মহিলা। ষ্টেফানী টেইলৰ নামৰ মহিলাগৰাকীৰ বাবে এনে সম্পৰ্কহীন মাতৃত্ব অৰ্জনৰ বাবে উপায় আছিল কোনো গৰ্ভধাৰণ কেন্দ্ৰৰ দ্বাৰস্থ হৈ গৰ্ভত সন্তান ধাৰণ কৰা। অথচ সেই পথো গ্ৰহণ নকৰিলে ষ্টেফানীয়ে। বৰঞ্চ ইণ্টাৰনেটত সন্ধান কৰি শুক্ৰাণু ক্ৰয় কৰিলে তেওঁ। ইয়াৰ লগতে ইউটিউব চাই শুক্ৰাণু গৰ্ভত প্ৰৱেশ কৰোৱা পদ্ধতিও শিকি ল'লে। তাৰ পাছতে 'ই-বে' নামৰ অনলাইন বিক্ৰয় সংস্থাটোৰ পৰা প্ৰজনন প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজনীয় সামগ্ৰীও ক্ৰয় কৰে। ষ্টেফানীৰ যুক্তি হৈছে অনলাইনতে যিহেতু সকলোবোৰেই হৈছে, গতিকে সন্তান ধাৰণত সমস্যা ক'ত?

ষ্টেফানীৰ যুক্তি অৱশ্যে ভুল প্ৰমাণিত নহ'ল। কিয়নো ১০ মাহৰ পাছত তেওঁ এটি স্বাস্থ্যবান কন্যা সন্তান জন্ম দিবলৈ সক্ষম হয়। মাতৃয়ে সন্তানৰ নাম ৰাখিছে ইডেন। অৱশ্যে শিশুটিৰ জন্মকাহিনী জানি পৰিচিতসকলে নাম দিছে 'ই-বেবী'। উল্লেখ্য যে অনলাইনত লেনদেন, ক্ৰয়-বিক্ৰয় বা বাৰ্তা প্ৰেৰণৰ পদ্ধতিত ইংৰাজী শব্দ 'ইলেক্ট্ৰ'নিক'ৰ আদ্যাক্ষৰ 'ই' যুক্ত কৰা হয়। সেয়ে বহুতৰ মতে, এই শিশুটিৰ জন্মৰ ক্ষেত্ৰতো অনলাইন যিয়টো জড়িত হৈ আছে। সেয়ে ইডেন হৈছে ই-সন্তান। গৰ্ভধাৰণ কেন্দ্ৰলৈ যোৱাৰ পৰিৱৰ্তে নিজগৃহতে গৰ্ভধাৰণ কৰাৰ সন্দৰ্ভতো ষ্টেফানীয়ে নিজস্ব যুক্তি দাঙি ধৰিছে। ষ্টেফানীয়ে কয় যে প্ৰথমে তেওঁ গৰ্ভধাৰণ কেন্দ্ৰৰ কথাই ভাবিছিল। সেয়ে প্ৰথম অৱস্থাত তেওঁ একাধিক গৰ্ভধাৰণ কেন্দ্ৰলৈ গৈছিল। অথচ এনে কেন্দ্ৰত গৰ্ভধাৰণৰ মূল্য ইমানেই বেছি যে উপায়হীন হৈ তেওঁ বিকল্প পন্থা গ্ৰহণ কৰিবলগীয়া হ'ল। গৰ্ভধাৰণৰ সময়ত তেওঁৰ এটি পাঁচ বছৰীয়া পুত্ৰ সন্তান আছিল। দ্বিতীয় সন্তানৰ মাতৃ হ'বলৈ তেওঁ ইচ্ছা কৰিছিল। নিজৰ কথাখিনি এক বন্ধুৰ আগত মহিলাগৰাকীয়ে সদৰী কৰিছিল। সেই বন্ধুৱেই ষ্টেফানীক অনলাইনত শুক্ৰাণু ক্ৰয় কৰিব পৰা এটা এপৰ সন্ধান দিয়ে। এই এপত শুক্ৰাণু দিবলৈ ইচ্ছুক পুৰুষজনৰ পৰিয়ালৰ পৰা আৰম্ভ কৰি স্বাস্থ্য সংক্ৰান্তীয় সকলো তথ্যই উপলব্ধ থাকে। ষ্টেফানীয়ে কয় যে তাৰ পৰাই নিজৰ সন্তানৰ বাবে তেওঁ শুক্ৰাণুদাতা বিচাৰি লয়।

ষ্টেফানীয়ে বিচাৰিছিল যে সন্তানটি তেওঁৰ দৰেই হওক। সেইবাবে মহিলাগৰাকীয়ে এনে কোনো লোকৰ সন্ধান কৰিছিল, যাৰ শাৰীৰিক গঠন তেওঁৰ স'তে মিলে। লগতে স্বভাৱৰ দিশৰ পৰাও পৰিয়ালমুখী মানুহ বিচাৰিছিল তেওঁ। উক্ত এপত নিজৰ পছন্দৰ পুৰুষ বিচাৰি পাবলৈ তেওঁক এটা দিনৰ প্ৰয়োজন হয়। সপ্তাহৰ ভিতৰতে তেওঁ শুক্ৰাণুও লাভ কৰে। প্ৰথম চেষ্টাতেই ষ্টেফানী সফল হয়। ষ্টেফানীয়ে জনাইছে যে প্ৰথমে এই ক্ষেত্ৰত পৰিয়ালৰ একাংশই সন্মতি দিয়া নাছিল যদিও ইডেনৰ জন্মৰ পাছত সকলোৱেই আনন্দ পাইছে। সম্পূৰ্ণ নিজা প্ৰচেষ্টাত সন্তান জন্ম দিবলৈ সক্ষম হোৱাৰ বাবে গৰ্ববোধ কৰা বুলিও ষ্টেফানীয়ে জনাইছে।

# আফগানিস্তানলৈ পুনৰ উভতি আহিব 'ৰক্তাক্ত শৈশৱ'!

## আগৰ দৰেই 'শিশু সৈনিক' গঠনৰ পৰিকল্পনা তালিবানৰ





■ **নিউজ ব্যুৰ'**

**কাবুল, ২০ ছেপ্টেম্বৰ ঃ** শীঘ্ৰেই উভতি আহিব পাৰে আফগানিস্তানৰ 'ৰক্তাক্ত শৈশৱ'। আকৌ শিশুসকলক বলপূৰ্বক নিজৰ সেনাৰ দলত ভৰ্তি কৰোৱাৰ ভয়ানক পৰিকল্পনা কৰিছে তালিবানে। এই পৰিকল্পনা বাস্তৱ কৰাৰ বাবে সন্ত্ৰাসবাদী সংগঠনটোৱে আনকি পদক্ষেপো আৰম্ভ কৰিছে। ইয়াতে ক্ষান্ত নাথাকি তালিবানে শিশু আৰু কিশোৰসকলক সন্ত্ৰাসবাদী কাৰ্যকলাপতো ব্যৱহাৰ কৰাৰ পৰিকল্পনা কৰিছে। আফগান নাগৰিকৰ এটা বৃহৎ অংশই তালিবানৰ এই ভয়াৱহ পৰিকল্পনাৰ কথা সদৰী কৰিছে।

'শিশু সৈনিক' তৈয়াৰ কৰাৰ বিষয়টোক লৈ ইতিমধ্যেই সৰৱ হৈছে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ শাখাৰ উচ্চায়ুক্ত মাইকেল বেকলেট। আফগানিস্তানত তালিবানৰ শাসন প্ৰতিষ্ঠা হোৱাৰ পাছতে তেওঁ এই বিষয়ত মানৱাধিকাৰ পৰিষদক দ্ৰুত পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে শিশু আৰু কিশোৰসকলক প্ৰায়েই যুদ্ধত ব্যৱহাৰ কৰি আহিছে তালিবানে। ১৯৯৬ত তালিবানে প্ৰথমবাৰ আফগানিস্তানৰ শাসনৰ গাদী দখল কৰাৰ পাছত সঘনাই ১৮ বছৰৰ তলৰ বয়সীয়া শিশু-কিশোৰক বলপূৰ্বক ধৰি নিছিল। তাৰ পাছত বিভিন্ন সন্ত্ৰাসবাদী সংগঠনত তেওঁলোকক আত্মঘাতী বোমাৰু আৰু সৈনিকৰূপে ব্যৱহাৰ কৰা হৈছিল। এইবাৰো পুনৰ ক্ষমতালৈ অহাৰ পাছত তালিবানে একে পথকে অনুসৰণৰ সিদ্ধান্ত লৈছে। মুখত শান্তি আৰু মানৱাধিকাৰৰ কথা ক'লেও সেয়া যে প্ৰকৃততে ভুৱা কথা, সেই কথাই এই ভয়াৱহ পৰিকল্পনাত ওলাই পৰিছে। তালিবান শাসনলৈ অহাৰ লগে লগে দেশখনৰ নাগৰিককলো এই বিষয়ত অধিক শংকিত হৈ পৰিছে। এনে পৰিস্থিতিত আফগান শিশুসমাজৰ ভৱিষ্যতক কেন্দ্ৰ কৰিও শংকা দেখা গৈছে। দেশখনৰ নাগৰিকসকলে ভয় কৰিছে যে এতিয়াৰ পৰা সন্ত্ৰাসবাদীৰ শিবিৰত জেহাদৰ নামত আফগান শিশু আৰু কিশোৰৰ মগজু প্ৰক্ষালন কৰি তেওঁলোকক আত্মঘাতী সন্ত্ৰাসবাদীৰূপে গঢ়ি তোলা হ'ব।

# আই পি এলক ইছলামবিৰোধী আখ্যা তালিবানৰ

## আফগানিস্তানত নিষিদ্ধ কৰিলে টি-২০ লীগখনৰ সম্প্ৰচাৰ


■ **নিউজ ব্যুৰ'**

**কাবুল, ২০ ছেপ্টেম্বৰ ঃ** ইতিমধ্যেই সংযুক্ত আৰব আমিৰশ্বাহিত আৰম্ভ হৈছে ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আইপিএল)ৰ চতুৰ্দশ সংস্কৰণৰ দ্বিতীয় পৰ্ব। ক'ভিডৰ বাবে আধাতে বন্ধ হৈ থকা লোভনীয় অৰ্থসম্বলিত টি-২০ লীগখন কালিৰে পৰা আৰম্ভ হৈছে। ভাৰতৰ উপৰি বিশ্বৰ বহুতো দেশত আইপিএলৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হৈছে। ইয়াৰ মাজতে আফগানিস্তানত আইপিএলৰ সম্প্ৰচাৰ নিষিদ্ধ কৰিলে তালিবানে। ইছলামবিৰোধী কাৰ্যকলাপৰ বাবেই তালিবানে এই নিষেধাজ্ঞা আৰোপ কৰিছে।

উল্লেখ্য যে তালিবানে আফগানিস্তান দখল কৰাৰ পূৰ্বেই আইপিএল ক'ভিডৰ বাবে বন্ধ ৰখা হৈছিল। সেয়ে প্ৰথম পৰ্বত প্ৰতিযোগিতাখন সন্ত্ৰাসবাদী দলটোৰ ৰোষত পৰা নাছিল। ইতিমধ্যে আফগানিস্তানৰ অন্তৰ্ৱৰ্তীকালীন চৰকাৰ গঠন কৰা তালিবানে ক্ষমতালৈ অহাৰ পাছৰে পৰা একাধিক ফতোৱা জাৰি কৰিছে। ইয়াৰে নৱতম সংযোজন আইপিএল। লীগৰ সম্প্ৰচাৰত ইছলাম বিৰোধী বিষয়সমূহ প্ৰদৰ্শন কৰাৰ বাবেই এনে কঠোৰ সিদ্ধান্ত লোৱা হৈছে। এই সন্দৰ্ভত আফগানিস্তান ক্ৰিকেট ব'ৰ্ডৰ মিডিয়া মেনেজাৰ ইব্ৰাহিম ম'মান্দে টুইটাৰত লিখিছে, 'আফগানিস্তানৰ জাতীয় ৰেডিঅ' আৰু টেলিভিছনত



আইপিএল সম্প্ৰচাৰ নকৰে তালিবান চৰকাৰে। ইছলাম বিৰোধী নানা বিষয়, যেনে নাৰীৰ নাচ-গান আৰু খোলা চুলিৰে নাৰীৰ উপস্থিতি প্ৰদৰ্শন বন্ধ কৰা হৈছে।'



সেয়া আছিল ১৯১১ৰ কথা। আজিৰ পৰা প্ৰায় ১১০ বছৰৰ পূৰ্বে অতি ধুমধামেৰে এখন ৰেলৰ চলাচল আৰম্ভ কৰিছিল ইটালীৰ জেনেট্টি নামৰ এক ৰেল সংস্থাই। উদ্বোধনীৰ দিনা সংস্থাটোৱে সকলো যাত্ৰীকে টিকট বিহীনভাৱে যাত্ৰাৰ সুযোগ প্ৰদান কৰিছিল। এশজন যাত্ৰী আৰু ছজন ৰেলকৰ্মীক লৈ ৰেলখনে যাত্ৰা আৰম্ভ কৰিছিল। অথচ সেই ৰেলখনে গন্তব্যস্থল নাপালেগৈ।

# ১০৪ যাত্ৰীসহ সুৰংগত প্ৰৱেশ কৰিয়েই অদৃশ্য হ'ল এখন ৰেল

## ■ শতাধিক বছৰৰ পাছতো নাই কোনো শুংসূত্ৰ, আছে কেৱল নানা গুজৱ
## ■ নিৰুদ্দেশৰ বহুকালৰ পূৰ্বেই মেক্সিকোত প্ৰত্যক্ষ কৰাৰ দাবীক কেন্দ্ৰ কৰিও ৰহস্য

■ **নিউজ ব্যুৰ'**

**ৰোম, ২০ ছেপ্টেম্বৰ ঃ** সেয়া আছিল ১৯১১ৰ কথা। আজিৰ পৰা প্ৰায় ১১০ বছৰৰ পূৰ্বে অতি ধুমধামেৰে এখন ৰেলৰ চলাচল আৰম্ভ কৰিছিল ইটালীৰ জেনেট্টি নামৰ এক ৰেল সংস্থাই। উদ্বোধনীৰ দিনা সংস্থাটোৱে সকলো যাত্ৰীকে টিকট বিহীনভাৱে যাত্ৰাৰ সুযোগ প্ৰদান কৰিছিল। এশজন যাত্ৰী আৰু ছজন ৰেলকৰ্মীক লৈ ৰেলখনে যাত্ৰা আৰম্ভ কৰিছিল। অথচ সেই ৰেলখনে গন্তব্যস্থল নাপালেগৈ। কোনো ধৰণৰ দুৰ্ঘটনাৰ খবৰ নাই, কোনেও মাজপথত ৰেলখন ৰখাই থোৱা নাছিল; আশ্চৰ্যকৰভাৱে নিজৰ যাত্ৰাপথত ৰহস্যজনকভাৱে নিৰুদ্দেশ হৈ পৰে সেই যাত্ৰীবাহী ৰেলখন। আজি পৰ্যন্ত ৰেলখনৰ সন্ধানতো বাদেই, ৰেলখনৰ কি পৰিণতি হ'ল সেয়াও কোনেও জানিব নোৱাৰিলে। কোনো ধৰণৰ সন্ধান নোলাল ৰেলত থকা ১০৪জন যাত্ৰী আৰু ৰেলকৰ্মীৰ। ১১০ বছৰৰ আগৰ সেই ৰহস্যজনক ঘটনাই আজিও ইটালীবাসীক শিহৰিত কৰি তোলে। ইমানবোৰ যাত্ৰী লৈ এখন বিশাল ৰেল কিদৰে মুহূৰ্তৰ ভিতৰতে অদৃশ্য হৈ যাব পাৰে, তাৰ কাৰণ বিজ্ঞানীসকলেও বিচাৰি উলিয়াব নোৱাৰিলে। শুনা যায় যে অনেক অনুসন্ধান চলোৱা সত্ত্বেও ৰেলখনৰ কোনো চিহ্ন পৰ্যন্ত কোনেও বিচাৰি উলিয়াব নোৱাৰিলে।

তথ্য অনুসৰি, ৰোমৰ এখন ৰেল ষ্টেছনৰ পৰা এশ যাত্ৰী আৰু ছজন ৰেলকৰ্মীক লৈ সেইদিনা ৰেলখনে যাত্ৰা আৰম্ভ কৰিছিল। যাত্ৰীসকলে সেই যাত্ৰা যথেষ্ট উপভোগ কৰিছিল। কিয়নো সংস্থাৰ তৰফৰ পৰা যাত্ৰীসকলৰ বাবে ৰাজকীয় খাদ্য-সম্ভাৰৰো ব্যৱস্থা কৰা হৈছিল। এই যাত্ৰাৰ উদ্দেশ্য আছিল যাত্ৰীসকলক ইটালীৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰোৱা। এই যাত্ৰাপথতে ৰেলখনে এটা সুৰংগ পাৰ কৰিবলগীয়া হৈছিল। ৰেলখনে ঠিকেই সুৰংগৰ ভিতৰত প্ৰৱেশ কৰিলে, অথচ আজিলৈকে সুৰংগৰ পৰা ওলাই নাহিল। পৰৱৰ্তী সময়ত ৰেলখনৰ সন্ধান কৰিবলৈ বহুতেই সুৰংগত প্ৰৱেশ কৰি অনুসন্ধান চলাইছিল। তন্ন তন্নকৈ চলাথ কৰিও কোনেও ৰেলখনৰ চিহ্ন পৰ্যন্ত নাপালে। পাহাৰৰ বুকু খান্দি সৃষ্টি কৰা এই সুৰংগৰ ভিতৰত আনকি আন কোনো উপপথ বা সুৰংগ নাছিল। আনকি ৰেলখন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ তথ্যও পোৱা নগ'ল। স্বাভাৱিকতে এই ৰহস্যজনক ঘটনাই সকলোকে চিন্তিত কৰি তুলিছিল।

ৰেলখনত কৰ্মচাৰীসহ মুঠ ১০৬জন যাত্ৰী আছিল। ইয়াৰে



দুজনৰ সন্ধান পৰৱৰ্তী সময়ত পোৱা গৈছিল। সুৰংগৰ বাহিৰৰ পৰা তেওঁলোকক উদ্ধাৰ কৰা হৈছিল। সেই সময়ত প্ৰকাশিত খবৰ অনুসৰি, দুয়োজনেই অসংলগ্ন কথা কৈছিল। সেই ঘটনাৰ সন্দৰ্ভত বিশদভাৱে তেওঁলোকে একো কথাই গম পোৱা নাছিল। অৱশ্যে দুয়োৰে কথাৰ বিষয়বস্তু একেই আছিল। সুৰংগত প্ৰৱেশৰ মুহূৰ্ততে সমগ্ৰ ৰেলখনক বগা ধোঁৱাই গ্ৰাস কৰিছিল। সেই সময়তে হেনো দুয়োজনে কোনোমতে ৰেলৰ পৰা জাঁপ দিছিল। তাৰ পাছত আৰু তেওঁলোকৰ একো মনত নাছিল।

ইপিনে, প্ৰথম বিশ্বযুদ্ধৰ সময়ত বোমা পৰাৰ ফলত সুৰংগৰ মুখখন বন্ধ হৈ পৰাত অনুসন্ধান প্ৰক্ৰিয়া স্থগিত ৰখা হয়। অথচ ইয়াৰ বহু বছৰৰ পাছত সন্ধানহীন ৰেলখনক কেন্দ্ৰ কৰি এনে কিছুমান ঘটনা বা তথ্য প্ৰকাশলৈ আহিবলৈ ধৰিলে, যিবোৰে সকলোকে আশ্চৰ্যচকিত কৰি তুলিছিল। মেক্সিকোৰ এজন চিকিৎসকে দাবী কৰে যে বহু বছৰৰ পূৰ্বে মেক্সিকোৰ এখন হাস্পতালত হেনো সেই ১০৪জন যাত্ৰীক ভৰ্তি কৰোৱা হৈছিল। তেওঁলোক প্ৰতিজনেই অসংলগ্ন কথা কৈছিল। প্ৰতিজনেই কোনো এখন ৰেলৰ কথা উল্লেখ কৰিছিল আৰু সেই ৰেলত উঠিয়ে তেওঁলোক মেক্সিকোত উপস্থিত হোৱা বুলিও কৈছিল। আনকি ইটালীৰ বিভিন্ন প্ৰান্তত, জাৰ্মানী, ৰোমানিয়া আৰু ৰাছিয়াতো হেনো বিভিন্ন সময়ত বিভিন্ন মানুহে ঠিক সেই ধৰণৰে এখন যাত্ৰী থকা ৰেল দেখা পোৱাৰ কথা দাবী কৰিবলৈ আৰম্ভ কৰিছিল। প্ৰত্যক্ষদৰ্শীয়ে ৰেলৰ যি বৰ্ণনা দিছিল, সেয়া হুবহু সেই অদৃশ্য হোৱা ৰেলখনৰ দৰে আছিল। সেই সময়ত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, ৰেলখনে হেনো 'টাইম ট্ৰেভেল' কৰি ১৮৪০ৰ মেক্সিকোত উপস্থিত হৈছিল।

অৱশ্যে এই সকলো দাবীৰ পক্ষে সুনিৰ্দিষ্ট প্ৰমাণ পোৱা নগ'ল। ফলত ৰেলখনক কেন্দ্ৰ কৰি 'টাইম ট্ৰেভেল'ৰ যি কাহিনী বিয়পি পৰিছিল, তাতো কোনেও ছীল-মোহৰ নিদিলে। তথাপি ৰেলখনৰ কি হ'ল বা ৰেলত থকা ১০৪জন যাত্ৰীয়েই বা ক'লৈ গ'ল, তাৰ কোনো শুংসূত্ৰ নোলাল। সময় আগবঢ়াৰ লগে লগে এই প্ৰশ্নও প্ৰবল হৈ পৰিছে। তৎসত্ত্বেও বন্ধ সুৰংগৰ ভিতৰতে বন্দী হৈ ৰ'ল সেই 'ভৌতিক ৰেল'খনৰ ৰহস্য।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com